# Sri Surya

## Souvenir



**Gauhati University**

**Inter-College Youth Festival, 2021-22 (West Zone)**

**20th, 21st & 22nd September, 2022**

**Organised by**

**Goalpara College, Goalpara**


Editor :

Dr. Jayanta Kr. Brahma

স্মৃতিগ্ৰন্থ

# শ্ৰীসূৰ্য

# SOUVENIR

গুৱাহাটী বিশ্ববিদ্যালয়

আন্তঃ মহাবিদ্যালয় মাণ্ডলিক যুৱ মহোৎসৱ, ২০২১-২২ (পশ্চিম মণ্ডল)

গোৱালপাৰা মহাবিদ্যালয়, গোৱালপাৰা

২০-২২ ছেপ্তেম্বৰ, ২০২২

## Gauhati University

**Inter College Zonal Youth Festival 2021-22 (West Zone)**

**Goalpara College, Goalpara**

DATE : 20th - 22nd September, 2022

সম্পাদনা

ড° জয়ন্ত কুমাৰ ব্ৰহ্ম

## Sri Surya

Souvenir : Published on the occasion of GU Inter-College Youth Festival, 2021-22
(West Zone)
held at Goalpara College, Goalpara



### Editorial Board

| | | |
|---|---|---|
| Advisor | : | Dr. Subhash Barman, Principal |
| Editor | : | Dr. Jayanta Kr. Brahma |
| Co-editors: | | Dr. Johirul Hoque |
| | | Ms Manasi Devi |



***Design & Layout***

ICST Goalpara
College Road, Goalpara

***Printed at***

M Tact Multimedia, Ghy



অশোক সিংঘল
মন্ত্ৰী
**Ashok Singhal**
**Minister**

सत्यमेव जयते

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা,
জলসিঞ্চন বিভাগ, অসম
Department of Housing
& Urban Affairs, Irrigation
Government of Assam




## MESSAGE

It gives me immense pleasure to know that the Goalpara College is organizing G.U Youth Festival 2021-22 (West zone) from 20th September to 22nd September, 2022.

The youths have a much more important role in nation-building. The future of the country depends on them and they represent it at every level. Every youth is equally responsible for a country's future. They are the building blocks of a country.

The youths are very energetic and enthusiastic. They have the ability to learn and adapt to the environment. Similarly, they are willing to learn and act on it as well to achieve their goals. Social reforms and improvement of our society is in the hands of youth.

Organising such youth festivals will not only encourage the youth but also give a platform to showcase their potentials. This will also bring out the hidden talents among the youth.

I extend my best wishes to all the organisers and all the students of Goalpara College for a successful G.U. Youth Festival 2021-22 (West zone).

Ashok Singhal

**(Ashok Singhal)**


Address : Ground Floor, Block-E, Janata Bhawan, Dispur, Guwahati-781006
Tel. : 0361-2237312(O), Cell : 94350-48924, E-mail : officeashoksinghal@gmail.com

Khanindra Choudhury, IAS

Deputy Commissioner & District Magistrate
Goalpara District, Assam - 783121
Phone No. - 03663-240030 (O)
240028 (R)
240314 (Fax)
e-mail : dc-goalpara@nic.in

सत्यमेव जयते



## MESSAGE

I am happy to learn that Goalpara College is organizing Gauhati University Youth Festival 2021-22(West Zone) from 20/09/2022 to 22/09/2022 and to mark the occasion a Souvenir "Sri Surya" is being published.

Youth Festivals can play a significant role in creating healthy atmosphere of competition among students from different colleges to show their best talents in music, drama and other cultural activities. Such festivals also help to foster brotherhood among the students and offer an opportunity to see and learn about new things and new places.

I am sure that the souvenir "Surjya Pahar" will be a valuable repository of the creative talents of the students and will be able to preserve the significant initiative of Goalpara College authority to organize this Youth Festival in this historically important place of Assam.

I wish the organizer of the Youth Festival all the best for successful conduct of the Festival.

Dated 13th September'2022

Deputy Commissioner
Goalpara

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

Prof. Pratap Jyoti Handique
Vice Chancellor
Phone : 9435012920
E-mail ID : vc@gauhati.ac.in



## MESSAGE

It gives me immense pleasure to know that Goalpara College Goalpara is going to organize the Gauhati University Youth Festival 2021-2022 (West Zone) from 20th September to 22nd September, 2022.

I appreciate the organizing committee for taking initiative to publish a Souvenir namely "Sri Surya " to commemorate this occasion. This has given me immense pleasure as I believe that such an effort would add to the glory of the occasion and contribute to the strengthening of the ardour of students of different colleges under Gauhati University taking part in the occasion.

I wish the Organizing Committee success in this effort.

Date: 13.09.2022

Address : Guwahati- 781014 Assam : India Phone : 7099023760 Web : www.gauhati.ac.in

Dr. Ranjan Kr Kakati,
(M.Sc, M.Phil., Ph.D., B.Ed., PGDCA)
Director, Students' Welfare
& Secretary, GU Sports Board

Gauhati University
Gopinath Bardoloi Nagar
Guwahati-781014, Assam

Ref. No. GU/GUSB/ICZYF/2022/5559

Date 14.09.2022



# MESSAGE

It gives me immense pleasure to know that Goalpara College, one of the pioneer higher education institutions in lower Assam area has been organizing Gauhati University Inter College Zonal Youth Festival (West Zone), 2021-22 w.e.f. 20-22 September, 2022. GU Inter College Youth Festival is an important event and one of the highest platforms for GU students' fraternity to showcase their talents. Goalpara College has been continuously imparting Education, Sports and Culture among students along with great contributions in community and social service.

I am also glad to know that in connection with Zonal Youth Festival, Goalpara College is bringing out a historic souvenir entitled "Surya Pahar". The Souvenir will definitely cherish the glory of this event and it will be a memorable epic for the Goalpara College family.

I wish successful completion of the zonal youth festival and hope that this Souvenir will be heartily accepted by everyone.

Director, Students' Welfare
Gauhati University &
Secretary, GU Sports Board

Ph. No +91-9954647692, Fax No: 0361-2670297; Email id: dsw@gauhati.ac.in ; web: www.gauhati.ac.in

ড° অৰনী কুমাৰ ভাগৱতী

গোৱালপাৰা মহাবিদ্যালয়
গোৱালপাৰা, অসম



# শুভ-কামনা

আমি জানিবলৈ পাই অতি সুখী যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱ, ২০২১-২২ (পশ্চিম মণ্ডল) তিনিদিনীয়া কাৰ্যসূচীৰে (২০-২২ চেপ্তেম্বৰ, ২০২২) আমাৰ গোৱালপাৰা মহাবিদ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত হ'ব। এই মহোৎসৱৰ লক্ষ্য আৰু উদ্দেশ্য অতি মহান। ইয়াৰ সফল আয়োজনো সেইদৰে অতি গুৰুত্বপূৰ্ণ আৰু গভীৰ আগ্ৰহ আৰু আস্থা নিৰ্ভৰ। গোৱালপাৰা মহাবিদ্যালয়ৰ বৃহত্তৰ পৰিয়ালে গভীৰ আস্থাৰে এই গুৰু দায়িত্ব পালন কৰি যুৱ মহোৎসৱৰ সকলো কাৰ্যসূচী যে সাফল্যমণ্ডিত কৰি তুলিব, তাত আমাৰ অকনো সন্দেহ নাই।

আমাৰ একান্ত কামনা পশ্চিম অসমৰ মহাবিদ্যালয় সমূহৰ ছাত্ৰ-সমাজৰ লগতে মাননীয় শিক্ষকসকলেও এই মহোৎসৱৰ যোগেদি বৈচিত্ৰপূৰ্ণ গোৱালপাৰা অঞ্চলৰ সমাজ-সংস্কৃতিৰ লগত প্ৰত্যক্ষ সংযোগ স্থাপন কৰাৰ সুযোগ পাব। তেখেতসকলৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অহা অধ্যাপক বিষয়াসৱৰ পৱিত্ৰ উপস্থিতিয়েও আমাৰ মহাবিদ্যালয় প্ৰাঙ্গন উজলাই তুলিব বুলি আশাৰে বাট চাই ৰ'লো।

অৰনী কুমাৰ ভাগৱতী

সভাপতি, পৰিচালনা সমিতি
গোৱালপাৰা মহাবিদ্যালয়, গোৱালপাৰা



# অধ্যক্ষৰ কলমেৰে ঃ
## স্বপ্ন আৰু বিশ্বাসৰ কিছু শব্দ

ড° মহেন্দ্ৰ বৰা, ড° বীৰেন্দ্ৰ নাথ দত্তৰ দৰে মহীৰূহৰ পদস্পৰ্শৰে আশীৰ্বাদধন্য গোৱালপাৰা মহাবিদ্যালয়। অভিনয়ৰ ভোটাতৰা আদিল হুছেইন, আশ্ৰাফুল হক কিম্বা শুক্ৰাচাৰ্য ৰাভাই হওঁক, নাইবা সুৰৰ জগতত অমৰ হোৱা জিতেন ডেকা, মৃণালকান্তি মেধি ...... মহাবিদ্যালয়খনে ৰূপান্তৰৰ এক ইতিহাস গঢ়ি থৈছে। 'অ' মোৰ শুকুলাা ঘোঁৰা ... 'কোমলকৈ বাঁহৰে লাহৰী গগণা'ৰ লহৰে আমাৰ সাংস্কৃতিক পৰিক্ৰমাৰ ধ্বজা উৰুৱায়, 'বাদুংদুপ্পা'ৰ একক ছন্দই আমাক গৰ্বিত অভিভাৱকৰ অনুভৱেৰে ৰঙায়। এটা বৃহত্তৰ অঞ্চলৰ স্বপ্ন অভিমুখী যাত্ৰাৰ গুৰিয়াল এই মহাবিদ্যালয়। সেই স্বত্ৰৰ ভাৰত দায়বদ্ধ আমিবোৰ। জাতি-বৰ্ণ-ধৰ্মৰ শিকলিবিহীন খেন সমাজ গঢ়াৰ খনিকৰ আমিবোৰ। সেই আশাবাদৰ পথেৰে আজিও ধাৱমান গোৱালপাৰা মহাবিদ্যালয়।

প্ৰজন্ম এটাৰ সামগ্ৰিক উত্তৰণৰ দায়বদ্ধতা সহজ নহয়। কিন্তু আমি আমাৰ গৌৰৱোজ্জল ইতিহাস অক্ষুণ্ণ ৰখাত ত্ৰুটিৰ বিন্দুমাত্ৰা দখলো স্বীকাৰ কৰিব বিচৰা নাই। সেইবাবেই খেল-ধেমালিয়েই হওঁক বা শৰীৰ-চৰ্চা, পৰিৱেশ কলাই হওঁক বা ৰং-তুলিকাৰ কচৰৎ ... আমাৰ আহোপুৰুষাৰ্থ চেষ্টা আৰু সাধনাক সুৱিৰতৰে মোট সলাব দিয়া নাই।

আমাৰ স্বপ্ন; নতুন দীপ্তিৰে দীপ্তিময় এখন সমাজ, ভাতৃত্বৰ এনাজৰীত বান্ধ খোৱা এটা প্ৰজন্ম। আমি এই ৰূপান্তৰৰ আধাৰ হ'ব খোজো। স্বত্ৰৰ উৰ্বৰ ভূমিত আমি ৰোপণ কৰিব বিচাৰিছোঁ ৰূপান্তৰৰ অভিনৱ বীজ, বৌদ্ধিক সামাজিক, সাংস্কৃতিক উত্তৰণৰ অভিলেখী চিহ্ন।

আমাৰ যাত্ৰা সুন্দৰৰ ফুল ফুলাৰ দিশত, শতিকাৰ আন্ধাৰ নাশৰ পথত। আমাৰ যাত্ৰা আলোকৰ সন্ধানত ।

'জয়তু গোৱালপাৰা মহাবিদ্যালয়'

(ড° সুভাষ বৰ্মন)
অধ্যক্ষ
গোৱালপাৰা মহাবিদ্যালয়

# EDITOR'S DESK



Education has already traversed a long journey from ancient Greek times classroom to modern sophisticated smart classroom. However, the objective of education is not just to impart academic knowledge, but also to ensure the overall development of students. Education can be considered complete only when the students become equipped to meet the challenges in every field of life, be it educational, social or cultural.

With the advent of globalization education seems to have been reduced to commodity. In these challenging times youth festival inspire hope of providing holistic development of students as participating in various events will bring out their untapped potential and could be harnessed which will prove to be a productive asset for the society in the longer run.

It has been observed that across the stretch of the country the culture of celebrating youth festivals is widespread and has got much pronounced. The vibrant college life is insignificant without a fest and constitutes a major part of life of students. The students merrily remembers the academic calendar and they look forward to the dates. Festivals provide a platform for students to showcase one's unique talents and realize their potential, providing a break from the monotonous routine of evaluation and academics. Youth festivals provide an opportunity for the students of affiliated colleges to interact and compete with one another. They are the most effective way of bringing the youth together on the same platform, boosting social interaction and exchanging many ideas and concepts.

The role of youth festivals is of utmost importance so much so that many universities have come to view that it has become a learning tool along with the recreational activity. These festivals give a feeling of satisfaction and replenish them with enthusiasm and of course some crucial learning that they will cherish for their entire life.

It is said that 'the Youth of a Nation are the trustees of posterity'. This young force, which also constitutes nearly 40 percent of the total population of India, is the most vibrant and dynamic segment and also the country's most valuable human resource. They are the backbone of a nation and play one of the most important roles in nation-building.

According to UN Report, half of the people on our planet are 30 or younger, and this is expected to reach 57% by the end of 2030. Prime Minister of India while speaking on National Youth Day said that the youth of India have democratic values as well as demographic dividend and India considers the youth as a demographic dividend and development driver. The current government has undertaken various programmes that invite participation and facilitates an overall holistic development of youth.

Goalpara district which is situated on the south bank of Brahmaputra is home to diverse culture and ethnic groups. Goalpara epitomizes lush greenery and presence of innumerable ancient historical sites and wetlands. This backdrop provides an ideal environment for hosting the Youth Festival in Goalpara College which is situated at the heart of Goalpara town.

We take pride and exude confidence that Goalpara College which is one of the leading premier higher educational institutions of Assam and more particularly of Western Assam is hosting for the first time Gauhati University Inter-College Youth Festival 2021-22 (West Zone) from 20-22 September, 2022 in the historic town of Goalpara.

Over more than 20 colleges of nearby districts of Dhubri, Bongaigaon, South Salmara, Goalpara are participating in the Western cluster of Youth festival.

The enthusiasm among students are quite palpable as many of them are immersed in rehearsals in drama and dance, more so as they are going to participate after a gap of two years due to COVID restrictions put in place by government after the unprecedented outbreak of COVID in Dec 2019.

Lastly, I would like to offer my sincere gratitude to Principal Dr. Subhash Barman and President of Governing body Dr. Abani Kr Bhagabati for entrusting me along with the editorial team the task of bringing out the *Sri Surya -Souvenir* on behalf of Goalpara College to mark the GU Inter-College Youth Festival. I extend my sincere gratitude to all contributors of write-up as well for their invaluable contributions which will definitely enhance the existing knowledge on diverse issues so painstakingly written by them. I am also grateful to the editorial team and my co-editors for their constant co-operation, encouragement and precious suggestions. I am also grateful to the staff of ICST, Goalpara for their design and layout and taking extra effort to bring out the Souvenir on time.

Despite my earnest endeavor to make the souvenir flawless, some errors might creep into it inadvertently for which I offer my sincere apology.

Editor
*Sri Surya Souvenir*
**Dr. Jayanta Kumar Brahma**
Assistant Professor
Goalpara College

## GOALPARA DISTRICT
## AT A GLANCE

| |
|---|
| **Division:** Lower Assam |
| **Headquarter:** Goalpara Town |
| **Sub-Divisions:** 1 No. Goalpara |
| **Revenue Circles:** 5 |
| **Development Blocks:** 8 |
| **Geographical Area:** 1824 sq km |
| **Population:** 10,08,959 |
| **Literacy:** 68.27 % |
| **Revenue Villages:** 837 |
| **Panchayats:** 81 |
| **District Headquarter** : Goalpara Town |
| **Year of Establishment of District** : 1983 and DRDA Goalpara since October 1983. |
| **Situation** : The Geographical location in between Latitude **25⁰53' - 26⁰30'** North and Longitudes **90⁰7' - 91⁰5'** East. |
| **Boundary** : North the Brahmaputra, South East Garo Hill District of Megalaya, East Kamrup District & West Dhubri District. |
| **Area** : 1824 square kilometres. |
| Forest area - 36,91527 Hec. |
| Cultivable area - 10,200 Hec. |
| **Languages used** : Assamese, Bodo, Garo, Rabha, Bengali and Nepali. |
| **Population** : As per 2011 census. |
| Male : 5,14,162 |
| Female : 4,94,797 |
| **Total : 10,08,959** |

*Source: Goalpara District Administration Website*

# সূচীপত্ৰ CONTENTS

■ যুৱ মহোৎসৱৰ সুবাস বিচাৰি
ড° হেমন্ত কুমাৰ কলিতা- ১
■ গোৱালপাৰাৰ অপেচাদাৰী নাট্য সংগঠন আৰু নাট্য চৰ্চাৰ ৰেঙণি
দিলীপ কুমাৰ শৰ্মা- ৪
■ গোৱালপৰীয়া লোক-সংস্কৃতি
ড° ভানু বেজবৰা কালিতা- ১২
■ মূকাভিনয় আৰু বাটৰ নাট — নাটবৈচিত্ৰ্যৰ দুই ধাৰা
শৈলেনজিৎ শৰ্মা - ১৭
■ গোৱালপাৰা জিলা, শিক্ষা বিপ্লৱ আৰু এখন বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয়তা, এটি অৱলোকন
ড° মোঃ জহিৰুল হক - ২২
■ গোৱালপাৰা মহাবিদ্যালয় ইয়াৰ ঐতিহ্য আৰু অৱদান
আব্দুল হুছেইন - ২৪
■ বৰভিটা, পাগলাৰটেক মন্দিৰ আৰু গায়না নাও, আৰু দুই মহলাযুক্ত জাহাজ
শৈলেন দাস - ২৮
■ গোৱালপৰীয়া লোকগীতত সামাজিক প্ৰতিচ্ছবি
ড° বীৰেন্দ্ৰ নাথ দত্ত - ৩২
■ মহাত্মা গান্ধীৰ গোৱালপাৰা ভ্ৰমণ
(স্বৰ্গীয় খগেন্দ্ৰ নাথ নাথে লিখা " স্বাধীনতা সংগ্ৰামত গোৱালপাৰাৰ অৱদান শীৰ্ষক পুথিৰ পৰা প্ৰস্তুত) - ৩৮
■ Down Memory Lane
**Amal Kumar Das** - ৩৯
■ Empowering the Youth: at ground level and on large scale
**Dr. Yoshiko Bailung** - ৪৩
■ Gender Sensitization in Campus
**Manasi Devi** - ৪৭
■ NCC and Youth: Role in Nation-Building
**Mijing Gwra Basumatary** - ৪৯
■ The Bharat Scouts and Guides
*- an introduction*
**Kavita Basumatary** and
**Hasna Begum Barbhuyan** - ৫১

Committees - 59
Programme Schedule - 63
List of Participating Colleges-65

# যুৱ মহোৎসৱৰ সুবাস বিচাৰি

ড° হেমন্ত কুমাৰ কলিতা
মুৰব্বী দৰ্শন বিভাগ

**স্বা**মী বিবেকানন্দই কৈছিল - "Education is not the amount of information that put into your brain ... but through education we must have life-building, man-making and character making assimilation of ideas". শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক এই তিনিওটা ধাৰণাক সন্মিলিত ৰূপত উজলাই তোলাই হৈছে সামগ্ৰীক শিক্ষাৰ অৱধাৰণা। এই উদ্দেশ্য আৰু লক্ষ্য সন্মুখত ৰাখিয়েই গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰতি বছৰে যুৱ মহোৎসৱ পালন কৰি আহিছে। এই বিশেষ ধাৰণাই আমাৰ মনত সজিৱ হৈ থকা অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন ডাঙৰীয়াৰ লগত মহাবিদ্যালয় চৌহদত থকা সুন্দৰ সেউজীয়া বাগিছাৰ, সন্ধিয়াৰ কমল বতাহৰ পৰশত জীপাল হৈ পৰিছিল যুৱ মহোৎসৱৰ প্ৰসঙ্গ। সিদিনা আছিল ২০২২ চনৰ ৫ আগষ্ট আৰু কথা প্ৰসঙ্গত অধ্যক্ষ ড° সুভাষ বৰ্মন ডাঙৰীয়াই এই সুখবৰটোৰ এটা আভাষ মোৰ আগত প্ৰকাশ কৰিছিল আৰু মইও যথেষ্ট আনন্দজনক আৰু উৎসাহজনক ভাৱেই সমৰ্থন ব্যক্ত কৰিছিলো। তেতিয়াৰ পৰাই মোৰ মনত এক অৰ্বাচিন আনন্দই গঢ় লৈ উঠিছিল। আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ উদ্যমী মন আৰু নতুনত্বৰ সুবাসে বিচৰাৰ যি অফুৰন্ত আৰু নিৰলস প্ৰচেষ্টা তাৰ ফল স্বৰূপে এই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধিনষ্ঠ মাগুলিক যুৱ মহোৎসৱ অনুষ্ঠিত কৰি যুৱ মহোৎসৱৰ সুন্দৰ সুবাসত আমি মোহাচ্ছন্ন হৈ পৰিছোঁ।

প্ৰত্যেক বছৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ মাগুলিক যুৱ মহোৎসৱ অনুষ্ঠিত হয় মণ্ডলৰ কোনো ইচ্ছা প্ৰকাশ কৰা মহাবিদ্যালয়ত। দৰাচলতে এই মহোৎসৱে মহাবিদ্যালয়ৰ স্নাতক আৰু স্নাতোকোত্তৰ পৰ্যায়ৰ তৰুণ ছাত্ৰ / ছাত্ৰী সকলৰ মাজত নিহিত হৈ থকা বিভিন্ন দক্ষতা যেনে সাহিত্য, কবিতা, বক্তৃতা, গান, নৃত্য, নাটক আদিৰ প্ৰকাশ আৰু প্ৰতিষ্ঠা কৰাৰ বাবে এখন সুন্দৰ মঞ্চ লাভ কৰিব পাৰে। সুস্থ চিন্তা, যৌক্তিক উপস্থাপন আৰু নৃত্যৰ কাৰিকৰী কৌশল আয়ত্বৰ বাবে যি অনুশীলন আৰু

প্ৰয়োগীক কৰ্মশালা সেয়াই আমাৰ মস্তিস্ক সতেজ কৰি ৰাখে যাৰ বাবে দুঃচিন্তা, নঞাৰ্থক ভাৱনাই ছাত্ৰ / ছাত্ৰীক স্পৰ্শ কৰিব নোৱাৰে। "Idle brain is devil's workshop" যি মস্তিস্কত কৰ্ষণ নহয় তাত অসৎ চিন্তাই বাঁহ লয় অৰ্থাৎ কৰ্মহীনতাই আমাক মৃত্যুৰ মুখলৈ লৈ যাব পাৰে; সেয়েহে আমাৰ মন মস্তিস্কক সতেজ, সুঠাম ৰূপত গঢ় দিয়াৰ বাবে লাগে নিত্য নতুন কৰ্মপদ্ধতি আৰু অনুশীলন। ছাত্ৰ / ছাত্ৰীসকলে নৈমিত্তিক অধ্যয়নৰ মাজতো এই ধৰণৰ অনুষ্ঠানৰ জৰিয়তে তেওঁলোকে নিজকে অধিক কৰ্মপটু, দক্ষ, ধৈৰ্য, সাহসী কৰি তুলিব পাৰে। দৰাচলতে যুৱ মহোৎসৱ উদ্‌যাপন কৰাৰ এইটো অন্যতম কাৰণ হলেও, এই মহোৎসৱে দিপ্তীমান কৰি তোলে বিভিন্নধৰণৰ গান আৰু নৃত্যৰে পৰিপুষ্ট হৈ থকা বাৰে বৰণীয়া সংস্কৃতিক সমন্বয়ৰ জাউতি-যুগীয়া অস্তিত্ব । তদুপৰি এই মহোৎসৱত সাহিত্য আৰু আলোচনী শিতানত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাৰ দ্বাৰা ছাত্ৰ / ছাত্ৰীসকলৰ মাজত সুপ্ত অৱস্থাত থকা মেধা শক্তিৰ প্ৰদৰ্শনে জিলিকাব পাৰে লুইতৰ পাৰে।

সাম্প্ৰতিক পৰিস্থিতিত বিশ্বৰ ভিতৰতেই ভাৰতবৰ্ষ দক্ষতাপূৰ্ণ যুৱক / যুৱতীৰ সমাহাৰ (Hub of skilled youth) দেখি বহু উন্নত দেশৰ চকু পৰে আমাৰ দেশৰ যুৱক / যুৱতী অৰ্থাৎ ছাত্ৰ / ছাত্ৰীৰ ওপৰত আৰু প্ৰায় ৭০ শতাংশ ছাত্ৰ / ছাত্ৰীয়ে উচ্চ শিক্ষাৰ অনুষ্ঠানত হয় অধ্যয়ন কৰি আছে আৰু বহুতেই বিভিন্ন কৰ্ম সংস্থাপনেৰে দেশৰ অগ্ৰগতিত বৰঙণি আগবঢ়াই আহিছে। উদ্যমী যুৱক / যুৱতীৰে পূৰ্ণ ভাৰতবৰ্ষৰ উন্নতিৰ ধাৰা তেতিয়াহে সৱলভাৱে প্ৰতিষ্ঠিত হ'ব। যেতিয়া এই চাম সুস্থ সৱল উদ্যমী যুৱ সমাজক সকলো দিশৰ দ্বাৰাই দক্ষ কৰি তুলিব পৰা যাব আৰু ভাৰতবৰ্ষই বিশ্বগুৰুৰ আসনত প্ৰৱিষ্ট হোৱাৰ পথ সুগম হৈ পৰিব। আজিৰ পৰা প্ৰায় ২২৫ বছৰ পূৰ্বতে যুৱ সন্যাসী বিবেকানন্দই ভাৰতবৰ্ষৰ সনাতন সংস্কৃতি আৰু সনাতন হিন্দু ধৰ্মীয় বিশ্বাসক বিশ্বৰ দৰবাৰত পোন প্ৰথমবাৰৰ বাবে প্ৰদীপ্ত কৰি বিলাই দিছিল সনাতন হিন্দু সংস্কৃতিৰ মাহাত্ম্য আৰু গুৰুত্ব। সেই জনা মহান মনিষী স্বামী বিবেকানন্দই যুৱ সমাজক লক্ষ্য কৰি কৈছিল " উত্তিষ্ঠিত জাগ্ৰত প্ৰাপ্য বৰেণ্যে বাধিতে"। টোপনিৰ সাৰ পাই জাগিব লাগিব , সকলো এলাহ আৰু নৈৰাজ্য কাটি কৰি থৈ লক্ষ্য স্থিৰ কৰি সেই লক্ষ্যত উপৰিষ্ট হবলৈ অহোপুৰুষাৰ্থ কৰিব লাগিব, লক্ষ্যত উপনিত নহোৱালৈকে বিশ্ৰাম নহব। এনেধৰণৰ আহ্বানে সচাকৈয়ে আমাৰ মাজত, অন্তৰত নিহিত হৈ থকা ঐশ্বৰিক শক্তি জগাই তোলে আৰু সমাজৰ সৰ্বোত প্ৰকাৰৰ উন্নতিৰ কামনা বান্ধি লৈ কৰ্মত আসক্ত হৈ পৰে। প্ৰত্যেকজন ব্যক্তিৰ আত্মাই অফুৰন্ত শক্তিৰ ভাণ্ডাৰ আৰু সেই শক্তিৰ ভাণ্ডাৰক সঠিক দিশেৰে মাৰ্গ দৰ্শন কৰাব পাৰিলে নিৰ্দ্ধাৰিত লক্ষ্যত উপনিত হব পাৰে। সেই মাৰ্গ দৰ্শনকাৰী নিৰ্দেশনা আৰু অফুৰন্ত শক্তি ভাণ্ডাৰক জগাই তোলাৰ যি ৰণনীতি, কৌশল সেয়াই হৈছে শিক্ষা। প্ৰকৃত মানুহৰ অৱস্থানত উৎক্ষিপ্তই হৈছে শিক্ষা "Education is the manifestation of the perfection already in man"

এখন উন্নয়নশীল ভাৰতৰ সপোন দেখা স্বামীজীৰ সময়ৰ ভাৰতবৰ্ষ আছিল, আৰ্থিক দৈন্যতাৰে, জাত পাতেৰে আৰু বিভাজিত ধাৰণাৰে পৰিচালিত সমাজ আৰু এইটোৱে আছিল ভাৰতৰ অনগ্ৰসৰতাৰ মূল কাৰণ। সেই অন্ধকাৰাছন্ন ভাৰতবৰ্ষত জন্ম লাভ কৰা স্বামী বিবেকানন্দই বুজি পাইছিল যে যদি এই উদ্যমী যুৱ চামক দেশ গঢ়াৰ কাৰিকৰ হিচাপে গঢ়ি-পিতি লব পৰা যায় তেতিয়াহ'লে ভাৰতবৰ্ষৰ উন্নতিত কোনেও বাধা হৈ থিয় দিব নোৱাৰে। সেই উদ্দেশ্য আগত লৈয়ে বিবেকানন্দই যুৱ সমাজৰ চৰিত্ৰ, জ্ঞান আৰু ঐক্যবদ্ধ ধাৰণাৰ ওপৰত নজৰ দি এক উদ্যমী যুৱ সমাজ গঢ়ি তুলিছিল আৰু উদাত্ত সুৰেৰে কৈছিল যুৱকসকল আমাৰ দেশৰ মেৰুদণ্ড আৰু দুৰ্বল মূল চালিকা শক্তি, যাতে কোনো কাৰণতে সেই মেৰুদণ্ড দুৰ্বল নহয় বৰং অধিক শক্তিশালী হৈ ৰাষ্ট্ৰ যন্ত্ৰৰ চালিকা শক্তিলৈ ৰূপান্তৰিত কৰা হয়। স্বামীজীৰ সুৰতে সুৰ মিলাই মহাঋষি শ্ৰী অৰবিন্দই কৈছিল



যে ভাৰতবৰ্ষই মেৰুদণ্ড পোন কৰি জীয়াই থকাৰ উপৰিও নিজৰ অন্তৰ আত্মাক জগাই তুলি জীয়াই থাকি আনকো জয় কৰিব লাগিব। 'জয়'ৰ অৰ্থ-আত্মসুখ নহয় 'জয়ৰ' অৰ্থ সনাতন সংস্কৃতিৰ জয়।

যুৱ সমাজৰ অথবা ছাত্ৰ/ছাত্ৰী সকলৰ এই দুৰন্ত উদ্যমী গতিক সংস্কাৰিত কৰি উন্নতিৰ জখলাত আৰোহণ কৰিবলৈ শাৰীৰিক মানসিক শক্তিৰ উপৰিও আধ্যাত্মিক শক্তিৰ নিৰন্তৰ প্ৰয়াস অনিবাৰ্য। সেয়েহে এই শক্তি ধাৰাক এটা মাৰ্গ দৰ্শন কৰাৰ বাবে ভাৰত চৰকাৰে ১৯৮৪ চনৰ ১২ জানুৱাৰী তাৰিখটো তাৰিখটো ৰাষ্ট্ৰীয় যুৱ দিৱস হিচাপে পালন কৰি বিবেকানন্দৰ আদৰ্শেৰে অনুপ্ৰাণিত হবলৈ আহ্বান জনাই আহিছে। সেই দিৱসৰ তাৎপৰ্যৰ আধাৰতে বিশ্ববিদ্যালয় সমূহেও 'যু ৱ মহোৎসৱ' নাম দি যুৱ সমাজ তথা স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰ/ছাত্ৰী মাজৰ যি তৰুণ, সতেজ উদ্যমী স্পৃহা আৰু নতুনত্বৰ চমক বিচৰাৰ প্ৰৱল তাড়না নিহিত হৈ আছে তাক প্ৰকাশ আৰু প্ৰতিষ্ঠাৰ যি সুন্দৰ পদক্ষেপ সেয়া সৰ্বজন ভাৱেই স্বীকৃত হয় যুৱ মহোৎসৱত আজিৰ ছাত্ৰ আজিৰ নাগৰিক হৈ সমাজ তথা দেশৰ সুনাম, দেশ সৰ্বোত প্ৰকাৰৰ উন্নতিৰ বাবে মনোনিৱেশ কৰাৰ এক সুন্দৰ মঞ্চ এই যুৱ মহোৎসৱ। এই মহোৎসৱ মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়ত আৰু অন্তত আন্তঃ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সামৰণি পৰে। সেয়েহে আমাৰ প্ৰয়াস যাতে এই মঞ্চৰ জৰিয়তে ছাত্ৰ/ছাত্ৰী সকলে নিজৰ নিজৰ সুপ্ত প্ৰতিভাক জগাই তুলিব পাৰে আৰু সেই প্ৰতিভাক ক্ৰমে ৰাজ্যিক তাৰ পিছত ৰাষ্ট্ৰীয় আৰু শেষত আন্তঃ ৰাষ্ট্ৰীয় পৰ্য্যায়ত উপস্থাপন কৰি আঞ্চলিকভাৱে দেশলৈ গৌৰৱ কঢ়িয়াই আনিব পাৰে।

অস্তিত্বপূৰ্ণভাৱে জীয়াই থাকি আত্মপ্ৰীতি লাভ কৰাৰ আনন্দ সেয়া নিশ্চয়কৈ নিহিত থাকে আমাৰ মাজত থকা ঈশ্বৰ প্ৰদত্ত শক্তিৰ সঠিক ৰূপায়ণৰ ওপৰত। যুৱ সমাজৰ এই অন্তৰ্নিহিত শক্তিক জগাই তুলি আত্মপ্ৰীতি আৰু জীয়াই থকাৰ আনন্দৰ ধাৰণা প্ৰাসঙ্গিকতা বহুত আছে। মহোৎসৱৰ যিকোনো কাৰ্যসূচীত অংশগ্ৰহণ কৰি তাৰ আনন্দ লোৱা আৰু বঁটা লাভ কৰাৰ, যি মানসিক তৃপ্তি তাৰ বাস্তৱিকতা যথেষ্ট গুৰুত্বপূৰ্ণ। 'Honoring the self' নামৰ মনোবৈজ্ঞানিক দাৰ্শনিক নাথানিয়েল ব্ৰেনডেনে উল্লেখ কৰিছে যে সংঘাটময় ঘটনাক্ৰমত কেৱল মাত্ৰ অস্তিত্বৰ কাৰণে আনন্দ লাভ কৰাটোৱে হ'ল মানুহৰ সুস্থ আত্ম মৰ্যাদা বোধৰ মূল অৰ্থ' যাৰ অৰ্থ এনেকুৱা যে তেওঁ নিজৰ ৈতে বা আন কাৰোৰে সৈতে বৈৰী ভাৱ পোষণ নকৰে, কৰে কেৱল স্বীকৃতি প্ৰাপ্তিৰ অনাবিল আনন্দ। ছাত্ৰ/ছাত্ৰী সকলে এই যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰি নিজৰ নিজৰ ব্যক্তি সত্বাত নিহিত হৈ থকা পাৰদৰ্শিতা, বুদ্ধিমত্তা প্ৰদৰ্শন কৰে লগতে বিভিন্ন মহাবিদ্যালয়ৰ পৰা আহি অংশ গ্ৰহণ কৰা ছাত্ৰ/ছাত্ৰী সকলৰ লগত ভাৱ বা ধাৰণাৰ আদান প্ৰদানে সামগ্ৰীকভাৱে সকলোকে যোগাত্মক মানসিকতাৰে আস্বাদিত কৰি ৰাখে। যাৰ বাবে ছাত্ৰ/ছাত্ৰী সকলে নিজৰ মন আৰু আত্মাৰ মাজতে অনশীলনত ব্ৰতী হৈ পৰে ফলত তেওঁলোকৰ অন্তৰাত্মাৰ মাজত এক প্ৰতিযোগিতা আৰম্ভ হৈ পৰে। বঁটা পোৱা জনে আনন্দ পায় আৰু বঁটা নপোৱা জনেও আনন্দ পায় কাৰণ তেওঁ নিজৰ বোধ শক্তিক, নিজৰ দক্ষতাক বুজিব পাৰিছে আৰু উৎকৰ্ষ সাধনাৰ বাবে প্ৰয়াস কৰিব পাৰে। "Winner can Lead but loser can guide for better upliftmen" সেয়েহে দুয়োজনাৰ সমানে গুৰুত্ব আছে। এনে ধৰণে আত্ম প্ৰকাশ কৰা প্ৰত্যেক জন ছাত্ৰ/ছাত্ৰীকে লৈ গৈছে অস্তিত্বপূৰ্ণভাৱে জীয়াই থাকি আনৰ হৃদয় জিনি সুন্দৰ ধৰাক অতি সুন্দৰ কৰি গঢ়ি তোলাৰ দিশে। সমগ্ৰ পৃথিৱীখনেই আমাৰ জ্ঞাতি (বসুন্ধৰা কুটুম্বকম / আমাৰ প্ৰিয়/ ছাত্ৰ/ছাত্ৰী সকলৰ এনেধৰণৰ উদ্যমী অংশ গ্ৰহণে সমগ্ৰ গোৱালপৰীয়া ৰাইজক লগতে মহাবিদ্যালয় খনৰ প্ৰতিজন শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰ/ছাত্ৰী আৰু অধ্যক্ষ সমন্বিতে কৰ্মচাৰী বৃন্দক আপ্লুত কৰি তুলিছে। আমি প্ৰতিজন ছাত্ৰ/ছাত্ৰীৰে উত্তোৰোত্তৰ কামনা কৰিছো আৰু আশা ৰাখিছো যে তেওঁলোকৰ মাজত দৃঢ় সংকল্পবোধৰ উদয় হওঁক আৰু সমাজ তথা ভাৰতবৰ্ষক বিশ্বৰ মঞ্চত প্ৰদীপ্ত কৰি তোলক। ■

# গোৱালপাৰাৰ অপেচাদাৰী নাট্য সংগঠন আৰু নাট্য চৰ্চাৰ এছোৱা

**দিলীপ কুমাৰ শৰ্মা**

বিংশ শতিকাৰ আৰম্ভণিতে গোৱালপাৰা জিলাতো নাট্য চৰ্চাৰ যোগেৰে সাংস্কৃতিক চিন্তাৰ উন্মেষ হৈছিল। যাত্ৰাভিনয়ৰ জৰিয়তে মুকলি হৈছিল পথ। বংগীয় বা কলিকতীয়া নাট্য দলৰ প্ৰভাৱ আছিল প্ৰধান। সেই সময়ত শিক্ষাৰ মাধ্যমৰ লগত অসমীয়া ভাষাৰ সম্বন্ধ নাছিল। ইংৰাজী আৰু বঙলা মাধ্যমত সেই শিক্ষা প্ৰবৰ্ত্তিত হৈছিল। লাহে লাহে অসমীয়া ভাষা প্ৰবৰ্তনে আৰু ভাষা ভিত্তিক জাতীয় চেতনাৰো উদ্ৰেক হোৱাত স্বাধীনতাপ্ৰাপ্তি বছৰৰ অগা-পিছাকৈ অভিনয়ৰ ক্ষেত্ৰ অধিকাৰ কৰিছিল অসমীয়া বা অসমীয়ালৈ অনূদিত নাটকে। জাতীয় পুৰুষ প্ৰসন্ন কুমাৰ ঘোষৰ সংগ্ৰাম, ত্যাগ আৰু নেতৃত্বতে গোৱালপাৰাৰ শিক্ষালয়ত প্ৰবৰ্ত্তিত হৈছিল অসমীয়া ভাষা।

এক তথ্যমতে কুৰি শতিকাৰ আৰম্ভণিতেই বৃটিছৰ শাসনকালত ১৯০৫ চনতেই গোৱালপাৰা চহৰত যাত্ৰাভিনয় আৰম্ভ হৈছিল। সেই সময়ত অসমত বঙলা ভাষা প্ৰচলিত হৈছিল। ১৯১২ চনত গোৱালপাৰা চহৰত অনুষ্ঠিত হয় অসম সাহিত্য সভাৰ দশম অধিৱেশন। অধিৱেশনৰ স্মৃতি ৰক্ষাৰ্থে স্থাপিত হয় এটি অনুষ্ঠান। আৰম্ভ হয় স্থায়ী মঞ্চ নিৰ্মাণৰ কাম। সেই স্থায়ী মঞ্চই হ'ল 'অসম ক্লাব' যিটো অনুষ্ঠানে শতবৰ্ষ অতিক্ৰম কৰিছে। 'অসম ক্লাব' হ'ল গোৱালপাৰাৰ নাট্য ক্ষেত্ৰৰ স্নায়ু কেন্দ্ৰ। অসম ক্লাবে পৰিৱেশ সৃষ্টি কৰিছিল নাটক মঞ্চায়নৰ। নাট্যাভিনয়ৰ মাজেৰে অসমীয়া ভাষা ব্যাপক প্ৰচাৰৰ উদ্দেশ্যে যেন 'অসম ক্লাব' প্ৰতিষ্ঠা হয়। প্ৰসন্ন কুমাৰ ঘোষ, কমলেশ্বৰ নাথ, শোভাৰাম চৌধুৰী, গোকুল কৃষ্ণ দাস, বীৰেন্দ্ৰ লাল দাস, গোপাল চন্দ্ৰ নাথ, বিপিন চন্দ্ৰ ঘোষ, হেমচন্দ্ৰ বৰুৱা প্ৰমুখ্যে ব্যক্তিসকলে অভিনয়ত অংশগ্ৰহণ কৰে। সেই সময়ত 'মেঘনাথ বধ', 'সীতা বনবাস', 'ৰাজা হৰিশ্চন্দ্ৰ', 'পাৰ্থ বিজয়' নাট মঞ্চস্থ হৈছিল।

আন এক তথ্যমতে ১৯২১ চন মানৰ পৰা গোৱালপাৰাত নাট্য প্ৰবাহ আৰম্ভ হয় বঙালী নাটকেৰে আৰু এচাম গোৱালপৰীয়ায়ো অসমীয়া নাটকৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰে।



'ভবেন ওস্তাদ' নামৰ ব্যক্তিজনে এই নাট্য আন্দোলনৰ নেতৃত্ব লৈছিল। গোৱালপাৰা চহৰৰ কলিতাপাৰাৰ ভবনে দাসে কলিকতীয়া যাত্ৰা দলৰ আৰ্হিত আৰম্ভ কৰিছিল গোৱালপাৰা নাট্য দল। আনহাতে শতিকাৰ প্ৰথম দশকতে গোৱালপাৰাত নাট্য চৰ্চা আৰম্ভ হৈছিল বুলি অনুমান কৰা হৈছে।

প্ৰাপ্ত তথ্যমতে গোৱালপাৰা চহৰৰ প্ৰথম অভিনীত নাটকখন হ'ল ১৯২০ চন মানত 'ৰাজা হৰিশ্চন্দ্ৰ'। সংগীত পৰিচালক আছিল- ভবেন ওস্তাদ। দ্বিতীয়খন নাটক আছিল ১৯২২-২৩ চন মানত অভিনীত 'শ্ৰীবৎস চিন্তা'। দুয়োখন নাটকৰে পৰিচালক আছিল ওস্তাদ ভবেন দাস। ১৯২৫-২৬ চনত অভিনীত হৈছিল 'ধৰ্মৰ পৰিণাম'।

১৯২৯ চন মানত অভিনীত হৈছিল 'ক্ষত্ৰিয় গৌৰৱ।' ভবেন ওস্তাদেই আছিল দুয়োখন নাটকৰ মূল মানুহ। ১৯৩০ চনত অভিনীত হৈছিল 'বজ্ৰনাভ'। তাৰ পিছত 'নল দময়ন্তী'। ১৯৩২-৩৩ চন মানত 'শ্মশান'। আগৰ কেইখন নাটকত প্ৰায় একেখিনি অভিনেতাই অভিনয় কৰিছিল যদিও ক্ৰমে দুই চাৰিজনকৈ নবাগতৰ প্ৰবেশ ঘটে। 'শ্মশান' নাটৰ আগেয়ে মঞ্চস্থ হৈছিল 'ধৰ্মৰ পৰিণাম'। সেই সময়ছোৱাত নাট্যকৰ্মীৰ মাজত মতানক্য ঘটে আৰু 'বৰদল' আৰু 'সৰুদল' নামৰ দুটা দলত বিভাজিত হয়।

১৯৩০ চনত গোৱালপাৰাত থিয়েটাৰৰ পাতনি মেলে। অসমৰ বাহিৰৰ পৰা আহে বিখ্যাত থিয়েটাৰ 'পাৰ্চীয়ান থিয়েটাৰ দল'। দলটিয়ে 'লায়লা মজনু' আৰু 'জংগল কী ৰাণী' নামৰ দুখন নাটক মঞ্চস্থ কৰে। দুয়োখন নাটৰ ভাষা আছিল হিন্দী।

১৯৪০ চনত থলুৱা ভাৱে পৰিৱেশিত থিয়েটাৰৰ প্ৰথমখন নাটক 'ভাস্কৰ পণ্ডিত'। আগভাগ লৈছিল গোপাল নাথে। সহযোগ কৰে ভাতৃ দুগ্ধনাথ নাথে।

১৯৪২ চনত মঞ্চস্থ হয় 'বাল্মীকি'। সেই বছৰতে আনখন নাট 'ৰাম' মঞ্চস্থ হয়। বাল্মীকিৰ ভাওত গোপাল নাথ আৰু শম্ভুক মুণিৰ ভাওত দুগ্ধনাথ নাথে অভিনয় কৰে।

১৯৪৩ চনত মঞ্চস্থ হয় 'চিৰাজদৌল্লা'। পৰৱৰ্তী বছৰত ক্ৰমে 'সোহৰাব ৰুস্তম', 'মাটিৰ ঘৰ', 'দেবলা দেবী', 'ছাহজাহান', 'সৰমা' আদি। সৰমা নাটখনত পিতৃ গোপাল নাথৰ সৈতে তেওঁৰ দুই পুত্ৰ ক্ৰমে অবিনাশ নাথ আৰু গণেশ নাথেও অভিনয় কৰে। পিচলৈ বিখ্যাত হৈ পৰা অবিনাশ নাথৰ এইখন আছিল প্ৰথম আৰম্ভণীৰ নাট।

১৯৪৫ চনত 'টিপু চুলতান' নাটখনিৰে অসমীয়া নাটক গোৱালপাৰাত মঞ্চস্থ হয়। নাটখনি অসমীয়ালৈ অনুবাদ কৰিছিল অবিনাশ নাথে। স্বাধীনতাপ্ৰাপ্তিৰ সম্ভাৱনাই মাতৃভাষাৰ প্ৰতি চেতনা জাগৰিত কৰিছিল।

১৯৪৭ চনত পৰিৱেশিত হয় 'বদন বৰফুকন'। নাম ভূমিকাত আছিল দুগ্ধনাথ নাথ আৰু আতন বুঢ়াগোহাইৰ ভাৱত আছিল গোপাল নাথ। পৰৱৰ্তী সময়ত 'নৰকাসুৰ' নাটখন মঞ্চস্থ হয়। তাৰ পিছত 'চন্দ্ৰগুপ্ত'। চন্দ্ৰগুপ্তৰ অভিনয় কৰিছিল অবিনাশ নাথে আৰু পিতৃ গোপাল নাথে কৰিছিল 'চেলেউকচ'ৰ চৰিত্ৰ। খুৰাক দুগ্ধনাথ নাথ আছিল 'চানক্য'। এইখন নাটকতে এটি চৰিত্ৰত অৱতীৰ্ণ হয় মুক্তি যোদ্ধা মণিকান্ত দাসে (মণি চেয়াৰমেন)। এইখন নাটকৰ যোগেদি মঞ্চত পদাৰ্পন কৰিছিল বিভূতি ভূষণ দাস। তেওঁ স্ত্ৰী চৰিত্ৰ ৰূপায়িত কৰিছিল।

চল্লিছৰ দশকত অভিনীত হোৱা কেইখনমান নাটক হ'ল- 'ললিতাদিত্য', 'মিছৰ কুমাৰী'। এই সময়ত আত্মপ্ৰকাশ ঘটে ডাঃ অন্নদাচৰণ দাসৰ। এইখন নাটকত আকৌ ককায়েক অন্নদাচৰণ দাসৰ স্ত্ৰীৰ ভাৱত অভিনয় কৰিছিল ভায়েক ৰমেশ দাসে। ১৯৪৮ চনত 'বৰদল' আৰু 'সৰুদলে' পৰিৱেশন কৰা যাত্ৰাভিনয়ৰ এই যাত্ৰাত

নাটকবোৰ আছিল অসমীয়া নাটক। ১৯৪৮ চনত দুয়োটা দল পুনৰ মিলিত হয়। একেলগে মঞ্চস্থ কৰে 'ছত্ৰপতি শিবাজী'। নাটৰ ৰচনা নাট্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা। উল্লেখযোগ্য যে ১৯৫৪ চন মানলৈ বঙলা নাটক মঞ্চস্থ হৈছিল। 'ছত্ৰপতি শিবাজী'ৰ নাম ভূমিকাত আছিল অতুল মেধী।

সংগীতৰ ক্ষেত্ৰ সম্পূৰ্ণভাৱে অধিকাৰ কৰিছিল ভবেন ওস্তাদৰ একান্ত শিষ্য ধীৰেন্দ্ৰ নাৰায়ণ দাসে। ভবেন ওস্তাদৰ পাছত নাটকত বিবেকৰ ভাৱত আৰু সংগীত পৰিচালনা কৰিছিল ধীৰেন্দ্ৰ নাৰায়ণ দাসে। পঞ্চাশৰ দশকত অভিনীত হৈছিল সফলতাৰে 'বন্দীৰ সন্তান'। দ্বিতীয়খন 'লালবাগ'। 'লালবাগ'ত নাম ভূমিকাত ভবেন নাথ। নাটখনৰ অসমীয়া অনুবাদ কৰিছিল বঙলাৰ পৰা ধ্বজেন্দ্ৰ নাৰায়ণ দাসে। তৃতীয়খন 'ত্ৰিশক্তি'। পঞ্চাশৰ দশকৰ আৰম্ভণীতে কলিতাপাৰাৰ সমান্তৰালকৈ প্ৰসিদ্ধ লাভ কৰিছিল চন্দৰীয়াত আৰম্ভ কৰা যাত্ৰা দলে। এওঁলোকে 'মহিষাৰণ বধ', 'পৰশুৰামৰ মাতৃ হত্যা', 'মানুহ' এই তিনিখন নাটক সফলতাৰে মঞ্চস্থ কৰে। পৰশুৰামৰ নাম ভূমিকাত সুশীল ৰায়, 'কাত্যায়ণ'ৰ ভূমিকাত সুধীৰ দাস, নাৰী চৰিত্ৰত টিকেন দাসে।

উল্লেখযোগ্য যে ১৯৫১ চনৰ আগলৈকে গোৱালপাৰাত সহঅভিনয় আৰম্ভ হোৱা নাছিল। 'চিৰাজদৌল্লা'ৰ যোগেদি ১৯৫১ চনত সহ অভিনয় পৰ্বৰ সূচনা হয়। গুৱাহাটীৰ পৰা গিৰিজা দাস আৰু মঞ্জুৱে আহি এই অভিনৰ পাতনি মেলিছিল। 'চিৰাজদৌল্লা'ৰ নাম ভূমিকাত আছিল অবিনাশ নাথ। ডাঃ অন্নদাচৰণ দাস আছিল 'মিৰজাফৰ'। চাহাবৰ ভূমিকাত যতীন দাস 'ওৱাটস' চাহাব।

১৯৫২-৫৩ চন মানত গোৱালপাৰাত এটা 'বঙালী নাট্য ক্লাৱ' আৰম্ভ হয়। এই ক্লাৱে মঞ্চস্থ কৰে 'সৰমা', 'মাটিৰ ঘৰ' আৰু 'দুই পুৰুষ'। ১৯৫৪ চনত অভিনীত হৈছিল 'মিৰকাছিম'। আৰক্ষী বিভাগৰ বিষয়া উমেশ দত্তই ৰচনা কৰা 'ক'লা সোণ' আৰু 'হৰদত্ত আৰু বীৰদত্ত' মঞ্চস্থ হৈছিল। ১৯৫৩-৫৪ চন মানত 'অসম ক্লাৱ'ত আমন্ত্ৰিত এটি দলে 'পিয়লী ফুকন' মঞ্চস্থ কৰে। সেই বছৰতে ৰঙালী বিহুত সেইখন নাট মঞ্চস্থ হৈছিল।

স্বাধীনতাপ্ৰাপ্তিৰ পাছৰ পৰাই চহৰত 'গোৱালপাৰা শিল্পী সমাজ' নামৰ দলটিয়ে অসম ক্লাৱত কেবাখনো নাটক মঞ্চস্থ কৰে। অবিনাশ নাথ আৰু ডাঃ অন্নদাচৰণ দাসে মূল দায়িত্ব লৈছিল।

১৯৫৫ চনত জন্ম লাভ কৰে 'ঋতুৰংগ' নাট্য গোষ্ঠী। অবিনাশ নাথৰ ভাতৃ কিশোৰী মোহন নাথ আছিল চালিকা শক্তি।

দুৰ্গেশ্বৰ বৰঠাকুৰ ৰচিত 'টেক্সি ড্ৰাইভাৰ' আৰু অন্যান্য নাট 'মগৰিবৰ আজান', 'সেই বাটেদি', 'সাঁকো', 'বাইদেউ' আছিল তেওঁলোকৰ অন্যতম নাট। একেটা দশকতে আন এচামে আৰম্ভ কৰে 'ৰূপৰেখা নাট্য সংঘ'। ৰূপৰেখা নাট্য সংঘৰ মূল উদ্যোক্তাজনেই আছিল নৃপেন বৰুৱা। ৰূপৰেখাই মঞ্চস্থ কৰিছিল 'জীৱনৰ সিপাৰে' (নৃপেন বৰুৱাৰ ৰচনা-পৰিচালনাৰে), 'তাজৰ ৰচনা' উল্কা, ৰাজমুকুট (হিন্দী ভাষাত) ইত্যাদি।

১৯৫৪ চনত অসম ক্লাৱত মঞ্চস্থ হয় হিন্দী নাটক 'ৰাজমুকুট'। নাটকখন মঞ্চস্থ কৰোতে উদ্যোগ লৈছিল হিন্দী শিক্ষক তাৰিণীকান্ত দেৱ শৰ্মা; গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ নাট পৰিৱেশক (পিছলৈ) তৰুণ আজাদ ডেকা আৰু কালিচৰণ ভঁৰালীয়ে। যাঠিৰ দশকতে কলিতাপাৰাত 'কুঁহিপাত নাট্য দল' নামৰ আন এটি নাট্য দল গঠন হৈছিল। সেই সময়তে কালীবাড়ী প্ৰাংগনত পৰিৱেশিত নাটক এখনত ৰবীন দাস, গোপাল দাস, শিবিৰ দাসে অভিনয় কৰিছল। নাটখনৰ নাম 'ৰামায়ণ' বুলি জনা যায়।

১৯৫৮ চনৰ ১৫ জুন। গোৱালপাৰা নাট্য ক্ষেত্ৰৰ এটি উল্লেখনীয় দিন হিচাপে চিহ্নিত হ'ব। অসম ক্লাৱৰ মঞ্চত গোৱালপাৰাৰ এজন থলুৱাই এখনি নাটক লিখি থলুৱা নাৰী শিল্পীক অৱতীৰ্ণ কৰাইছিল। নাট্যকাৰ গৰাকী আছিল তৰুণ বসুমতাৰী। নাটকখন আছিল তিনি অংকৰ 'উভতি চাওঁ'। বাটকটীয়া থলুৱা নাৰী শিল্পীসকল আছিল প্ৰতিমা বৰ্মন, মিনতি নন্দী, সুব্ৰতা ৰায়। নাটকৰ মূল চৰিত্ৰত ৰূপদান কৰিছিল নৃপেন বৰুৱাই।

১৯৬২ চন মানত গোৱালপাৰাত যি কেইটা নাট্যদলে স্বকীয়তা বজাই ৰাখি নাটক কৰিছিল আটাইবোৰে 'গোৱালপাৰা মিলিত নাট্য সমাজ' নামাকৰণেৰে গঠিত অনুষ্ঠানটোত মিলিত হৈছিল আৰু একেলগে একেখন ক্ষেত্ৰত কাম কৰাৰ বাবে সংকল্প লৈছিল। পঞ্চাশযষাঠিৰ দশকত 'মণিৰাম দেৱান' নাটকখনেৰে ডাঃ অন্নদাচৰণ দাসে এক আলোড়নৰ সৃষ্টি কৰিছিল। সেইখন নাট ১৯৫৬ চনত অসম সাহিত্য সভাৰ ধুবুৰী অধিৱেশনত, ১৯৫৮ চনত জালুকবাৰীত অনুষ্ঠিত কংগ্ৰেছ মহাসভাৰ অধিৱেশনত, ১৯৬১ চনত গোৱালপাৰা চহৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত মঞ্চস্থ হৈছিল পুনৰবাৰ। ১৯৬২ চন মানত গোৱালপাৰা 'মিলিত শিল্পী সমাজ'ত একেলগে মিলি তিনি নাট্য ব্যক্তিত্ব ড° অন্নদাচৰণ দাস, অবিনাশ নাথ আৰু নৃপেন বৰুৱাই নবীন প্ৰবীনক লৈ ছয়খনি কালজয়ী নাটক মঞ্চস্থ কৰে। নাট কেইখন আছিল- প্ৰথমখন 'চাণক্য'। দ্বিতীয়খন- জাহান্দাৰ শ্বাহ। তৃতীয়খন- চাহজাহান। চতুৰ্থখন- টিপু চুলতান। পঞ্চমখন- চিকান্দাৰ শ্বাহ। ষষ্ঠখন- ফিংগাৰপ্ৰিণ্ট।

১৯৬২ চনত মঞ্চস্থ হয় নটসূৰ্য ফণী শৰ্মাৰ কালজয়ী নাটক 'কিয়'। ফণী শৰ্মা, বিষ্ণু ৰাভা, সৰ্বেশ্বৰ চক্ৰৱৰ্তী, মীৰা বিশ্বাসৰ সৈতে গোৱালপাৰাৰ অবিনাশ নাথে অভিনয় কৰে। ইয়াৰ পিচত মঞ্চস্থ হয় ফণী শৰ্মাৰ 'এমুঠি চাউল'।

১৯৪১ চনৰ পৰা ১৯৭০ চনলৈ 'অসম ক্লাৱ' নাটক আৰু অভিনেতা গঢ়াৰ যেন কাৰখানাত পৰিণত হয়। মঞ্চত নতুন ক্ৰিয়া কৌশল প্ৰয়োগ আৰম্ভ হয়। সেই সময়ত 'ৰূপ ৰেখা নাট্য সংঘ' আৰু 'ঋতুৰংগ'ই নাটকৰ গতি দান কৰিছিল। নৃপেন বৰুৱা আৰু ৰফিকউৰ ৰচুল আহমেদ (মুকুট) আদি নাট্য সংগঠকৰ পৰিচালনাত 'সেই বাটেদি', 'মগ্ৰীবৰ আজান', 'কাঞ্চন', 'টেক্সী ড্ৰাইভাৰ', 'ফিংগাৰপ্ৰিণ্ট' আদি নাটকে যথেষ্ট সুনাম অৰ্জন কৰে। হেমচন্দ্ৰ বৰুৱা, গোপাল চন্দ্ৰ নাথ, দুগ্ধনাথ নাথ আদি স্মৰণীয় ব্যক্তিৰ অৱদানেৰে সত্তৰৰ দশক পৰ্যন্ত গোৱালপাৰা চহৰত মঞ্চাভিনয়ৰ এটা গৌৰৱময় যুগৰ সূচনা হয়। সেই সময়ত অভিনয় কৰা আৰু দৰ্শকৰ মনত সাঁচ বহুৱাব পৰা নাটক কেইখনৰ ভিতৰত 'মেঘনাথ বধ', 'সীতা বনবাস', 'মেৱাৰ পতন', 'দেবলাদেবী', 'ললিতাদিত্য', 'নৰকাসুৰ', 'নীলাম্বৰ', 'চন্দ্ৰগুপ্ত', 'চাণক্য', 'ছাজাহান', 'মেৱাৰ সন্ধ্যা', 'ৰক্ষ কুমাৰ', 'জাহান্দাৰ ছাহ', 'মণিৰাম দেৱান', 'হাইদৰ আলি'য়ে প্ৰধান। সেইদৰে ১৯৬১ চনত জনম লোৱা 'সুৰমঞ্জৰী'য়ে 'ফিংগাৰপ্ৰিণ্ট', 'উপপথ', 'সাঁকো', 'চক্ৰান্ত', 'সমাজৰ অভিশাপ', 'এখন হৃদয় লাগে' নাটক মঞ্চস্থ কৰি সুনাম অৰ্জন কৰে।

উল্লেখযোগ্য যে ১৯৭০ চন মানৰ পৰাহে গোৱালপাৰাত নাটকৰ নতুন পৰীক্ষা-নিৰীক্ষাৰে নাটক মঞ্চস্থ হয়। এই সময়ৰ পৰা প্ৰতীকধৰ্মী নাচকৰো সূচনা আৰম্ভ হয়। গোৱালপাৰা চহৰত 'সংগম নাট্য গোষ্ঠী', 'মিলিত শিল্পী গোষ্ঠী', 'সাতসৰি', নাট্য সন্মিলনীৰ ৰত্নপীঠ শাখাই নাটকৰ প্ৰবাহ আৰম্ভ কৰে। 'সুৰমঞ্জৰী'য়ে ১৯৭১-৯০ চনৰ ভিতৰত 'নিবাৰণ ভট্টাচাৰ্য', 'সময়' আৰু 'পিয়লি ফুকন' নাটক তিনিখন ৰুকমল হাজৰিকাৰ পৰিচালনাত মঞ্চস্থ কৰে। ১৯৭৮ চনত পূৰ্বে কেবাবাৰো মঞ্চস্থ হৈ যোৱা 'জাহান্দাৰ ছাহ' নাটকখন ন-পুৰণি শিল্পীসকলে সফল মঞ্চায়ণ কৰে। ইয়াৰোপৰি ৰুকমল হাজৰিকাৰ ৰচনা-পৰিচালনাৰে 'চাইৰেণ' নাটকখন 'সুৰমঞ্জৰী'য়ে ৰাজ্যিক নাট্য মহোৎসৱত মঞ্চস্থ কৰে। সেই সময়তে উক্ত দলে মঞ্চস্থ কৰে ৰুকমল হাজৰিকাৰ সম্পাদিত নাট 'ক্ৰিতদাসৰ মৃত্যু' (১৯৪৫)। আনখন সম্পাদিত নাটক 'এটি নতুন পুৱা' (১৯৮৩-৮৪)। 'নাম নাই', 'সাঁকো' আৰু 'পিয়লি ফুকন'। ১৯৭১ চনত জনম লভা সংগম নাট্য গোষ্ঠীয়ে ১৯৭১-৭৫ এই পাঁচ বছৰত বীৰেণ চৌধুৰী সম্পাদিত 'বিস্ফোৰণ' নাটখন মঞ্চস্থ কৰে। সেই সময়ত নাট্যকাৰ উত্তম চন্দ্ৰ শৰ্মাই এই সকল নাট্যকৰ্মীক আগুৱাই নিয়াৰ বাবে কেবাখনো নাটক ৰচনা কৰি পৰিচালনা কৰি অন্য এক দৃষ্টান্ত দাঙি ধৰে।

তাৰ ভিতৰত ১৯৭৪ চনত 'পথ আৰু প্ৰস্তুতি' নাটখন অন্যতম। এইখন নাট 'অসম ক্লাৱ'ত 'আমি সাৰে আছো' নামেৰে মঞ্চস্থ হয়। ১৯৭৪ চনৰ ৰছ আগষ্টত ৰবীন্দ্ৰ ভৱনত সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত সদৌ অসম ভিত্তিত হোৱা নাট উৎসৱত পৰিৱেশন কৰে। তাৰ পূৰ্বে ১৯৭০ চনত বঙালী নাটকৰ নাট্যৰূপ 'মহেশ' অসম ক্লাৱত মঞ্চস্থ হয়। পৰিচালনা- ৰুকমল হাজৰিকা। ১৯৯৬ চনত অসম ক্লাৱ আৰু বিশ্বকৰ্মা পূজাত মঞ্চস্থ হয় 'এখন হৃদয় লাগে'। পৰিচালনা- উত্তম শৰ্মা। ১৯৭২ চনত গোৱালপাৰা অসামৰিক চিকিৎসালয় চৌহদত মঞ্চস্থ হয় 'মানুহ-অমানুহ'। একাংক নাটকৰ ক্ষেত্ৰত ১৯৬৮ চনত অসম নাট্য সন্মিলনৰ অধিৱেশনত অবিভক্ত গোৱালপাৰা জিলাৰ পৰা শ্ৰেষ্ঠ নাট্যকাৰৰ সন্মান লাভ কৰে 'লটিঘটি' নাটখনেৰে- নাট্যকাৰ উত্তম শৰ্মাই। ১৯৭২ চনত 'পাগলা ফাটেক'- গোৱালপাৰা মহাবিদ্যালয়ত। নাটখন নলবাৰীত অনুষ্ঠিত অসম নাট্য সন্মিলনৰ অধিৱেশনত মঞ্চস্থ হয়। ১৯৭৩ চনত 'সংঘাত'। ১৯৭২ চনত 'ফিৰিঙতি'। বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত সদৌ অসম সূৰ্যবৰা একাংক নাট প্ৰতিযোগিতাত নাট্যকাৰ হিচাপে উত্তম চন্দ্ৰ শৰ্মাই ৩য় স্থান লাভ কৰে। ১৯৭১ চনত মঞ্চস্থ হয় গোৱালপাৰা কলেজত 'নকল হীৰা'। ডিগবৈত অনুষ্ঠিত সদৌ অসম নাট উৎসৱত চয় পুৰস্কাৰ লাভ কৰে- পাণ্ডুলিপিত। ১৯৮৪ চনত মঞ্চস্থ হয় 'বিভিন্ন কোৰাচ'। ইয়াৰ পিচত গোৱালপাৰা কলেজত মঞ্চস্থ হয় 'নতুন ৰামায়ণ'। ১৯৭২ চনত 'সোণামুৱা' আৰু 'ফিৰিঙতি'।

১৯৭১ চনৰ পৰা ১৯৭৫ চনলৈ যি কেইখন নাটকে গোৱালপাৰাত বিশেষ স্থান পাইছিল তাৰ ভিতৰত ৰুকমল হাজৰিকাৰ কেবাখনো নাটকৰ নাম লবই লাগিব। ৰুকমল হাজৰিকা ৰচিত আৰু পৰিচালিত নাট- 'মই ৰহমতে কৈছো', নাটখনে উত্তম শৰ্মাৰ 'পথ আৰু প্ৰস্তুতি'ৰ দৰে সংগম নাট্য গোষ্ঠীয়ে অসম ৰাজ্যিক নাট মহোৎসৱত খ্যাতি লাভ কৰে। মিলিত শিল্পী গোষ্ঠীৰ প্ৰযোজনাত ১৯৭৬ চনৰ পৰা ১৯৭৮ চনলৈ ৰুকমল হাজৰিকাৰ 'চহৰৰ এপিটাফ', 'চাইৰেণ' অনুদিত নাট 'অমৃতস্য পুত্ৰাঃ', 'ক্ৰীতদাসৰ মৃত্যু', 'নাম নাই', এটা নতুন পুৰালৈ', 'শতাব্দীৰ পদাৱলী' অন্যতম। ১৯৮৪ চনত গোষ্ঠীটোৱে হাজৰিকাৰ 'এজন ৰজা আছিল' নামৰ নাটখন মঞ্চস্থ কৰাৰ প্ৰাক্‌ক্ষণত প্ৰশাসনে বন্ধ কৰি দিয়ে।

১৯৭৯ চনৰ ১০ ছেপ্তেম্বৰত ৪০গৰাকী অভিনেতা-অভিনেত্ৰীৰে অসম ক্লাৱত মঞ্চস্থ হয় পদ্মনাথ গোহাঞি বৰুৱাৰ 'গাঁওবুঢ়া' নাটকখন। প্ৰশাসনিক বিষয়া বিমল কুমাৰ হাজৰিকা, এছ ডি চি সদৰৰ ৰঞ্জন চেটাৰ্জী, শৈলেন দাস, নৃপেন বৰুৱা, আবেদুৰ ৰহমান শইকীয়া, ডাঃ অন্নদাচৰণ দাস, ক্ষীৰোদ কলিতা, মুকুন্দ অধিকাৰী, নৰেশ দাস কলিতা, মনোমোহন চৌধুৰী, মন্দিৰা নাথ আদিয়ে সাঁচ বহি যোৱাকৈ নাটখনত অভিনয় কৰে। ১৯৬৮ চনত গোৱালপাৰাত অনুষ্ঠিত অসম নাট্য সন্মিলনৰ সময়ত যুৱচামৰ তাগিদাত সেই সময়ৰ গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যাপক উত্তম শৰ্মাই তেওঁৰ 'লটিঘটি' নাটকখন অসম ক্লাৱত মঞ্চস্থ কৰায়। নৃপেন বৰুৱা, দিলীপ দাস, ডাঃ অন্নদাচৰণ দাস প্ৰমুখ্যে অভিনেতাসকলে নাটকখন সফল কৰি তোলে।

১৯৮৭ চনত 'সাতসৰি' নামৰ নাট্যদল এটা উদয় শংকৰ দে, জয়ন্ত মেধি, প্ৰণৱ বড়াহঁতৰ দৰে যুৱ নাট্যকৰ্মী এদলে গোৱালপাৰাত নতুনকৈ নাটকৰ জোৱাৰ আনে। ইয়াৰ পূৰ্বে অৰ্থাৎ ১৯৮১ চনত ধ্ৰুৱজিৎ কিশোৰ চৌধুৰীৰ দ্বাৰা অনূদিত আৰু পৰিচালিত 'বাঞ্চাৰামৰ বাগন' মঞ্চস্থ হয়। 'সাতসৰি'ৰ বেনাৰত ১৯৮৮ চনত উদয় শংকৰ দে, 'কুমাৰজিৎ' নামেৰে ৰচিত আৰু পৰিচালিত 'দি নিউ টাইমচ' নাটকখন মঞ্চস্থ কৰে। ১৯৯০ চনত কুমাৰ জিৎৰ ৰচনা আৰু পৰিচালনাৰে মঞ্চস্থ হয় 'এই দেশ এই মানুহ'। সেই একেটি বছৰতে কুমাৰ জিৎৰ ৰচনা-পৰিচালনাৰে মঞ্চস্থ হয় 'কল্মুষ'। ১৯৯২ চনত উদয় শংকৰ দেৰ ৰচনা আৰু পৰিচালনাৰে শতাধিক ভিন্ন চৰিত্ৰৰে মঞ্চস্থ হয় বিশাল আয়োজনেৰে 'কুৰ্ণিচ'।



১৯৯৪ চনত পৰিৱেশিত হয়- 'নাভি সমুদ্ৰ'। মূল উৰিয়া ভাষাৰ পৰা অনুবাদ কৰে শৈলেনজিত শৰ্মা আৰু সন্তোষ মিশ্ৰ। পৰিচালনা- জৈব্যেন্দু পাটগিৰি।

১৯৯৯-২০০০ চনত উদয়শংকৰ দেৰ ৮ খন একাংকীয়া নাটক দুদিন ধৰি অসম ক্লাৱত মঞ্চস্থ হয়। ২০০৩ চনৰ জুন মাহত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম শতবৰ্ষ উদ্‌যাপন সমিতিৰ, গোৱালপাৰাৰ উদ্যোগত অসম ক্লাৱত মঞ্চস্থ হয় কলকাতাৰ সাৰণাক গোষ্ঠীৰ শিল্পীবৃন্দৰ দ্বাৰা জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী নাটক 'লভিতা'ৰ বাংলা অনুবাদ।

১৯০২ চনত গোপাল শৰ্মাৰ নেতৃত্বত 'অসম ক্লাৱ'ত মঞ্চস্থ হয় 'তেজে ধোৱা গামোছা'।

২০০৩ চনত ৰত্নপীঠৰ উদ্যোগত আৰু ৰুকমল হাজৰিকাৰ পৰিচালনাত অসম ক্লাৱত মঞ্চস্থ হয় ভবেন বৰুৱাৰ 'কয়েদী'।

২০০৪ চনত 'জয়শ্ৰী প্ৰডাকচন'ৰ উদ্যোগত বিহু ফিল্ডত মঞ্চস্থ কৰা হয় প্ৰদীপ শইকীয়াৰ ৰচনা আৰু পৰিচালনাৰে 'আবেলিৰ বেলিৰ ৰং'। সেই বছৰতে 'ৰংগম নাট্যগোষ্ঠী'টোৱে 'অসম ক্লাৱ'ত মঞ্চস্থ কৰে গোপাল শৰ্মাৰ ৰচনা আৰু পৰিচালনাৰে 'কালৰাত্ৰি'।

২০০৪ চনত 'ৰংগম' গোষ্ঠীয়ে দিলীপ কুমাৰ শৰ্মাৰ ৰচিত আৰু গোপাল শৰ্মা পৰিচালিত নাট 'চোঁ'। পঞ্জাৱৰ পাটিয়ালাত সৰ্বভাৰতীয় নাট সমাৰোহত মঞ্চস্থ কৰে।

নিউ গোৱালপাৰা স্পোৰ্টচ এণ্ড কালচাৰেল অৰ্গানাইজেচনে বিহু ফিল্ডৰ অস্থায়ী মঞ্চত লক্ষীধৰ শৰ্মাৰ কাহিনীৰ আধাৰত ফণী শৰ্মাই নাট্যৰূপ দিয়া 'চিৰাজ' নাটকখন প্ৰদীপ শইকীয়াৰ পৰিচালনাত মঞ্চস্থ কৰে। নাটখন সেই বছৰতে চন্দৰীয়া ৰাসমেলাত মঞ্চস্থ হয়।

১৯৮৮ চনত গোৱালপাৰা মহাবিদ্যালয়লৈ কৰ্মসূত্ৰে অহা শৈলেনজিৎ শৰ্মাই ৰচনা আৰু পৰিচালনা কৰা নাট কেইখন ক্ৰমে- নতুন খেলৰ আখৰা, ক্ৰমে গোৱালপাৰা মহাবিদ্যালয় প্ৰেক্ষাগৃহ আৰু অসম ক্লাৱত মঞ্চস্থ হয়। ১৯৮৯ চনত তেখেতৰ ৰচনা আৰু পৰিচালনাৰে গোৱালপাৰা মহাবিদ্যালয় প্ৰেক্ষাগৃহত 'এই ইতিহাস' মঞ্চস্থ হয়। ১৯৯২ চনত গোৱালপাৰা মহাবিদ্যালয়ত মঞ্চস্থ হয় 'এটি ঘৰত দুটি মাথোন'। ১৯৯৪ চনত গোৱালপাৰা মহাবিদ্যালয় প্ৰেক্ষাগৃহ আৰু অসম ক্লাৱত মঞ্চস্থ হয় 'পেৰাডাইচ'। ১৯৯৬ চনত গোৱালপাৰা চহৰত মঞ্চস্থ হয় 'স্বৰ্গৰ সন্ধানত'। ২০০০ চনত গোৱালপাৰা মহাবিদ্যালয় প্ৰেক্ষাগৃহত মঞ্চস্থ হয় 'ৰবৌ ৰোৱা'। ২০০৫ চনত গোৱালপাৰা মহাবিদ্যালয় প্ৰেক্ষাগৃহ আৰু সৰ্থেবাৰী, নগাওঁত মঞ্চস্থ হয় 'ঘিন টাউ খিট টাউ'।

গোৱালপাৰা মহাবিদ্যালয়ত নাট্য চৰ্চা আজিও অব্যহত আছে। অধ্যাপক উত্তম শৰ্মাই ছাত্ৰ আৰু সতীৰ্থ শিক্ষকসকলৰ তাগিদাত যি নাটক লিখি মঞ্চস্থ কৰিছিল সেই প্ৰেৰণাতে তেখেতে কেবাখনো নাটক লিখি কলেজ সপ্তাহত নাট মঞ্চস্থ কৰিছিল। কলেজ সপ্তাহৰ শেষ নিশা দুখনকৈ একাংক নাটক মঞ্চস্থ কৰাতো নিয়মত পৰিণত হৈছিল। ১৯৮৮ চনৰ পৰা ১৯৯১ চনলৈ অধ্যাপক শৈলেনজিৎ শৰ্মাৰ ৫ খনকৈ পূৰ্ণাংগ নাটক মঞ্চস্থ হয় য'ত আশ্ৰাফুল হকে অভিনয় কৰি ক্ৰমে নাট্য ক্ষেত্ৰলৈ আগ বাঢ়িছিল। ২০১১ চনলৈ মুঠ ১৩ খন একাংক আৰু ১১ খন পূৰ্ণাংগ নাটক শৈলেন শৰ্মাই লিখি পৰিচালনাৰে মঞ্চস্থ কৰিছে। ২০১১ চনৰ নৱেম্বৰ-ডিচেম্বৰত গোৱালপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত হয় নাট্য কৰ্মশালা। ২০২২ চনৰ ১২ ফেব্ৰুৱাৰীত শৈলেনজিৎ শৰ্মাৰ ৰচনা আৰু উদয়শংকৰ দে'ৰ পৰিচালনাত মঞ্চস্থ হয় 'বঙহৰ যুঁজ' পূৰ্ণাংগ নাটক।

গোৱালপাৰা চহৰৰ মহেশ চৌধুৰীয়ে গোৱালপাৰাত অইন নাট্যকাৰৰ নাটক পৰিচালনা কৰাৰ লগতে স্বৰচিত কেবাখনো নাটক পৰিচালনা লগতে কেবাখনো নাটকত অভিনয় কৰে। তেখেতৰ 'পেঞ্চন পেঞ্চন',

'কলিজাত প্ৰেমৰ জুই', 'শাওঁনৰ মেঘ', উলংগ মানুহ' অন্যতম। ১৯৭৯ চনত কৰুণা ডেকা ৰচিত আৰু মহেশ চৌধুৰী পৰিচালিত নাট 'জীৱন তৃষ্ণা মঞ্চস্থ হয়। ভবেন বৰুৱাৰ 'তেজে ধোৱা গামোছা' তেখেতৰ পৰিচালনাত অসম ক্লাৱত আৰু হিমেন বৰঠাকুৰৰ 'বাঘ' বাপুজীনগৰ ৰাজহুৱা সভাঘৰত মঞ্চস্থ হয়। মহেশ চৌধুৰীয়ে ১৯৯৯ চনত 'শ্ৰীসূৰ্যগিৰি মঞ্চতীৰ্থ' নামৰ নাট্যদল এটিৰ জন্ম দি গোৱালপাৰাৰ বিভিন্ন স্থানত 'শ্বহীদ বেদী', 'দেউতা', 'তেজে ধোৱা গামোছা' আদি কৰি কেবাখনো নাটক মঞ্চস্থ কৰাৰ লগতে 'আমি এজাক উলংগ মানুহ', 'আমি কিমান সজাগ', 'সাৱধানৰ মৰণ নাই'কে ধৰি বিভিন্ন বিষয়ৰ বাটৰ নাট কৰাইছে। তেখেতৰ হে আকাশ, বাইক প্ৰেম, বেকাৰৰ স্বৰ্গযাত্ৰা, বিপ্লৱ, আখৰা কৰো আহা, মণিকাঞ্চন, হোষ্টেলৰ এটি সন্ধিয়া, কিচিম কিচিম অসুৰ একাংকিকা নাট মঞ্চস্থ হয়।

২০১৩ চনত অসম ক্লাৱৰ স্বৰ্ণজয়ন্তীত ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ 'শতাব্দী' নাটকখন উদয়শংকৰৰ পৰিচালনাত মঞ্চস্থ হয়। ২০১৬ চনত তেওঁৰ ৰচনা আৰু পৰিচালনাৰে মঞ্চস্থ হয় 'হুছেইন চাৰৰ লাঠী'।

গোৱালপাৰা চহৰৰ সেচ্ছাসেৱী অনুষ্ঠান 'জেনিথ কালচাৰেল এণ্ড স্পোৰ্টচ এচ'ছিয়েচনৰ সাংস্কৃতিক বিভাগৰ শাখা 'সাতসৰি'ৰ অভিনয় শিল্পীসকলৰ ভিতৰত আদিল হুছেইন, আশ্ৰাফুল হক, উদয় শংকৰ দে, জৈব্যেন্দু পাটগিৰি, পংকজ দাস, জয়ন্ত মেধি, প্ৰণৱ বড়া, গৌতম শৰ্মা (মুন্না), নীলাঞ্জন দাস, ধনঞ্জয় দেৱনাথ, উদয় ৰায়, নিভাষ পাল, অলকেশ নাথ, হিটলাৰ কলিতা, নিৰ্মল কলিতা, চয়নিকা ডেকা, সুজাতা দেৱী, ইন্দ্ৰানী বৈশ্য, বৰ্ণালী ৰয় উল্লেখযোগ্য। ইয়াৰোপৰি সাহাদত হুচেইন মাণ্টোৰ 'টোবা' টেক সিং' নামৰ গল্পটোৰ আধাৰত ৰুকমল হাজৰিকা ৰচিত একে নামৰ নাটকখন আদিল হুচেইনৰ পৰিচালনাত মঞ্চায়ণ হয়। আকৌ ৰুকমল হাজৰিকাৰ 'ভেম্পায়াৰ' নাটকখন ১৯৮৫ চনত সুজাতা ৰায়, জয়ন্ত মেধি আৰু উদয় শংকৰে গুৱাহাটী বিশ্ববিদ্যালয়ত মঞ্চস্থ কৰি উদয় শংকৰে ২য় শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰে।

গোৱালপাৰা চহৰৰ বাপুজীনগৰৰ এচাম শিল্পীয়ে 'বহ্নিমান' নামৰ নাট্যদল এটাৰ জন্ম দি 'কোন সেইজন', 'আচোৰ' আদি নাট মঞ্চস্থ কৰে।

১৯৮৪ চনত জৈব্যেন্দু পাটগিৰিৰ পৰিচালনাত গোৱালপাৰা পৃথ্বিৰাম চৰকাৰী উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ত মঞ্চস্থ হৈছিল 'সৃষ্টি' নামৰ একাংক নাটখন। ১৯৮৫ চনত অসম ক্লাৱত মঞ্চস্থ হৈছিল 'যমজ'।

২০১৫ চনৰ জানুৱাৰী মাহত গোৱালপাৰা চহৰৰ সমীপৱৰ্তী সোনাপুৰত স্থাপন কৰা হয় 'দ্য প্লেছ ফৰ আৰ্ট লাভাৰ্ছ' নামৰ অপেছাদাৰী নাট্য সংগঠন। আৰম্ভণীতে ৩০ দিনীয়া নাট কৰ্মশালাৰ আয়োজন কৰি মঞ্চস্থ কৰে পদ্মনাথ গোহাঁই বৰুৱাৰ অমৰ সৃষ্টি 'গাঁওবুঢ়া'। পৰিকল্পনা আৰু পৰিচালনা শংকৰজ্যোতি মেধি। নাটখন সোনাপুৰ, বাপুজীনগৰ আৰু আগিয়াত মঞ্চস্থ হয়। ২০১৫ বৰ্ষতে শংকৰজ্যোতি মেধিৰ পৰিকল্পনা, ৰচনা আৰু পৰিচালনাৰে মঞ্চস্থ কৰা হয় 'ওগু'। নাটখন পুনৰ মঞ্চস্থ হয়- বাপুজীনগৰ, সোণাপুৰ, আগিয়া নাট্য মন্দিৰ, মানিকপুৰত।

২০১৬ চনৰ জুলাই মাহত ২৮ দিনয়া শিশু নাট কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাৰ অন্তত প্ৰাংগন মঞ্চত পৰীক্ষামূলকভাৱে নাট সমাৰোহ অনুষ্ঠিত হয়। প্ৰথম নাট- 'ৰং জীৱনৰ'। পৰিকল্পনা আৰু পৰিচালনা- নিবাৰণ ৰাভা আৰু মুকুল ৰাভা। দ্বিতীয়খন নাট- 'আশা'। পৰিকল্পনা আৰু পৰিচালনা- কাৰ্তিক ব্ৰহ্ম চৌধুৰী আৰু নিপন নাথ। তৃতীয়খন নাট- 'সেউজী গাঁও'। পৰিকল্পনা আৰু পৰিচালনা- দীপাংকৰ দাস আৰু চম্পক বৈশ্য।

২০১৬ চনতে নটসূৰ্য ফণীশৰ্মাৰ কালজয়ী নাট 'কিয়' মঞ্চস্থ কৰা হয়। পৰিকল্পনা আৰু পৰিচালনা-



শংকৰজ্যোতি মেধি। পুনৰ মঞ্চস্থ হয়- বাপুজীনগৰ, নটসূৰ্য ফণী শৰ্মা ভৱন, সোণাপুৰ, শাস্ত্ৰীনগৰত।

২০১৭ বৰ্ষত দ্বিতীয় বাৰৰ বাবে পৰীক্ষামূলকভাৱে অনুষ্ঠিত হয় ২৫ দিনীয়া গ্ৰীষ্মকালীন শিশু নাট কৰ্মশালা। আয়োজন কৰা হয় শিশু নাট্য উৎসৱ। প্ৰথম নাট- 'মহামাৰী'। পৰিকল্পনা আৰু পৰিচালনা- চন্দন নাথ, চম্পক বৈশ্য। দ্বিতীয় নাট- 'জিলিকা গাঁও'। পৰিকল্পনা আৰু পৰিচালনা- কাৰ্তিক ব্ৰহ্ম চৌধুৰী, মুকুল ৰাভা। তৃতীয় নাট- 'দেউতা'। পৰিকল্পনা-পৰিচালনা- নিবাৰণ ৰাভা।

২০১৮ বৰ্ষত ৩য় বাৰৰ বাবে অনুষ্ঠিত হয় ২০ দিনীয়া শিশু নাট কৰ্মশালা। কৰ্মশালাৰ অন্তত আয়োজন কৰা শিশু নাট মেলাত প্ৰথমখন নাট মঞ্চস্থ হয় 'ল'ৰালিৰ ধেমালি'। পৰিকল্পনা-পৰিচালনা- জোনালী নাথ। দ্বিতীয়খন নাট- 'বুঢ়া-বুঢ়ী আৰু শিয়াল'। ৰচনা- লক্ষ্মীনাথ বেজবৰুৱা। পৰিকল্পনা-পৰিচালনা- নিবাৰণ ৰাভা। তৃতীয়খন নাট- 'ভূত'। পৰিকল্পনা-পৰিচালনা- চন্দন নাথ। চতুৰ্থখন নাট- 'ৰজা-প্ৰজা আৰু কিছু সমস্যা'। পৰিকল্পনা ও পৰিচালনা- কল্লোল নাথ (কাজু)।

২০১৫ চনৰ পৰা ২০১৯ চনলৈ ৰাষ্ট্ৰীয়-আন্তৰাষ্ট্ৰীয় সমস্যা, সামাজিক, অন্ধবিশ্বাস, কু-সংস্কাৰ, শৈক্ষিক বিষয়, স্বাস্থ্য সজাগতা, বাল্য বিবাহ আদি বিষয়ৰ বিভিন্ন বাটৰ নাট মঞ্চস্থ কৰে নাট্য সংগঠনটোৱে।

'দ্যা প্লেছ ফ'ৰ আৰ্ট লাভাৰ্ছে' ২০১৯ চনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' নাটৰ আধাৰত মঞ্চস্থ কৰে- 'লভিতা', (কিছু ইতিহাস, কিছু কল্পনা)। পৰিকল্পনা আৰু পৰিচালনা- শংকৰজ্যোতি মেধি। সহ-পৰিচালক- নিবাৰণ ৰাভা, চন্দন নাথ। নাটখন গোৱালপাৰাৰ স্থানীয় নটসূৰ্য ফণী শৰ্মা প্ৰেক্ষাগৃহত পৰীক্ষামূলকভাৱে মঞ্চস্থ কৰা হয়।

২০১৯ চনৰ ৫ জুলাইৰ পৰা ২১ জুলাইলৈ অনুষ্ঠিত হয় শিশু নাট কৰ্মশালা। সামৰণিৰ দিনা পৰিৱেশিত হয় পাঁচখন নাট। প্ৰথম নাট- সমন্বয়। পৰিকল্পনা-পৰিচালনা- নিবাৰণ ৰাভা। দ্বিতীয় নাট- অন্ধকাৰত জেউতি। পৰিকল্পনা-পৰিচালনা- সাগৰিকা দাস আৰু কিমি দাস। তৃতীয় নাট- এজনী মালিনী এজোপা ফুল। পৰিকল্পনা-পৰিচালনা- চন্দন নাথ (মূল কাহিনী- লক্ষ্মীনাথ বেজবৰুৱা)। চতুৰ্থ নাট- সৰবজান। পৰিকল্পনা-পৰিচালনা- জোনালী নাথ (মূল কাহিনী- লক্ষ্মীনাথ বেজবৰুৱা)। পঞ্চম নাট- দ্য আৰ্লিয়েষ্ট হিউমেন। পৰিকল্পনা-পৰিচালনা- চন্দন নাথ।

২০১৯ চনৰ ৰাস যাত্ৰাৰ সময়ত গোৱালপাৰা আৰক্ষী বিভাগৰ উদ্যোগত আৰক্ষী চাউনীৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত নিৰ্মাণ কৰা মঞ্চত পৰিৱেশিত হয় শ্ৰীশ্ৰী কাৰৈমাৰী সত্ৰ, ধিতাই পুখুৰী, শিৱসাগৰৰ দ্বাৰা পৰিচালনাৰে গঠিত গোৱালপাৰাৰ 'সত্ৰীয়া সাংস্কৃতিক বিকাশ কেন্দ্ৰ'ৰ শিল্পীবৃন্দৰ দ্বাৰা অংকীয়া ভাওনা 'ৰাম বিজয়'। গোৱালপাৰাৰ দৰে ঠাই এখনত অতিৰিক্ত আৰক্ষী অধীক্ষক, গোৱালপাৰা নৰনীত মহন্তৰ ব্যৱস্থাপনা আৰু প্ৰেৰণাত নৱ প্ৰজন্মৰ এদল যুৱক-যুৱতীয়ে সত্ৰীয়া সংস্কৃতিৰ প্ৰতি থকা ভক্তি-শ্ৰদ্ধা আৰু ভাওনাৰ প্ৰতি থকা অগাধ আন্তৰিকতাৰ স্বাক্ষৰ বহন কৰিছে। প্ৰশিক্ষক- অনল মহন্ত। পৰিচালক ৰুবুল মহন্ত। সহঃ পৰিচালক উদয় শংকৰ দে। দলটিয়ে শ্ৰীমন্ত শংকৰদেৱৰ কলা ক্ষেত্ৰত অনুষ্ঠিত শ্ৰীশ্ৰী বদলা পদ্ম আতা পুৰুষৰ ৪৭৩ সংখ্যক জয়ন্তী আৰু সত্ৰীয়া সংস্কৃতি সমাৰোহ ২০১৯ ত অংশগ্ৰহণ কৰে।■

*(উৎস- 'গোৱালপাৰা দৰ্পণ'- দিলীপ কুমাৰ শৰ্মা)*

# গোৱালপৰীয়া লোক-সংস্কৃতি

**ড° ভানু বেজবৰা কালিতা**
সহযোগী অধ্যাপক, অসমীয়া বিভাগ
গোৱালপাৰা মহাবিদ্যালয়, গোৱালপাৰা

গোৱালপৰীয়া লোক-সংস্কৃতি বুলিলে অবিভক্ত গোৱালপাৰা জিলাৰ লোক-সংস্কৃতিৰ কথাকে বুজায়। যদিও অবিভক্ত গোৱালপাৰা জিলাক ৰাজনৈতিকভাৱে ধুবুৰী, বঙ্গাইগাওঁ, কোক্ৰাঝাৰ, মানকাচাৰ আদি কৰি কেইবাখনো জিলাত ভাগ কৰা হৈছে। কাৰণ সংস্কৃতিৰ সীমাই সদায় ৰাজনৈতিক সীমা অতিক্ৰম কৰি যায়। সংস্কৃতি শব্দটো সংস্কাৰৰ লগত বিশেষভাৱে জৰিত। যাৰ সংস্কাৰ হৈছে সিয়ে সংস্কৃতি। সংস্কৃতি শব্দ গঠন হৈছে 'সম' আৰু 'কৃতি'ৰ সংযোগত। 'সম' হৈছে সমান, সুন্দৰ আৰু 'কৃতি' হৈছে কৰ্ম। গতিকে সুন্দৰ কামেই সংস্কৃতি। যি কৰ্মত সৌন্দৰ্যবোধৰ পৰিচয় আছে, যি কৰ্ম সৃষ্টিধৰ্মী আৰু য'ত মানৱতাবোধৰ পৰিচয় আছে, সিয়েই সংস্কৃতি।

কোনো এক ভূ-খণ্ডত বসবাস কৰা জাতি-জনগোষ্ঠীৰ লোক জীৱনৰ ভেটিত গঢ়ি উঠা সংস্কৃতিয়েই লোক-সংস্কৃতি। লোক-সংস্কৃতি সেয়ে লোক জীৱনৰ মূৰ্ত প্ৰকাশ। ই সামাজিক সম্পৰ্ক প্ৰতিষ্ঠা কৰাৰ ব্যতিৰেকে জন জীৱনৰ অভিব্যক্তি প্ৰকাশ কৰে। নগৰ, চহৰ, গাওঁ আদি বিভিন্ন সমাজৰ জাতি-বৰ্ণ, পুৰুষ-স্ত্ৰী নিৰ্বিশেষে সকলো স্তৰৰ লোকে লোক-সংস্কৃতিৰ ধাৰক আৰু বাহক ৰূপে ভূমিকা গ্ৰহণ কৰি আহিছে। গতিকেই সমাজৰ বিভিন্নজনৰ অভিব্যক্তিৰ সু-প্ৰকাশ সম্ভৱ হয় লোক-সংস্কৃতিত।

অসমৰ একেবাৰে পশ্চিম প্ৰান্তত অৱস্থিত গোৱালপাৰা জিলা। বৃহৎ অসমীয়া সংস্কৃতিৰ প্ৰধান অংগ হৈছে গোৱালপৰীয়া লোক-সংস্কৃতি। বিভিন্ন জাতি-জনজাতি, বিভিন্ন ধৰ্ম সম্প্ৰদায়ৰ আবাস ভূমি এই গোৱালপাৰা জিলা। নৰগোষ্ঠী হিচাপে পূৰ্বভাৰতৰ ককেচীয়ান, নিগ্ৰোয়ড, আলপাইন, মঙ্গোলীয়, আৰু অষ্ট্ৰোলয়ড শ্ৰেণীৰ মানুহ এই ভূ-ভাগত বাস কৰি আহিছে। মনকৰিবলগীয়া এই যে হেজাৰ হেজাৰ বছৰ অতীতৰ ভাস্কৰ্য-স্থাপত্যৰ প্ৰমাণ পোৱা যায় গোৱালপাৰা জিলাৰ মঠ-মন্দিৰ, সত্ৰ-দেৱালয়,মছজিদ, দৰগাহ, প্ৰাসাদ-পাথৰ ইত্যাদিত। বিভিন্ন মঠ-মন্দিৰ, থান-সত্ৰত শিলত কটা নানান দেৱ-দেৱীৰ মূৰ্তিয়ে ৰত্নপীঠৰ ভাস্কৰ্যৰ সুন্দৰ



পৰিচয় বহন কৰি আহিছে। গোৱালপাৰা জিলাত শৈৱ, শাক্ত,গাণপত্য, গৌৰীয়, বৌদ্ধ, জৈন আদি ধৰ্ম সম্প্ৰদায় থকাৰ পৰিচয় বহন কৰি আহিছে গোৱালপাৰা জিলাৰ শ্ৰীসূৰ্য পাহাৰত আৱিস্কৃত জৈন তীৰ্থংকৰৰ মূৰ্তি, শিৱৰ মূৰ্তি, আৰু বুদ্ধৰ স্তুপসমূহে। আনুষ্ঠানিক পৰিচয় ক্ষেত্ৰত জিলাখনত এতিয়াও বৈষ্ণৱ সম্প্ৰদায়ভুক্ত জনসংখ্যাৰ বিশেষ প্ৰাধান্য দেখা যায়। হৰিনাম, সংকীৰ্তন, দৌলোৎসৱ, জন্মাষ্টমী আৰু বৈষ্ণৱ গুৰুদুজনাৰ তিথি আদি পালন কৰাৰ উপৰি শিৱপূজা, কালিপূজা, মহামায়া, বিষহৰি আদি বিভিন্ন দেৱ-দেৱীৰো পূজা অৰ্চনা সময় মতে অনুষ্ঠিত হৈ আহিছে। মুঠতে ৰত্নপীঠৰ সংস্কৃতি বিভিন্ন নৰগোষ্ঠী আৰু ধৰ্ম-গোষ্ঠীৰ বিভিন্ন উপাদান মিশ্ৰিত সমন্বয়ৰ সংস্কৃতি।

লোক-সংস্কৃতিৰ প্ৰধান সমল আৰু লোক-সাহিত্যৰ বাহন স্বৰূপ হ'ল ভাষা। গোৱালপৰীয়া কথিত উপভাষাক সাধাৰণভাৱে গোৱালপৰীয়া উপভাষা বোলা হয় যদিও জিলাখনৰ সকলো অঞ্চলতে এই উপভাষাৰ একেটা ৰূপৰ প্ৰচলন নহয়। ইয়াৰ পূৱ, পশ্চিম, মধ্য আদি বিভিন্ন খণ্ডত উপভাষাটোৰ স্থানীয় ৰূপৰহে প্ৰচলন হয়। স্থানীয় উপভাষাসমূহৰ থলুৱা বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰ কৰি ঘৰুৱা কেতবোৰ নাম পোৱা যায়। যেনে- ঘুল্লীয়া, ঝাৰুৱা, বাৰোহাজাৰী, নামদানী, হাবৰাঘটীয়া, চৰুৱা, উজানি ইত্যাদি। এনেধৰণৰ উপভাষাসমূহৰ মাজেদিয়েই গোৱালপাৰা জিলাৰ লোক জীৱনৰ মনৰ আৱেগ-অনুভূতিক গীত-মাত, ফকৰা-যোজনা, সাধুকথা আৰু দৈনন্দিন জীৱনৰ কৰ্ম আদিৰে সংস্কৃতিৰ ভেটি গঢ়ি তুলিছে।

লোক-সংস্কৃতিৰ প্ৰধান চাৰিটা উপাদান ক্ৰমে—সামাজিক লোকচাৰ, লোক-সাহিত্য, ভৌতিক সংস্কৃতি আৰু পৰিৱেশ্য কলাৰ প্ৰত্যেটো বিভাগেই বিভিন্ন মৌলিক সমলেৰে পৰিপূৰ্ণ হৈ গোৱালপৰীয়া লোক-সংস্কৃতিৰ ভঁৰাল চহকী কৰি ৰাখিছে। ব্যক্তিৰ সংঘবদ্ধ সমষ্টিয়ে হৈছে সমাজ। সেয়ে বহুতো ব্যক্তিৰ সাধাৰণ ব্যৱস্থাবোৰে যেতিয়া উমৈহতীয়া স্বাৰ্থৰ লগত জড়িত হৈ পৰে তেতিয়াই সমাজ ব্যৱস্থাই গঢ় লৈ উঠে। এই সমাজ ব্যৱস্থাৰ ব্যক্তিৰ সামূহিক আচাৰ ব্যৱস্থাবোৰেই সামাজিক লোকবিদ্যা বা লোকাচাৰ হিচাপে স্থিতি লাভ কৰে। এনে সামাজিক লোকাচাৰসমূহ সমজুৱাই পৰম্পৰাগতভাৱে মানি চলে। লোকজীৱনৰ লগত সংশ্লিষ্ট ধৰ্ম তথা ধৰ্ম সম্পৰ্কীয় ৰীতি-নীতি, উৎসৱ- পাৰ্বণ, ঘৰুৱা আচাৰ-ব্যৱহাৰ আদিৰ পৰম্পৰাগতভাৱে সমাজত হোৱা প্ৰচলন সমূহেই লোকাচাৰৰ অন্তৰ্গত। সমাজত প্ৰচলিত এনেধৰণৰ ৰীতি-নীতিসমূহৰ ভিতৰত ঘাইকৈ জন্ম,মৃত্যু, বিবাহ সম্পৰ্কীয় নীতি-নিয়মেই অধিক। তদুপৰি ধৰ্মীয় বিশ্বাসৰ ওপৰত গঢ়ি উঠা বিভিন্ন পূজা-পাৰ্বণ, উৎসৱসমূহে লোক সমাজত বিশেষভাৱে প্ৰভাৱ পেলাই আহিছে। গোৱালপাৰা জিলাৰ সামাজিক জীৱনতো পৰম্পৰাগতভাৱে এনেধৰণৰ লোকাচাৰসমূহ অতীজৰ পৰা প্ৰচলন হৈ আছে। গোৱালপাৰা জিলাত জন্ম প্ৰকৰণত প্ৰচলিত লোকাচাৰসমূহৰ ভিতৰত ঘাইকৈ দেখিবলৈ পোৱা যায়-- সন্তান জন্ম হোৱাৰ আগতে গৰ্ভৱতী মহিলা গৰাকীক পাঁচমাহত 'পঞ্চামৃত' খুউৱা, সাত মাহত 'সাত দিয়া বা সাথ দিয়া' অনুষ্ঠান। সন্তান জন্মৰ পিছত সাত দিন বা এঘাৰ দিনত অশৌচ বিচাৰ, নাম-কীৰ্তন কৰা, পাচতি আদি অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। তদুপৰি কন্যা সন্তান ডাঙৰ হৈ প্ৰথম পুষ্পিতা বা ৰজঃস্বলা হোৱাৰ দিনাৰ পৰা বিভিন্ন নীতি-নিয়মৰ মাজত ৰাখি চাৰি দিনৰ দিনা মহিলাসকলে ছোৱালীজনীক গা-পা ধুৱাই, নতুন সাজ-পাৰ পিন্ধাই, আলহি অতিথিক বিভিন্ন খাদ্যৰে আপ্যায়ন কৰি ধুম-ধামেৰে ধুৱেনী উৎসৱ বা ঝাপা দিয়া অনুষ্ঠান অনুষ্ঠিত কৰে।

বিবাহ প্ৰকৰণত গোৱালপাৰা জিলাৰ সামাজিক বিবাহ অনুষ্ঠানৰ লগত সংগতি ৰাখি বিভিন্ন লোকাচাৰসমূহৰ প্ৰচলন হৈ আহিছে। সেইসমূহৰ ভিতৰত বিশেষকৈ বিবাহৰ আগত গোন্ধতেল খুন্দা বা হালধি খুন্দা অনুষ্ঠান, জোৰণ দিয়া, পানী তোলা, দৰা-কন্যাক গা ধুউৱা বা নোউৱা, তেল চেৰোৱা, সুৱাগ

তোলা, বিয়া নাম গোৱা, আঠ মঙ্গলা আদি অনুষ্ঠানসমূহ বিভিন্ন নীতি-নিয়মৰ মাজেৰে অনুষ্ঠিত কৰি আহিছে।

মৃত্যু প্ৰকৰণতো গোৱালপাৰাৰ সামাজিক জীৱনত মৃতকক বিভিন্ন নীতি-নিয়মৰ মাজেৰে দহন কৰা, মৃতকৰ আত্মাৰ সদ্গতিৰ বাবে হবিচ খতা, তিনি দিনত তিলানি, দহ দিনত দহা আৰু এঘাৰ বা বাৰ দিনত আদ্য শ্ৰাদ্ধ, মৎস স্পৰ্শ আদি অনুষ্ঠানসমূহ অনুষ্ঠিত কৰে। গোৱালপাৰা জিলাত বসবাস কৰা বিভিন্ন জাতি- জনজাতি, বিভিন্ন সম্প্ৰদায়ৰ লোকসকলে তেওঁলোকৰ নিজ নিজ নিয়ম-নীতি পালন কৰি জন্ম-মৃত্যু- বিবাহৰ লগত সংগতি ৰাখি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে।

গোৱালপাৰা জিলাত বিভিন্ন সময়ত লোক সমাজত ধৰ্মীয় পূজা, উৎসৱ আদি বিভিন্ন লোকাচাৰৰ মাজেৰে পালন কৰা দেখা যায়। তেনে ধৰ্মীয় অনুষ্ঠানসমূহৰ ভিতৰত —কাতি পূজা, হুদুম পূজা, শীতলা পূজা, কাহুৰী আইৰ পূজা, নিৰকলি পূজা, মনসা পূজা বা মাৰৈ পূজা, লক্ষ্মী পূজা, চাউল দিয়া প্ৰথা, লখিমী সবাহ, জন্মাষ্টমী, দৌল উৎসৱ, বিহু, গছা দিয়া, অম্বুবাচী ইআদি। তদুপৰি গোৱালপাৰা জিলাত বসবাস কৰা জনজাতি আৰু সম্প্ৰদায়ৰ মাজতো বিভিন্ন উৎসৱ- পাৰ্বণ অনুষ্ঠিত হৈ আহিছে। সেইসমূহৰ ভিতৰত বিশেষকৈ বৰোসকলৰ লাঙামাৰা পূজা, খেৰাই পূজা, হাজংসকলৰ পাবনী পূজা, গাৰোসকলৰ ওৱানগালা, ৰাভাসকলৰ বায়খো পূজা, ফাৰাকান্তি ,মুছলমানসকলৰ ঈদ আদি অনুষ্ঠানসমূহ বিভিন্ন নিজস্ব নীতি-নিয়মৰ মাজেৰে গোৱালপাৰাবাসীৰ মাজত অতি প্ৰাচীন কালৰে পৰা চলি আহিছে।

পৰম্পৰাগতভাৱে প্ৰৱাহমান আৰু ঐতিহ্যৰ অংগীভূত বাচিক কলা- কৌশল, পাৰদৰ্শিতা, পদ্ধতি আদিক সাধাৰণতে ভৌতিক সংস্কৃতি বোলা হয়। পৰম্পৰা আশ্ৰয়ী সমাজত পুৰুষ-স্ত্ৰী আদিয়ে কেনেকৈ ঘৰ-দুৱাৰ নিৰ্মাণ কৰে, কেনেকৈ কাপোৰ বোৱে, খাদ্য সামগ্ৰী তৈয়াৰ কৰে, খেতি-বাতি কৰে, মাছ-কাছ পোহে, মাটি- পানীৰ ব্যৱহাৰ কৰে, যন্ত্ৰ-পাতি নিৰ্মাণ কৰে, সাজ-সৰঞ্জাম, বাচন-বৰ্তন প্ৰস্তুত কৰে আদিৰ চৰ্চাই ভৌতিক সংস্কৃতিৰ উপজীব্য বিষয়। গোৱালপৰীয়া লোক-সংস্কৃতিত ভৌতিক সংস্কৃতিসমূহে জিলাখনৰ বিভিন্ন ঠাইত, বিভিন্ন কাৰু-কাৰ্যৰে অতীজৰে পৰা বৰ্তমানলৈকে নিজস্ব বৈশিষ্ট্যৰে ঐতিহ্য বহন কৰি আহিছে। ভৌতিক কলাসমূহে জিলাখনৰ লোক-সংস্কৃতিৰ দিশটোক উজলাই তোলাৰ লগতে সমাজৰ আৰ্থিক দিশটো বিশেষ বৰঙণি আগবঢ়াইছে। গোৱালপাৰা জিলাৰ ভৌতিক সংস্কৃতিসমূহৰ ভিতৰত প্ৰধানতঃ বাঁহ-বেতৰ শিল্প, পাটী শিল্প, গৃহ নিৰ্মাণ কাৰ্য, তাঁত শিল্প, ৰেচম শিল্প, কুঁহিলা শিল্প, মৃত শিল্প, ৰবৰ শিল্প ইত্যাদি। উক্ত শিল্প কৰ্মসমূহে এফালে লোক সমাজখনৰ সুকুমাৰ কলাৰ প্ৰতিভা বহন কৰাৰ লগতে ঘৰুৱা অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱ পূৰণ কৰাৰ উপৰি অধিক সামগ্ৰী তৈয়াৰ কৰি বিভিন্ন বজাৰত বিক্ৰী কৰি ধন উপাৰ্জন কৰি জিলাখনৰ আৰ্থিক দিশ টনকীয়াল কৰাত অৰিহণা যোগাই আহিছে আৰু জিলাখনলৈ সুনাম কঢ়িয়াই আনিবলৈও সক্ষম হৈছে। উদাহৰণস্বৰূপে গোৱালপাৰা জিলাৰ ডুবাপাৰা অঞ্চলৰ ৰঞ্জিত কুমাৰ দে নামৰ শিল্পীগৰাকীয়ে উন্নত মানৰ শীতল পাটী তৈয়াৰ কৰি ৰাজ্যিক তথা কেন্দ্ৰীয় চৰকাৰৰ পৰা পুৰস্কাৰ লাভ কৰাৰ উপৰি বিদেশতো পাটী প্ৰদৰ্শন কৰি পুৰস্কাৰ লাভ কৰিছে। গোৱালপাৰা জিলাৰে আন এগৰাকী শিপিনী মিছ লেডী ৰাভাই ৰাজ্যিক ভিত্তিত কেইবাটাও পুৰস্কাৰ লাভ কৰাৰ উপৰি কেন্দ্ৰীয় চৰকাৰৰ পৰাও অতুলনীয় শিপিনী হিচাপে ৰাষ্ট্ৰীয় বঁটা লাভ কৰে। আনকি লেডী ৰাভাই আমেৰিকাত গৈ শিপিনীৰ বিভিন্ন চানেকি দাঙিধৰি ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হয়।

মৌখিক লোক-সংস্কৃতিৰ এক উল্লেখযোগ্য অংগ হৈছে লোকসাহিত্যসমূহ। লোক জীৱনেই যি সাহিত্যৰ উৎস সাধাৰণ অৰ্থত সিয়েই লোকসাহিত্য। প্ৰাকৃতিক ভয়-ভীত, হৰ্ষ-বিষাদ,আশা- নিৰাশা, প্ৰেম-প্ৰীতিয়েই



হ'ল এইবিধ সাহিত্যৰ পটভূমি। কোৱা হয় লোকসাহিত্য লোকজীৱনৰ ইতিহাস। প্ৰতিটো নৰ গোষ্ঠীৰ পূৰ্বপুৰুষৰ বহুত কথাৰ আভাস লোক-সাহিত্যই আধুনিক যুগৰ মানুহক দি যায়। লোকসাহিত্যৰ ভিতৰত সাধাৰণতে লোকগীত, ফকৰা- যোজনা, প্ৰবাদ-প্ৰবচন, সাধুকথাসমূহক ধৰা হয়। যুগৰ পিছত যুগ ধৰি মানুহৰ মুখে মুখে প্ৰচলিত হৈ থকাৰ কাৰণে এই সাহিত্যক মৌখিক সাহিত্য বুলি অভিহিত কৰা হয়। সেয়ে কোৱা হয় মৌখিক সাহিত্য পৰিচয়বিহীন অখ্যাত কবিৰ বিখ্যাত ৰচনা। গোৱালপৰীয়া লোকসাহিত্য গোৱালপৰীয়া লোক-সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। এইসমূহ অকল গোৱালপাৰাৰে নহয় অসমীয়া সংস্কৃতিৰো এক উচ্চমান বিশিষ্ট অংগ স্বৰূপ। গোৱালপৰীয়া লোকসাহিত্যসমূহৰ জন্মৰ দিনৰে পৰা বৰ্তমানলৈকে মানুহৰ মুখে মুখে বাগৰি আহিছে। এইসমূহৰ ঠাই বিশেষে কেতিয়াবা কিবা লৰচৰ হ'লেও ইয়াৰ তাল-মান-সুৰ আজিও বিকৃত হোৱা নাই।

গোৱালপৰীয়া লোকগীতসমূহত লোক জীৱনৰ আশা-আকাঙ্খা, প্ৰেম-বিৰহৰ ঘটনাৰ লগতে ঘাইকৈ প্ৰতিফলিত হৈছে শাৰীৰিক শ্ৰমৰ ওপৰত নিৰ্ভৰশীল গোৱালপৰীয়া জন-জীৱনৰ সংগ্ৰামী জীৱনধাৰাৰ নিদৰ্শনসমূহ। মাটি-পানী, গছ-গছনি, নদী-নলা, পৰ্বত-পাহাৰ, জীৱ-জন্তু, চৰাই- চিৰিকটি, ফল-মূল আদিৰে পৰিপূৰ্ণ বিচিত্ৰ প্ৰাকৃতিক জগতখন শ্ৰমজীৱি জীৱনৰ এক অবিচ্ছেদ্য অংগ। গোৱালপৰীয়া লোকগীতত এনে শ্ৰমনিৰ্ভৰ জীৱনৰ দুখ-কষ্ট, হা-হুমুনিয়াহ, সংঘাত, সমস্যা, ব্যথা- বেদনা, ক্ষোভ-ব্যঞ্জনা, শোষণ- শাসন আদিৰ প্ৰতিচ্ছবি নিখুতভাৱে প্ৰতিফলিত হৈছে। উদাহৰণস্বৰূপে মাহুত-ফান্দীৰ গীতসমূহত নৱ-বিবাহিতা পত্নীক ঘৰত অকলে এৰি অটব্য অৰণ্যত হাতী ধৰিবলৈ আহিব লগা হয়, তেতিয়া মাহুত ফান্দীৰ পত্নীৰ ভগ্ন হৃদয়ৰ মৰ্মান্তিক অৱস্থাৰ নিখুত ছবি গীতত এনেদৰে প্ৰকাশ পাইছে—

"অ, মোৰ দান্তাল হাতীৰ মাহুত ৰে
যে দিন মাহুত চিকাৰে যায়,
নাৰীৰ মন মোৰ পৰিয়া ৰয় ৰে।"

মাহুত -ফান্দীৰ গীতৰ লগতে গোৱালপৰীয়া লোকগীতত আছে মৈষাল গীত, বাইসাল বা নাৱৰীয়া গীত, গাড়ীয়াল কেন্দ্ৰিক গীত, দাম্পত্য প্ৰেমৰ গীত, পৰকীয়া প্ৰেমৰ গীত, বাৰমাহী গীত । এইসমূহৰ উপৰি আছে বিভিন্ন পূজা-পাতলৰ গীতসমূহ যেনে- কাতি পূজাৰ গীত, হুদুম পূজাৰ গীত, মনসা পূজাৰ গীত, লক্ষ্মী পূজাৰ গীত, আই নাম, ধাই নাম বা নিচুকনি গীত, বিয়াৰ গীত, দেহ বিচাৰৰ গীত , কাহিনীমূলক গীত (যেনে- নয়ানশ্বৰীৰ গীত, ময়নামতীৰ গীত, গুঞ্জৰা বালীৰ গীত, ভেলোৱা সুন্দৰীৰ গীত) আদি। তদুপৰি গোৱালপাৰা জিলাত বসবাস কৰা বিভিন্ন জনগোষ্ঠীসকলৰ গীত-মাতে গোৱালপৰীয়া লোকগীতৰ ভঁৰাল চহকী কৰি ৰাখিছে। উল্লেখযোগ্য যে গোৱালপৰীয়া লোকগীতে অসম তথা ভাৰতবৰ্ষতে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। এই গীতসমূহ পৰিৱেশন কৰিয়েই প্ৰতিমা পাণ্ডে বৰুৱাই পদ্মশ্ৰী উপাধি লাভ কৰিছিল।

লোক-সংস্কৃতিৰ আন এটা উল্লেখযোগ্য অংগ হৈছে লোক পৰিৱেশ্য কলা। লোক পৰিৱেশ্য কলাৰ বিশিষ্ট উপাদানটো হৈছে লোকনাট্য। লোকনাট্যৰো ৰচক লোক সমাজ, অভিনয়ো কৰে লোকসমাজেই। পৰিৱেশ্য কলা গীত, নৃত্য আৰু অভিনয়ৰ সমষ্টি। গীত, নৃত্য আৰু অভিনয় সম্বলিত এই নাটকীয় পৰিৱেশ্য কলাবোৰে বিভিন্ন ধৰণৰ কাহিনী বা আখ্যান পৰিৱেশনেৰে মানুহৰ অন্তৰত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি আহিছে। নৃত্যৰ জৰিয়তে অনুভূতিক দৰ্শকৰ চকুৰ জৰিয়তে হৃদয়লৈ নিয়া হয়। সেয়ে হয় অভিনয়। গতিকে পৰিৱেশ্য কলাত গীত, নৃত্য, অভিনয় একো একোটা মৌলিক উপাদান।

গোৱালপাৰা জিলাৰ লোকনাট্যৰ পৰম্পৰাৰ এক সুদীৰ্ঘ ইতিহাস লক্ষ্য কৰা যায়। এসময়ত গোৱালপাৰা

অঞ্চল সাহিত্য-সংস্কৃতিৰ বৰঘৰ আছিল। ৰাজকীয় পৃষ্ঠপোষকতাত কবি-সাহিত্যিকসকলে এই অঞ্চলৰ পৰা সাহিত্য চৰ্চা কৰিছিল। অসমৰ লোকনাট্যানুষ্ঠানৰ পৰম্পৰা বিকাশত গোৱালপাৰা অঞ্চলৰ নৃত্য, গীত, অভিনয় সম্বলিত অৰ্ধ নাটকীয় পৰিৱেশ্য কলাসমূহে বিশেষ ভূমিকা প্ৰদান কৰিছে। পুৰণি কালৰ পৰাই গোৱালপাৰা জিলাৰ নৃত্য-গীতৰ পৰিচয় পোৱা যায়। গোৱালপাৰা জিলাত অনুষ্ঠিত হোৱা পৰিৱেশ্য কলাসমূহৰ ভিতৰত কুশান গান, ভাৰী গান, পদ্মা পুৰাণৰ গান, হুদুম পূজাৰ গীত, মাঁৰৈ পূজাৰ গীত, সোণাৰায় পূজাৰ গীত, জয়ঢুলীয়াৰ গীত, চড়ক পূজাৰ গীত আদি উল্লেকযোগ্য। উক্ত অনুষ্ঠানসমূহ গীত- নৃত্যৰ জৰিয়তে মঞ্চত পৰিৱেশন কৰি দৰ্শকক দেখুৱা হয়। এনেদৰে দেখা গৈছে যে আৱহমান কালৰে পৰা গোৱালপাৰা জিলাত বসবাস কৰা জাতি-ধৰ্ম নিৰ্বিশেষে সকলো লোকে লোক-সস্কৃতিৰ ধাৰক আৰু বাহক হিচাপে কাম কৰি আহিছে। তদুপৰি বৃহৎ অসমীয়া সংস্কৃতিৰ সামগ্ৰীক ৰূপ গঠনত গোৱালপৰীয়া লোক-সংস্কৃতিয়ে বিশেষ অৱদান আগবঢ়াইছে। দেখিবলৈ পোৱা গৈছে যে লোক-সংস্কৃতিৰ বহল পথাৰখনৰ প্ৰতিটো অংগতে গোৱালপৰীয়া লোক-সংস্কৃতিয়ে মৌলিকত্ব প্ৰদান কৰি অসমীয়া সংস্কৃতিত নিজৰ স্থান দখল কৰিবলৈ সক্ষম হৈছে। লোকাচাৰ, ভৌতিক কলা, লোকসাহিত্য, পৰিৱেশ্য কলা প্ৰতিটো বিভাগতে নিজস্ব ভঙ্গীমাৰে বৰ্তমানেও গোৱালপৰীয়া লোক-সংস্কৃতি জাকত জিলিকা হৈ বৰ্তী আছে। সেয়ে ক'ব পৰা যায় যে লোক-সংস্কৃতিৰ বিভিন্ন সমলেৰে ঠাহ খাই থকা গোৱালপৰীয়া লোক সংস্কৃতিক উঠি অহা চামে সাম্প্ৰতিক সমাজ ব্যৱস্থাত সঠিকভাৱে ৰূপায়ন কৰি জিলাখনৰ লগতে সমগ্ৰ অসম দেশলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ যত্ন কৰিব লাগে। কাৰণ সাম্প্ৰতিক সময়ত জাতিৰ বাবে, ভাষাৰ বাবে প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। এনে প্ৰত্যাহ্বানক মষিমূৰ কৰিব লাগিলে আমি আমাক জানিব লাগিব, জাতিৰ নিজস্বতাক বুজিব লাগিব। জাতিৰ নিজস্বতা লুকাই থাকে লোক-সংস্কৃতিৰ মাজত। লোক-সংস্কৃতিৰ জৰিয়তে আমি আমাৰ পৰিচয় দাঙি ধৰিব পাৰিব লাগিব। শঙ্কৰ-মাধৱে গঢ়ি যোৱা ভাষা-সাহিত্য- সংস্কৃতিয়ে অসমীয়া জাতিক জীয়াই ৰাখিবলৈ সক্ষম হৈছে। তেওঁলোকৰ সাহিত্যকৃতিয়ে আমাৰ ভাষা-সাহিত্যৰ নিজস্বতাৰ স্বীকৃতি দি আহিছে। সেইদৰে আমি যদি আমাৰ পৰম্পৰাগত ভাৱে চলি অহা লোক কৃষ্টিসমূহত গুৰুত্ব আৰোপ কৰো নিশ্চয় আমাৰ স্বকীয়তাত কেতিয়াও হেঙাৰ আহি থিয় দিব নোৱাৰিব। বৰ্তমান সাহিত্য জগতৰ পৰিবৰ্তন ঘটাই উত্তৰ আধুনিকতাবাদ আহি পৰিছে। এই উত্তৰ আধুনিকতাবাদত প্ৰত্যেক জাতিয়ে, প্ৰত্যেক দেশে নিজক প্ৰতিষ্ঠা কৰাৰ প্ৰচেষ্টা কৰিছে। এই প্ৰচেষ্টাত বিশেষভাৱে সহায় কৰিছে নিজ নিজ দেশৰ থলুৱা কৃষ্টি- সংস্কৃতিসমূহে। সেয়ে বিশ্ব সাহিত্যত এতিয়া থলুৱা লোক-কৃষ্টিয়ে স্থান লাভ কৰিছে। গতিকে আমাৰ উঠি অহা প্ৰজন্মই গোৱালপৰীয়া লোক-সংস্কৃতিৰ গুৰুত্ব উপলব্ধি কৰি নিজৰ পৰিচয় দাঙি ধৰিবলৈ চেষ্টা কৰিব লাগিব। তেনে কৰিবলৈ যাওঁতে প্ৰথমে আমি গোৱলপৰীয়া লোক সংস্কৃতিক পুঙ্খানুপুঙ্খভাৱে অধ্যয়ন কৰি দেশ তথা বিশ্বৰ দৰবাৰত দাঙি ধৰিব পাৰিব লাগিব। শেষত আমি ক'ব খোজো যে নৱ প্ৰজন্মই লোক-সংস্কৃতিৰ প্ৰাসঙ্গিকতা উপলব্ধি কৰি জাতিৰ নিজস্বতা প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰে যেন।



# মূকাভিনয় আৰু বাটৰ নাট — নাটবৈচিত্ৰ্যৰ দুই ধাৰা

শৈলেনজিৎ শৰ্মা

বচনবিহীনভাৱে মাত্ৰ আংগিক অভিনয়ৰ জৰিয়তে অভিনীত দৃশ্যক মূকাভিনয় বুলি কোৱা হয়। মূকাভিনয় উক্তিহীন বা বচনহীন হ'লেও ইয়াৰ অভিনয়ৰ জৰিয়তে যিকোনো এটা ঘটনা বা যিকোনো এটা পৰিস্থিতিক দৰ্শকৰ সন্মুখত উপস্থাপন কৰা হয়। এলিজাবেথীয় নাটকত এনে মূকাভিনয়ৰ প্ৰচলন আছিল বুলি জনা যায়। এলিজাবেথীয় নাটকত প্ৰধান ঘটনাৰ প্ৰতীকী বা ৰূপকাত্মক ব্যাখ্যা দিয়া হৈছিল। এই প্ৰসংগত বিখ্যাত 'হেমলেট' (Hemlat) নাটকত হেমলেটৰ দেউতাকৰ মৃত্যু দৃশ্যৰ মূকাভিনয়ৰ কথা উল্লেখ কৰিব পাৰি। খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকা বা তাৰ বহু পূৰ্বে গ্ৰীচ আৰু ৰোমত ইয়াৰ ব্যাপক চৰ্চা হৈছিল বুলি জনা যায়।

মূকাভিনয়ৰ ইংৰাজী প্ৰতিশব্দ হ'ল মাইম (Mime) বা ডাম্‌-শ্বো (Dumb-show) 'ডাম্' শব্দৰ অৰ্থ হ'ল বোবা, মাতিব নোৱাৰা, নিমাত। 'ডাম-শ্বো'ক Pantomime বুলিও কোৱা হয়। 'Pantomime' ৰ অৰ্থ হ'ল অংগি-ভংগি বা নিমাতি চং। সেই ফালৰ পৰা মূকাভিনয়ত বচন নামাতি অংগি-ভংগিৰেই কোনো কথা বুজাই দিবলৈ চেষ্টা কৰা হয়। ই এক স্বতন্ত্ৰ কলা। অৱশ্যে এটা সময়ত ভাৰতবৰ্ষত মূকাভিনয়ক নৃত্যৰ অংশ হিচাপে গ্ৰাহ্য কৰা হৈছিল। ই হ'ল কোনো এটি বিষয়ৰ ৰূপময় প্ৰকাশ। ভাৰতবৰ্ষৰ এটি প্ৰধান নৃত্য 'কথাকলি'তো বাচিক অভিনয়ৰ অংশ অত্যন্ত গৌণ,- নেপথ্যত সংগীতৰ সৈতে মুদ্ৰা আৰু ভাবৰ মাধ্যমত অভিনয় হয়।

মূকাভিনয় হ'ল আংগিক অভিনয় অংগ। মূকাভিনয়ত মুখজ, চেষ্টাকৃত আৰু শাৰীক- এই তিনি প্ৰকাৰ আংগিক অভিনয়ৰ ৰূপ দেখা যায়। মুখজ অভিনয় বুলি ক'লে শিৰ, চকু প্ৰভৃতিৰ বিভিন্ন সঞ্চালন আৰু প্ৰয়োগ বুজায়। চেষ্টাকৃত অভিনয় হিচাপে হস্তাভিনয় প্ৰধান। আনহাতে বক্ষ, উদৰ, ঊৰু, জংঘা প্ৰভৃতিৰ সঞ্চালন আৰু প্ৰয়োগ মাধ্যমেই হ'ল শাৰীক অভিনয়।

নাটকৰ অভিনয়ৰ ক্ষেত্ৰত মূকাভিনয়ৰ বিশেষ ভূমিকা আছে। যিবোৰ পৰীক্ষামূলক নাটক তাত মূকাভিনয় ব্যৱহাৰ কৰি

নাটকক এক বিশেষ মাত্ৰা প্ৰদানৰ চেষ্টা কৰা দেখা যায়। কিন্তু বাস্তৱধৰ্মী নাটকত ইয়াৰ প্ৰয়োগ তেনেদৰে দেখা নাযায়।

মূকাভিনয় দেখাত এক সহজ কলা যেন লাগিলেও প্ৰকৃতাৰ্থত সিমান সহজ নহয়। অনুকৰণ আৰু অনুশীলন- এই দুটাই হ'ল মূকাভিনয়ৰ ক্ষেত্ৰত প্ৰাথমিক চৰ্ত। যিটো বিষয় নিৰ্বাচন কৰা হয় সেই বিষয়টো শুদ্ধৰূপত অনুকৰণ আৰু বাৰে বাৰে অনুশীলন কৰিলেহে মূকাভিনয় কলাত্মক অভিনয় হৈ পৰে। যতন লৈ অনুশীলন কৰিলে মূকাভিনয় শুদ্ধভাৱে কৰাত সহজ হৈ পৰে। ইয়াত সূক্ষ্ম পৰ্যবেক্ষণ অতি জৰুৰী। সূক্ষ্ম পৰ্যবেক্ষণেৰে অনুশীলন কৰিলে মূকাভিনয় ৰসযুক্ত হৈ পৰে। বেজীৰ কাণত সূতা ভৰোৱা কামটো মূকাভিনয়ৰ জৰিয়তে পৰিৱেশন কৰাৰ পূৰ্বে বেজী আৰু সূতা লৈ এটা কাম বাৰে বাৰে কৰি পিছত মূকাভিনয়ত দেখুৱালে সফলতা লাভ কৰিব পাৰি।

মূকাভিনয়ৰ ক্ষেত্ৰত তলৰ কথাকেইটা বিশেষভাৱে মনত ৰখাটো বাঞ্চনীয় ঃ

ক) মূকাভিনয় হ'ল অভিনয় কলাৰ এক বিশেষ অংগ। ইয়াত বচনহীন বা ভাষাহীনভাৱে কেৱল অংগ সঞ্চালনেৰে বিষয়বস্তু উপাস্থাপন কৰিব লাগে। আংগিক প্ৰয়োগ বা অংগ সঞ্চালন মূকাভিনয়ৰ প্ৰদান বৈশিষ্ট্য।

খ) মূকাভিনয়ত অনুকৰণ আৰু অনুশীলনৰ ওপৰত গুৰুত্ব দিব লাগে।

গ) সূক্ষ্ম পৰ্যবেক্ষণ মূকাভিনয়ৰ এটা উল্লেখযোগ্য চৰ্ত। মূকাভিনয় পৰিৱেশ্য কলা আৰু সেয়েহে প্ৰতিটো বিষয় বা ঘটনাক ভালদৰে পৰ্যবেক্ষণ কৰি পৰিৱেশন কৰিলে সফলতা লাভ কৰিব পাৰি। পৰ্যবেক্ষণ সাধাৰণতে দুই ধৰণৰ হ'ব পাৰে — দৃশ্য পৰ্যবেক্ষণ আৰু অদৃশ্য বা কাল্পনিক পৰ্যবেক্ষণ। যিটো চকুৰে দেখা যায় বা যিটো দৃশ্য চকুৰে পৰ্যবেক্ষণ কৰিব পাৰি সি হ'ল দৃশ্য পৰ্যবেক্ষণ। আনহাতে কোনো কথা বা ঘটনা আনৰ মুখত শুনি অথবা গ্ৰন্থাদি অধ্যয়ন কৰি নেদেখা বস্তুক কল্পনাৰে পৰ্যবেক্ষণ কৰিবলগীয়া হয়, সিয়েই কাল্পনিক পৰ্যবেক্ষণ।

ঘ) কল্পনাশক্তি হ'ল মূকাভিনয়ৰ মূল চালিকা শক্তি।

ঙ) ভৰতমুনিয়ে নাট্যশাস্ত্ৰত উল্লেখ কৰা শৃংগাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, আদ্ভুত আৰু শান্ত- এই নৱৰসৰ জ্ঞান থকাটো অত্যন্ত জৰুৰী। বিষয়বস্তুৰ ভাব প্ৰকাশৰ বাবে ৰসৰ সঞ্চাৰ কৰাটো অতি আৱশ্যক।

চ) মূকাভিনয়ত এনে বাৰ্তা থাকিব লাগে যিটো বাৰ্তাই দৰ্শকক জ্ঞানৰ সন্ধান দিব পাৰে। শিল্পীসুলভ কৌশলৰ মাজেৰে নাৰী নিৰ্যাতন, শিশু শ্ৰমিক, ডাইনী হত্যা, বাল্যবিবাহ, পৰিৱেশ প্ৰদূষণ বা পৰিৱেশ সজাগতা, স্বচ্ছতা অভিযান, নিৰক্ষৰতা দূৰীকৰণ, ঐক্য-শান্তি-সম্প্ৰীতি, ৰাজনীতিৰ কদৰ্যতা আদিকৰি বিভিন্ন সমস্যাৰ উপস্থাপন কৰিব পৰা যায়।

বিভিন্ন জনপ্ৰিয় কলাৰ দৰে মূকাভিনয়কো এক জনপ্ৰিয় কলাৰ ভিতৰত ধৰিব পাৰি। এই জনপ্ৰিয় নাট্যকলাবিধৰ পিতৃ আছিল ফ্ৰান্সৰ মাৰ্ছেল মাৰছু (Marcel Marceau) ১৯২৩ চনৰ ২২ মাৰ্চত মাৰছুৰ জন্ম হৈছিল। তেওঁৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি ২২ মাৰ্চৰ দিনটো 'আন্তঃৰাষ্ট্ৰীয় মূকাভিনয় দিৱস' হিচাপে উদ্‌যাপন কৰা হয়। ভাৰতৰ মাইম থিয়েটাৰৰ জন্মদাতা হ'ল পদ্মশ্ৰী সংগীত-নাটক অকাডেমি প্ৰাপ্ত নিৰঞ্জন গোস্বামী। মূকাভিনয়ক এক বিশেষ মাত্ৰা প্ৰদান কৰা আন এগৰাকী শিল্পী হ'ল বংগৰ যোগেশ দত্ত। তেওঁৰ ব্ৰিটিছ-ভাৰতৰ অধুনা বাংলাদেশৰ ফৰিদপুৰত ১৯৩৫ চনত জন্ম হৈছিল। পিছত ১৯৪৭ চনত সপৰিয়ালে তেওঁ কলকাতালৈ আহে। উত্তৰ-পূব ভাৰতৰ মূকাভিনয় ক্ষেত্ৰখনক উৰ্বৰা কৰি তোলা প্ৰধান শিল্পীজনেই হ'ল অসমৰ মইনুল হক। এইগৰাকী ব্যক্তিৰ সন্মানাৰ্থে ভাৰত চৰকাৰে 'সংগীত নাটক অকাডেমী বঁটা' আগবঢ়ায়। তেঁৱেই অসমৰ নতুন প্ৰজন্মক মূকাভিনয়ৰ শিক্ষা দিয়াৰ উদ্দেশ্যে ১৯৯১ চনত গুৱাহাটী 'মাইম অকাডেমি' প্ৰতিষ্ঠা কৰিছিল।



বাটৰ নাট হ'ল মূলত প্ৰচাৰমূলক আৰু বক্তব্য প্ৰধান। বিশেষ সামাজিক আৰু ৰাজনৈতিক উদ্দেশ্য আগত ৰাখি গাঁও বা চহৰৰ পথত, পাৰ্কত বা যিকোনো মুকলি ঠাইত অভিনীত নাটককে বাটৰ নাট (Street Drama) বুলি কোৱা হয়। বাটৰ নাট পৰিৱেশনৰ ক্ষেত্ৰত অভিনেতা-অভিনেত্ৰীসকলে সাধাৰণতে কোনো বিশেষ পোচাক বা প্ৰসাধন গ্ৰহণ নকৰে। বাটৰ নাটত মঞ্চসজ্জাৰো কোনো প্ৰয়োজন নহয়। আকস্মিকভাৱে কোনো এঠাইত নাটকৰ আয়োজন কৰি সাধাৰণ মানুহৰ ওচৰত কোনো ৰাজনৈতিক বক্তব্য অথবা সামাজিক কোনো সমস্যা বা বিতৰ্ক সম্বন্ধে অভিমত দাঙি ধৰা হয়। নিৰ্বাচনী প্ৰচাৰৰ অংগ হিচাপে অথবা কোনো সামাজিক-ৰাজনৈতিক আন্দোলন বা সচেতনতা বৃদ্ধিৰ কাৰ্যসূচী হিচাপে বাটৰ নাটে প্ৰত্যক্ষভাৱে দৰ্শকসাধাৰণক প্ৰভাৱিত কৰিব পাৰে। বিশেষ দল বা গোষ্ঠীৰ মতাদৰ্শ প্ৰচাৰৰ মাধ্যম হিচাপে এইজাতীয় নাট্যৰূপৰ কাৰ্যকাৰিতা অনস্বীকাৰ্য। শিল্প-প্ৰকৰণৰ উৎকৰ্ষ, অভিনয়ৰ দক্ষতা, নাট্যগুণাৱলীৰ সামগ্ৰিক সাৰ্থকতা বাটৰ নাটকত প্ৰত্যাশিত নহয়। বাটৰ নাটত প্ৰধানকৈ নাট্য মাধ্যমক সহজ আৰু মিতব্যয়ী প্ৰচাৰৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হয়। বক্তব্য প্ৰচাৰৰ বাবে বাটৰ নাট আটাইতকৈ শক্তিশালী আৰু উপযোগী মাধ্যম। বাস্তৱ চিত্ৰৰ প্ৰতিফলন ঘটা বাটৰ নাটকক জনজাগৰণ আৰু জনশিক্ষাৰ মাধ্যম ৰূপেও ব্যৱহাৰ কৰা হয়।

ঊনবিংশ শতিকাৰ ফৰাচী বিপ্লৱৰ সময়তে প্ৰেক্ষাগৃহ ত্যাগ কৰি বিপ্লৱীসকলে আদৰ্শ প্ৰচাৰৰ উদ্দেশ্যে প্ৰথমবাৰৰ বাবে মাটিলৈ নামি অহাৰ পৰিণতিতে বাটৰ নাটকৰ জন্ম হয় বুলি কোৱা হৈছে। ফৰাচী বিপ্লৱৰ সময়তে নাটকে মঞ্চ ত্যাগ কৰিলেও বাটৰ নাটৰ ৰূপকল্পনা কুৰি শতিকাৰ ঘটনা বুলিহে বহুতে ক'ব খোজে। লেলিনৰ অনুপ্ৰেৰণাত ছোভিয়েট কবি আৰু অভিনেতা ভ্লাদিমিৰ মায়াক' ভস্কি (Vladimir Mayakovsky) য়ে প্ৰথমতে বাটৰ নাট লিখিবলৈ লয়। ছোভিয়েট ৰাছিয়াত সমাজতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থা প্ৰতিষ্ঠা হোৱাৰ লগে লগে নতুন সমাজ নিৰ্মাণৰ সমস্যাসমূহ তথা তাৰ সমাধানৰ উপায়সমূহ জনসাধাৰণক সহজ-সৰলভাৱে বুজাই দিয়াৰ তাগিদাত মায়াক' ভস্কিৰ হাতত ন'ষ্টাৰ থিয়েটাৰে জন্ম লাভ কৰে। তেওঁ লিখা এনে ধৰণৰ প্ৰথমখন নাটকৰ নাম হ'ল Mystery Bouffe। এইখন ১৯১৮ চনৰ ১৮ নৱেম্বৰত প্ৰকাশ পাইছিল। এই নাটকৰ যোগেদিয়ে 'ভৱিষ্যবাদী আন্দোলন' (Futurist Movement) নামৰ এটি আন্দোলন তাহানিতেই ছোভিয়েট ৰাছিয়াত জন্ম হৈছিল। এই 'ভৱিষ্যবাদী আন্দোলন'ৰ জন্মদাতা আছিল নিঃসন্দেহে মায়াক' ভস্কি।

আৰউইন পিছ্‌কাটৰ (Erwin piscator) নামৰ এগৰাকী বিখ্যাত জাৰ্মান নাট্যকাৰ হিটলাৰৰ উত্থানৰ সময়ত ফেচীবাদৰ ভয়াবহতা। আৰু পিছলৈ যুদ্ধৰ ভয়াবহতা সম্পৰ্কে জাৰ্মানীৰ জনসাধাৰণৰ ওচৰত দাঙি ধৰাৰ দায়িত্ব গ্ৰহণ কৰিছিল। এই দায়িত্ব পালনৰ অৰ্থে তেওঁ প্ৰেক্ষাগৃহ ত্যাগ কৰি পথলৈ আহি এজিটপ্ৰোপ থিয়েটাৰ (Agitprop Theatre) নামৰ থিয়েটাৰৰ জন্ম দিয়ে। কোনো বিশেষ উদ্দেশ্য সন্মুখত ৰাখি উত্তেজনা সৃষ্টিৰে তাৰ সপক্ষে ব্যাপকভাৱে প্ৰচাৰ কৰাই আছিল এজেটপ্ৰোপ থিয়েটাৰৰ উদ্দেশ্য আৰু এই উদ্দেশ্যৰ লগত সংগতি ৰাখি নাটক ৰচনা কৰা হৈছিল। আচলতে কোনো উত্তেজনা সৃষ্টি কৰি তাৰ সপক্ষে প্ৰচাৰ কৰাই যি নাটকৰ উদ্দেশ্য আছিল, সেইবোৰকে এজিটপ্ৰোপ থিয়েটাৰ বোলা হৈছিল। মায়াক'ভস্কি আৰু পিছ্‌কাটৰ নামৰ নাট্যকাৰ দুজনে আৰম্ভ কৰা শিল্প-মাধ্যমটোৰ প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰিছিল আৰু পিছলৈ ক্ৰমে ইয়ে বক্তব্য প্ৰচাৰৰ বাবে আটাইতকৈ শক্তিশালী আৰু উপযোগী মাধ্যম হিচাপে চিহ্নিত হৈ পৰে।

ভাৰততো সামাজিক তথা ৰাজনৈতিক ব্যৱস্থাত বাটৰ নাটকৰ প্ৰয়োজন এচাম সচেতন নাট্যকাৰ বা নাট্যকৰ্মীয়ে বিশেষভাৱে উপলব্ধি কৰি এইবিধ নাট প্ৰদৰ্শনৰ ক্ষেত্ৰত তৎপৰ হৈ পৰে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ৰ পৰাই বাটৰ নাটৰ চৰ্চা, পৰীক্ষা-নিৰীক্ষা তথা উৎকৰ্ষৰ কাৰণে এচাম নাট্যকৰ্মীয়ে যি আপ্ৰাণ

চেষ্টা চলাইছিল, তাৰ পৰিণতিতে পৰৱৰ্তী সময়ত বাটৰ নাটৰ বিপুল প্ৰসাৰ ঘটিবলৈ ধৰে। ভাৰতত স্বাধীনতা আন্দোলনৰ সময়ৰ পৰাই বাটৰ নাটৰ প্ৰচলন আৰম্ভ হয় আৰু সেই সময়ৰ নাট্যকৰ্মীসকলে বাটৰ নাটৰ জৰিয়তে ব্ৰিটিছ ঔপনিৱেশিকতাবাদ বা সাম্ৰাজ্যবাদৰ শাসন-শোষণৰ বিৰুদ্ধে প্ৰবল জনমত সৃষ্টিৰ বাবে প্ৰয়াস কৰে। এই ক্ষেত্ৰত 'ভাৰতীয় গণনাট্য সংঘ'ৰ নাম বিশেষভাৱে স্মৰণীয়। 'ভাৰতীয় গণনাট্য সংঘ'ই হ'ল বাটৰ নাটৰ জৰিয়তে ব্ৰিটিছৰ শাসন-শোষণৰ বিৰুদ্ধে প্ৰবল জনমত গঢ়ি তোলাৰ মুখ্য পৃষ্ঠপোষক।

দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকাৰ বিৰুদ্ধে প্ৰচাৰ চলাবলৈ ৰোমাঁ ৰোলাঁ (Romain Rolland নামৰ ফৰাছী নাট্যকাৰজনে 'পিপুলছ থিয়েটাৰ' (Peoples Theatre) গঠন কৰে। ৰোমাঁ ৰোলাঁৰ কাৰ্যৰ দ্বাৰা অনুপ্ৰাণিত হৈ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শিল্পী-সাহিত্যিক সমন্বিতে বুদ্ধিজীৱীসকল একত্ৰিত হয়। ভাৰতত স্বয়ং ৰবীন্দ্ৰনাথ ঠাকুৰেও সেই আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেওঁলোকৰ প্ৰচেষ্টাৰ তেওঁ অংশীদাৰ হৈ পৰে। ৰবীন্দ্ৰনাথ ঠাকুৰে তেওঁৰ 'মুক্তাধাৰা' নাটকৰ জৰিয়তে বাটৰ নাটৰ সূচনা কৰে। ১৯৪৫ চনত চট্টগ্ৰামৰ সেনা-শিবিৰত থকা এজন সৈনিক পাৰ্টি অফিচলৈ গৈ 'ব্লাড ব্লাড ব্লাড' নামৰ এখন বাটৰ নাট পঢ়ি শুনাইছিল। পূৰ্ণেন্দু দস্তিদাৰ নামৰ বিপ্লৱী নাট্যকাৰজনে এইখনৰ অনুপ্ৰেৰণাতে 'পতেঙ্গাৰ প্ৰতিশোধ' নামৰ বাটৰ নাটখন লিখি উলিয়াইছিল। উৎপল দত্ত, বাদল সৰকাৰ, অৰুণ চক্ৰৱৰ্তী আদিৰ দৰে যশস্বী নাট্যকাৰ আৰু নাট্য পৰিচালকসকলে বিভিন্ন সময়ত বাটৰ নাটৰ দৰে প্ৰচাৰধৰ্মী নাট্যৰূপৰ যথাযথ প্ৰয়োগ কৰিছে। উৎপল দত্তই ১৯৫২ চনত ৰচনা কৰা 'পাছপোৰ্ট' নাটকৰ জৰিয়তে ভাৰতৰ বাটৰ নাটৰ ইতিহাসত এক যুগজয়ী অধ্যায় ৰচনা কৰাৰ লগতে বাটৰ নাটৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। উৎপল দত্তৰ 'পাছপোৰ্ট' ভাৰতৰ বাটৰ নাটৰ ইতিহাসত মাইলৰ খুটিস্বৰূপ বুলি বিবেচিত হৈ আহিছে। তেওঁৰ আনকেইখনমান উল্লেখযোগ্য বাটৰ নাট হ'ল 'সৌৰিণ মাষ্টৰেৰ সংসাৰ' (১৯৫৮), 'সমাজতান্ত্ৰিক চাল' (১৯৬৫), 'দিন বদলেৰ পালা' (১৯৬৭), 'চক্ৰান্ত' ইত্যাদি। বাটৰ নাটৰ ক্ষেত্ৰত অৰুপ চক্ৰৱৰ্তীৰ 'হুচ্ছেটাকী' (১৯৭১), 'ৰে'ল কীভেলকী' (১৯৭৪), চিত্তৰঞ্জন দাসৰ 'বয়কট' (১৯৭১), 'ষড়যন্ত্ৰ' (১৯৭৯) আদি নাটৰ নামো বিশেষভাৱে উল্লেখ কৰিব পাৰি।

ছফদৰ হাছমি (Sabdar Hashmi) ভাৰতৰ বাটৰ নাটৰ ইতিহাসত বিশেষভাৱে জনাজাত এটি নাম। ১৯৫৪ চনত দিল্লীত জন্মগ্ৰহণ কৰা ছফদৰ হাছমি আছিল সমাজবাদী নাটকৰ লেখক তথা পৰিচালক। কিন্তু বাটৰ নাটৰ বাবেহে তেওঁ প্ৰখ্যাত হৈ পৰে। প্ৰচেনিয়াম মঞ্চ এৰি ১৯৭৮ চনৰ পৰা তেওঁ একাণপতীয়াকৈ বাটৰ নাট ৰচনাত মনোনিৱেশ কৰে আৰু তেওঁৰ মাত্ৰ ৩৪ বছৰীয়া সংক্ষিপ্ত জীৱনকালত সৰ্বমুঠ ২১ খন বাটৰ নাট লিখি পৰিৱেশন কৰে। ভাৰতৰ ছাত্ৰ ফেডাৰেছনৰ অক্লান্ত কৰ্মী ছফদৰ হাছমিয়ে খাটি খোৱা মানুহৰ কাৰণে তেওঁ মঞ্চৰ পৰা নাটকক মানুহৰ মাজলৈ লৈ গৈছিল। তেওঁৰ পূৰ্বে উৎপল দত্ত, ঋত্বিক ঘোটক, বিজন ভট্টাচাৰ্যৰ দৰে গুণী মানুহে যি পথৰ নিৰ্দেশ দিছিল সেই পথকে সাৰোগত কৰি ছফদৰ হাছমিয়ে জীৱনৰ শেষ দিনলৈকে বাটৰ নাট ৰচনা আৰু পৰিৱেশনেৰে এই শিল্পৰূপটোক প্ৰচাৰ-মাধ্যমৰ জীৱন্ত মাধ্যম কৰি গঢ়ি তুলিছিল। ছফদৰ হামছিৰ 'কুৰ্সি কুৰ্সি কুৰ্সি' নামৰ বাটৰ নাটখন ৰাজধানীৰ বিভিন্ন প্ৰান্তত বহুদিন ধৰি প্ৰদৰ্শিত হৈছিল। তেওঁৰ বাটৰ নাটে ইমানেই জনপ্ৰিয়তা লাভ কৰিছিল যে সেই কথা আনকি কেন্দ্ৰীয় চৰকাৰৰ ডাঙৰ ডাঙৰ নেতা, মন্ত্ৰী-আমোলাৰ কাণত পৰিছিল। ১৯৮৯ চনৰ ১ জানুৱাৰীত নতুনকৈ লিখা নাটক 'হাল্লা বোল' নিজৰ দলৰ লগত নিজেও অভিনয় কৰিছিল। নাটখন দিল্লীৰে অদূৰত ছাহিবাবাগত অভিনীত হৈছিল। হঠাৎ পুলিছৰ নেতৃত্বত সেই নাটকৰ দলৰ ওপৰত তৎকালীন ক্ষমতাশীন দল কংগ্ৰেছৰ এদল গুণ্ডাবাহিনীয়ে মাৰপিট আৰম্ভ কৰে। তেওঁলোকৰ লক্ষ্য স্বয়ং ছফদৰ আছিল। তেওঁৰ সৰ্বশৰীৰ ৰক্তাক্ত হৈ পৰে আৰু মূৰৰ গুৰুতৰ আঘাতত ২



জানুৱাৰীত হাস্পতালত মৃত্যু হয়। তেঁৱেই বাটৰ নাটকক অন্য এক উচ্চতালৈ লৈ গৈছিল। উল্লেখ্য যে উক্ত ঘটনাৰ প্ৰতিবাদত ঠিক দুদিন পিছতে ৪ জানুৱাৰী তাৰিখে ঘটনা সংঘটিত হোৱা ঠাইত ছফদৰৰ পত্নী মলয়শ্ৰী হাছমীয়ে 'হাল্লা বোল' নাটকখন মঞ্চস্থ কৰি শিল্পীজনাৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। 'হাল্লা বোল' সৰ্বস্তৰত উচ্চাৰিত এটি বিশেষ নাম। মুঠতে বাটৰ নাট নামৰ শিল্পমাধ্যমটোক প্ৰতিষ্ঠিত আৰু জনপ্ৰিয় কৰি তোলাত ছফদৰ হাছমিৰ যি অৱদান তাৰ তুলনা নাই।

অসমৰ বাটৰ নাটৰ বাটকটীয়া ৰত্ন ওজা। ১৯৭১ চনৰ ১৭ জানুৱাৰীত অৰুণ শৰ্মাই ৰচনা কৰা আৰু ৰত্ন ওজাই পৰিকল্পনা কৰা প্ৰথমখন অসমীয়া বাটৰ নাট 'ককাইদেউ' গুৱাহাটীৰ ৰাজপথত অভিনীত হয়। ১৯৭১ চনৰে ২০ জুনত ৰত্ন ওজাৰ ৰচনা আৰু পৰিচালনাৰে দ্বিতীয়খন নাট অভিনীত হয়। ২০২১ চনটো বাটৰ নাটৰ ইতিহাসৰ স্বৰ্ণজয়ন্তীৰ বছৰ। উল্লেখযোগ্য যে বাটৰ নাটৰ শুভাৰম্ভণি পোনপ্ৰথমে ডিব্ৰুগড়ত হোৱা বুলি কোনো কোনোৱে ক'ব খোজে যদিও ৰত্ন ওজাকহে বাটৰ নাটৰ বাটকটীয়া বুলি স্বীকাৰ কৰি লোৱা হৈছে।

ৰত্ন ওজাই বাট মুকলি কৰি দিয়া অসমীয়া বাটৰ নাটৰ চৰ্চা ব্যাপকভাৱে নহ'লেও ছেগা-চোৰোকাকৈ অব্যাহত আছে। অসম আন্দোলনৰ সময়ত বাটৰ নাটৰ জৰিয়তে আন্দোলনৰ মূল বক্তব্য বিষয় ৰাইজৰ ওচৰত উপস্থাপন কৰা হৈছিল। বৈপ্লৱিক চেতনাই আছিল সেই সময়ৰ বাটৰ নাটৰ মূল বৈশিষ্ট্য। ১৯৮১ চনত অসম আন্দোলনৰ সময়ত জননাট্য মঞ্চই অসমত প্ৰথমবাৰৰ বাবে ব্যাপক ৰূপত বাটৰ নাট পৰিৱেশন কৰি আন্দোলনক জনমুখী কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। আনহাতে, ১৯৮৯ চনৰ ১২ এপ্ৰিলৰ পৰা হাছমীৰ হত্যাৰ প্ৰতিবাদত সমগ্ৰ ভাৰতৰ লগতে অসমতো এসপ্তাহজোৰা বাটৰ নাট পৰিৱেশিত হৈছিল। তেতিয়াৰ পৰাই এচাম সমাজ-সচেতন নাট্য কৰ্মীৰ মন-মগজুৰে সৃষ্টি হোৱা বাটৰ নাটৰ জৰিয়তে সমাজত এক নতুন জাগৰণ সৃষ্টি কৰাৰ প্ৰয়াস দেখা যায়। অসমত বাটৰ নাটৰ চৰ্চা অব্যহত ৰখা নাট্যকাৰসকলৰ ভিতৰত 'সমাহাৰ গোষ্ঠী'ৰ সীতানাথ লহকৰৰ নাম বিশেষভাৱে ল'ব পাৰি। তেওঁৰ 'সন্ধিক্ষণ' নামৰ সংকলনটো অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত প্ৰথমখন বাটৰ নাটৰ সংকলন। সীতানাথ লহকৰৰ 'মহাযাত্ৰা','সন্ধিক্ষণ' বিশেষভাৱে উল্লেখযোগ্য বাটৰ নাট। সীতানাথ লহকৰৰ উপৰিও 'নাৰিক গোষ্ঠী', 'পলস নাট্যগোষ্ঠী','নাটমণ্ডল' নাট্য গোষ্ঠী, 'সাতসৰী' আদিৰ লগত জড়িত বিভিন্নজন নাট্যকাৰে বাটৰ নাট ৰচনা আৰু পৰিৱেশন কৰি উক্ত নাটৰ ধাৰাটোক ধৰি ৰাখিবলৈ প্ৰয়াস কৰিছে। বাটৰ নাট ৰচনাৰ ক্ষেত্ৰত জড়িত থকা আন নাট্যকাৰসকল হ'ল, সপোনজ্যোতি বৰঠাকুৰ, জগদিশ পাটগিৰি, আশোক কুমাৰ কৰ্মকাৰ, নৰেন পাটগিৰি, মৃদুপৱন বড়া, বাবুল চৌধুৰী, নিতুল মেধি, ৰমেশ তালুকদাৰ, শৈলেনজিৎ শৰ্মা, উদয় শংকৰ দে আদি। জগদিশ পাটগিৰিৰ 'আতংক', অশোক কুমাৰ কৰ্মকাৰৰ 'স্বাধীনতা ৪৫', সীতানাথ লহকৰৰ 'মহাযাত্ৰা','সন্ধিক্ষণ', নৰেন পাটগিৰিৰ 'নাটক চলিছে নাটক', 'অথ একলব্য সংবাদ', মৃদুপৱন বড়াৰ 'দ্বিতীয় স্বাধীনতা', শৈলেনজিৎ শৰ্মাৰ 'আহ ঐ আহ' (অসম আন্দোলনৰ পটভূমিত ৰচিত),'আকৌ হাল্লা বোল' (ছফদৰ হাছমীৰ হত্যাৰ প্ৰতিবাদত ৰচিত) , ৰমেশ তালুকদাৰৰ 'ধৰ ধৰ ধৰ গৰু চোৰক ধৰ', উদয় শংকৰ দেৰ 'অশনি সংকেত','হাতী মানুহৰ খেলা' আদি বিশেষভাৱে জনপ্ৰিয় আৰু পৰিৱেশিত বাটৰ নাট।

বাটৰ নাটৰ এটা প্ৰধান সুবিধা এয়ে যে ইয়াত দৰ্শক আৰু অভিনেতাৰ মাজত কোনো প্ৰাচীৰ নাথাকে। ইয়ে দৰ্শক আৰু অভিনেতাৰ মাজত থকা দূৰত্ব নাইকিয়া কৰে। তদুপৰি বাটৰ নাট-পৰিৱেশনৰ কাৰণে দিন-ৰাতি বুলি কোনো কথা নাই। কিন্তু বেছিভাগ বাটৰ নাট দিনৰ ভাগতে পৰিৱেশিত হয়। অৱশ্যে বহুসংখ্যক মানুহে যাতে নাটখন উপভোগ কৰিব পাৰে তালৈ লক্ষ্য ৰখা হয় অথবা বহুসংখ্যক মানুহৰ ওচৰলৈ নাটখন লৈ গৈ বক্তব্য বিষয় যাতে প্ৰত্যক্ষভাৱে দাঙি ধৰিব পাৰি সেই উদ্দেশ্যটো আগত ৰখা হয়। ■

# গোৱালপাৰা জিলা, শিক্ষা বিপ্লৱ আৰু এখন বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয়তা, এটি অৱলোকন

ড° মোঃ জহিৰুল হক
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
গোৱালপাৰা মহাবিদ্যালয়

৯৬৬ খৃঃ ৰ শেষৰ ভাগত অবিভক্ত গোৱালপাৰা অঞ্চলত ঘোষ বংশৰ ৰাজত্ব আৰম্ভ হোৱাৰ কিছুকাল পিছত ঈশ্বৰ ঘোষে জটোঙ্গা নদীত স্নান কৰি 'গোৱালী পট্রিপক' অঞ্চলত ভূমি দান কৰা কাৰ্যৰ ভিত্তিত 'গোৱালপাৰা' নামৰ উৎপত্তি হয় বুলি সৰহ সংখ্যক পণ্ডিতে মত পোষণ কৰে। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ প্ৰায় ৭০ বছৰ আগৰ পৰাই বৃটিছ চাহাব সকলে গোৱালপাৰা চহৰত ঘাটি কৰিছিল আৰু জলপথেৰে ব্যৱসায় বাণিজ্য আৰম্ভ কৰিছিল। তেওঁলোকে গাৰো পাহাৰৰ পৰা কপাহ সংগ্ৰহ কৰি নিজ দেশলৈ লৈ গৈছিল আৰু নিমখ আনি ইয়াত বিক্ৰি কৰিছিল। ইংৰাইজেই সাধাৰণ বজাৰখনক আধুনিক গোৱালপাৰা চহৰ ৰূপে গঢ় দিয়াৰ প্ৰথম পদক্ষেপ হাতত লৈছিল। ড° ডি ৰাওৰ 'Local self Government of Assam' গ্ৰন্থত অসমৰ ভিতৰত গোৱালপাৰা চহৰখনতেই সৰ্বপ্ৰথম আধুনিক নগৰ নিকায় ব্যৱস্থা গঢ়ি উঠিছিল যদিও অসময় দ্বিতীয় খন পূৰ্ণ পৰ্যায়ৰ পৌৰসভা এই চহৰ খনক লৈ গঠন হোৱাৰ কথাৰ উল্লেখ পোৱা যায়। কমতা, কোচ, আৰু মোগল শাসনৰ পিছত ১৮২২ খৃঃত ইংৰাজৰ অধীনত গোৱালপাৰা এখন সুকীয়া জিলাত পৰিণত হয়। পুৰণি গোৱালপাৰা জিলাখন ইতিহাসৰ নানা উত্থান-পতন তথা ৰাজনৈতিক ঘটনা পৰিঘটনাৰ দলিল স্বৰূপ। সময়ৰ তাগিদাত তথা প্ৰশাসনিক সুবিধাৰ বাবে গোৱালপাৰা জিলাখনৰ পৰাই ৫-৬ খন জিলা নতুনকৈ গঠন হ'ল। বৰ্তমানৰ গোৱালপাৰা জিলাখনে পুৰণি স্থাপত্য-ভাস্কৰ্য, আৰু পুৰণি কিছু মধুময় স্মৃতিক সাৰটি আগবাঢ়ি গৈ থাকিল।

সাম্প্ৰতিক সময়ত বিশ্বত জ্ঞান আৰু শিক্ষাৰ বিপ্লৱ আৰম্ভ হৈছে। সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসম ৰাজ্যতো শিক্ষা ক্ষেত্ৰখনত নতুন যুগৰ সূচনা হ'বলৈ ধৰিলে। প্ৰতিষ্ঠা লাভ কৰিলে আধুনিক শিক্ষাৰ নানা অনুষ্ঠান প্ৰতিষ্ঠান। এসময়ৰ অসমৰ সাংস্কৃতিৰ প্ৰাণকেন্দ্ৰ গোৱালপাৰা জিলা নানা দিশত হৈ থাকিল উপেক্ষিত। বিশেষকৈ শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত জিলাখন সামগ্ৰিক



ভাৱে পিছ পৰি থাকিল। অৱশ্যে সীমিত সা-সুবিধাৰে এই জিলাখনৰ পৰাই বিশ্ব দৰবাৰত অসমী আইৰ নাম উজ্বলাই কেইবা গৰাকী ব্যক্তিয়ে গোৱালপাৰাৰ পুৰণি গৌৰৱ ৰক্ষা কৰিলে। নতুন শিক্ষানীতি ২০২০ ৰ সফল ৰূপায়নৰ প্ৰাক্ মুহূৰ্ততেই অসমৰ সৰু-সুৰা জিলা সমূহতো আধুনিক শিক্ষা আৰু গৱেষণা ক্ষেত্ৰখনক আগবঢ়াই নিবলৈ নতুন-নতুন বিশ্ববিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিলে। কিন্তু পৰিতাপৰ কথা এয়ে যে আজিকোপতি অসমৰ গোৱালপাৰা জিলা খনত এখনো বিশ্ববিদ্যালয় গঢ়ি নুঠিল। ড° মহেন্দ্ৰ বৰা, ড° বীৰেন্দ্ৰ নাথ দত্তৰ লেখিয়া বহু পণ্ডিত ব্যক্তিয়ে অধ্যাপনা কৰা ১৯৫৫ চনতেই প্ৰতিষ্ঠা লাভ কৰা গোৱালপাৰা মহাবিদ্যালয় খনক বিশ্ববিদ্যালয়লৈ উন্নিত কৰাৰ বহু থ'ল থকাৰ পাছতো কোনো এখন চৰকাৰৰ দৃষ্টিগোচৰ নহ'ল। আজিকোপতি কোনো ৰাজনৈতিক নেতায়ো বিধানসভা তথা লোকসভাৰ মজিয়াত বিষয়টো গুৰুত্ব সহকাৰে উপস্থাপন কৰা দেখা নগ'ল। স্থানীয় ৰাইজ তথা উদীয়মান শিক্ষিত চামে যেনে ধৰণে দাবী উত্থাপন কৰিব লাগিছিল, তেনে ধৰণে দাবী উত্থাপন কৰা দেখা নগ'ল। গতিকে আমি অভাজনে এই লেখনিৰ জৰিয়তে গোৱালপাৰাত এখনি বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে চৰকাৰৰ দৃষ্টি গোচৰ কৰিলোঁ। ■

# গোৱালপাৰা মহাবিদ্যালয় ইয়াৰ ঐতিহ্য আৰু অৱদান

আব্দুল হুছেইন
সহযোগী অধ্যাপক

নামনি অসমৰ ইতিহাস প্ৰসিদ্ধ অবিভক্ত গোৱালপাৰা জিলাখন আছিল বৰ্তমানৰ গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ, বঙাইগাওঁ, চিৰাং আৰু দক্ষিণ শালমাৰা জিলাৰ সমষ্টি। উত্তৰে ভূটান, পূবে পুৰণি কামৰূপ জিলা, দক্ষিণে মেঘালয়, দক্ষিণ পশ্চিমে বাংলাদেশ আৰু পশ্চিমে বঙ্গলৈ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বিস্তৃত। এই বৃহৎ ভূমিখণ্ড ছয়খন জিলাত বিভক্ত হোৱাৰ পিছত অৱশিষ্ট গোৱালপাৰা জিলা এতিয়া ১৮২৪ বৰ্গ কি.মি. মাটিকালিৰে গঠিত আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে অৱস্থিত এক প্ৰত্যন্ত গ্ৰাম্যপ্ৰধান অঞ্চল। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ জড়িয়তে বৃটিছ শাসনৰ অধিনত অহাৰ আগলৈকে গোৱালপাৰা জিলাৰ প্ৰাতিষ্ঠানিক আধুনিক শিক্ষাৰ কোনো সুব্যৱস্থা নাছিল। বৃটিছ শাসনৰ লগে লগে গোৱালপাৰা এক বাণিজ্যিক কেন্দ্ৰলৈ পৰিণত হোৱাৰ লগে লগে মানুহৰ অন্তৰত আধুনিক শিক্ষাৰ আগ্ৰহ আৰু গুৰুত্ব বৃদ্ধি পায়। গৌৰীপুৰৰ জমিদাৰ, প্ৰমথেশ বৰুৱা, লক্ষীপুৰৰ মেছপাৰাৰ জমিদাৰ জ্যোস্না নাথ চৌধুৰী, ভোলানাথ চৌধুৰী, পৃথিৰাম চৌধুৰী, গোৱালপাৰা চহৰৰ প্ৰসন্ন লাল ঘোষ (উকীল), আদি বিদ্যানুৰাগী ব্যক্তিসকলৰ প্ৰচেষ্ঠাত গোৱালপাৰাৰ আশে পাশে কেইখনমান প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। ১৮৬৮ চনত মেছপাৰাৰ জমিদাৰ পৃথিৰাম চৌধুৰীৰৰ উদ্যোগত প্ৰতিষ্ঠিত প্ৰাথমিক বিদ্যালয় খনেই বৰ্ত্তমান গোৱালপাৰা চহৰৰ পৃথিৰাম চৰকাৰী উচ্চতৰ মাধ্যামিক আৰু বহুমুখী বিদ্যালয়। স্বাধীনতাৰ আগলৈকে গোৱালপাৰা আদি কৰি গোটেই অসমতেই উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান তেনেই আঙুলিত গনিব পৰা সংখ্যাৰ আছিল। ১৯০১ চনত স্থাপিত কটন কলেজ তেতিয়া অসমৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। গতিকে উচ্চ শিক্ষাৰ আগ্ৰহ থাকিলেও ছাত্ৰ-ছাত্ৰী সকলৰ বাবে অসমৰ বাহিৰলৈ গৈ শিক্ষা অৰ্জন কৰা কোনো উজু কাম নাছিল। তেনেই নগন্য সংখ্যাক ছাত্ৰ ছাত্ৰীয়ে এই শিক্ষা গ্ৰহণৰ সুবিধা কৰিব পাৰিছিল। কটন কলেজ স্থাপনৰ ২৯ বছৰ পিছত ১৯৩০ চনত যোৰহাটত জগন্নাথ বৰুৱা কলেজ তাৰে ৯ বছৰ



পিছত ১৯৩৯ চনত বৰপেটা মাধৱ চৌধুৰী কলেজ আৰু গুৱাহাটীত ছোৱালীৰ শিক্ষাৰ বাবে সন্দিকৈ ছোৱালী মহাবিদ্যলয় স্থাপন কৰা হয়। স্বাধীনতাৰ ঠিক আগে আগে ১৯৪২ চনত গুৱাহাটীত বি. বৰুৱা কলেজ, ১৯৪৪ চনত নগাও কলেজ, ১৯৪৫ চনত নলবাৰী আৰু দৰং কলেজ স্থাপন হয়। ১৯৪৬ চনত ধুবুৰীত বি. এন কলেজ স্থাপনৰ আগলৈকে অবিভক্ত গোৱালপাৰা জিলাত উচ্চশিক্ষাৰ কোনো প্ৰতিষ্ঠানিক সুবিধা নাছিল।

**গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা-**

স্বাধীনতাৰ পিছত দেশৰ অন্যান্য প্ৰান্তৰ দৰে গোৱালপাৰাবাসী ৰাইজেও উচ্চ শিক্ষাৰ আকাংক্ষা পুৰণৰ মহান উদ্দেশ্য আগত ৰাখি গোৱালপাৰা চহৰত এখন মহাবিদ্যালয় স্থাপনৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। ১৯৫৫ চনত এপ্ৰিল মাহৰ দুই তাৰিখ গোৱালপাৰাৰ বিশিষ্ট ব্যৱসায়ী মৰহুম মুজিবুৰ ৰহমান চাহাবৰ সভাপতিত্বত গোৱালপাৰা চহৰত এক ৰাজহুৱা সভা অনুষ্ঠিত হয়। সেই সভাত উপস্থিত থাকে গোৱালপাৰাৰ সন্মানীয় বিধায়ক, বিশিষ্ট সমাজকৰ্মী স্বৰ্গীয় খগেন্দ্ৰ নাথ নাথ, ডাঃ মেহদী আলী, অধ্যাপক অধিবক্তা ওৱাজুদ্দিন আহমেদ, খীৰোদ মোহন সেন, ডাঃ আনন্দ চন্দ্ৰ দাস, ধীৰাজ মোহন দাস, দেবেন কাছাৰী প্ৰমুখ্যে গোৱালপাৰা অঞ্চলৰ বিভিন্ন প্ৰান্তৰ ৰাইজ। এই সভাতেই গোৱালপাৰা চহৰত এখন মহাবিদ্যালয় (গোৱালপাৰা কলেজ) প্ৰতিষ্ঠা কৰাৰ বাবে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। একেখন সভাতেই, মাননীয় বিধায়ক খগেন্দ্ৰনাথ নাথক সভাপতি, অধ্যাপক ওৱাজুদ্দীন আহমেদ সম্পাদক আৰু মজিবুৰ ৰহমান চাহাবক ধন ভৰালী হিচাপে লৈ কলেজ প্ৰতিষ্ঠাৰ লক্ষ্যত উপস্থিত সদস্য সকলেৰে এক বৃহৎ সাধাৰণ সমিতি গঠন কৰ হয়। এই সমিতিৰ বিভিন্ন সভাত আলোচনাৰ সিদ্ধান্ত মৰ্মে ১৯৫৫ চনত শিক্ষা বৰ্ষৰ পৰা গোৱালপাৰা কলেজৰ শিক্ষা বৰ্ষৰ আৰম্ভণিৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

১৯৫৫ চনত তিনি আগষ্ট তাৰিখে সেই সময়ৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধী, স্বাস্থ্য মন্ত্ৰী ৰূপনাথ ব্ৰহ্মা, গড়কাপ্তানী মন্ত্ৰী সিদ্ধিনাথ শৰ্মাৰ উপস্থিতিত কোৰান, গীতা আৰু বাইবেলৰ আবৃত্তিৰে পৃথিৰাম চৰকাৰী হাই স্কুলত গোৱালপাৰা মহা বিদ্যালয়ৰ শুভ উদ্বোধন কৰা হয়। ৮ আগষ্ট ১৯৫৫ চনৰ পৰা ১৫ জন ছাত্ৰ আৰু ৭ জনী ছাত্ৰীৰে পৃথিৰাম চৰকাৰী হাই স্কুলত গোৱালপাৰা মহাবিদ্যালয়ৰ পাঠদান প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। সেই দিনৰ পৰা ৮ আগষ্ট তাৰিখ গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস হিচাপে এই দিৱস অতি গাম্ভীৰ্য্যপূৰ্ণভাৱে প্ৰতি বছৰে গোৱালপাৰা মহাবিদ্যালয়ে পালন কৰি আহিছে। ১৯৫৫ চনৰ ১৬ আগষ্ট তাৰিখে গোৱালপাৰা মহাবিদ্যায়ৰ প্ৰথম পূৰ্ণাঙ্গ পৰিচালনা সমিতি গঠন কৰা হয়।

এই সমিতিৰ সদস্য বৃন্দ হল- ১। ঁখগেন্দ্ৰনাথ নাথ - সভাপতি, ২।ওৱাজুদ্দীন আহমেদ- অধ্যক্ষ আৰু সম্পাদক, ৩। হাকীম চন্দ্ৰ ৰাভা (MLA) - সদস্য, ৪। মণিকান্ত দাস - সদস্য, ৫। চাৰু মোহন দাস - সদস্য, ৬। ৰজনী কান্ত দাস - সদস্য, ৭। মজিবুৰ ৰহমান - দাতা সদস্য, ৮। ৰাউতমল বোথ্ৰা - দাতা সদস্য, ৯। বি. এন. চৌধুৰী - সদস্য, ১০। মহিউদ্দীন আহমেদ - অবিভাবক সদস্য, ১১। SDMO, Goalpara - সদস্য,
১২। Executive Engineer (PWD, Goalpara) - সদস্য
১৩। SDO (Civil), Goalpara) - সদস্য

**প্ৰতিষ্ঠাপক শিক্ষাগুৰু সকল আছিল-**

১। অধ্যাপক ওৱাজুদ্দিন আহমেদ- অধ্যক্ষ, ২। ড° মোহিনী শইকীয়া, ৩।ড° টি. এন বৰুৱা, ৪। অধ্যাপক সুভাষ চন্দ্ৰ চেটাৰ্জী, ৫। অধ্যাপক আব্দুল ওৱাহিদ, ৬। অধ্যাপক এচ. কে. ৰায় চৌধুৰী, ৭। অধ্যাপক ডি. এচ. ৰাৱড

গোৱালপাৰাবাসী ৰাইজৰ আহোপুৰুষাৰ্থ ত্যাগ আৰু আৰ্থিক অনুদানৰ মাজেৰে বিভিন্ন আৰ্থিক অনাটন অতিক্ৰম কৰি ১৯৬২-৬৩ বিত্তীয় বৰ্ষত আমাৰ কলেজখনে চৰকাৰী ঘাটি মঞ্জুৰী প্ৰাপ্ত (Deficit Grant-in

Aid) কলেজৰ স্বীকৃতি পায়।

১৯৬২-৬৩ শিক্ষাবৰ্ষৰ পৰা প্ৰাক বিশ্ববিদ্যালয় (Pre University) শ্ৰেণীত বিজ্ঞান শাখাৰ আৰম্ভণি কৰা হয়। যদিও আৰ্থিক অনটনৰ বাবে পিছৰ বছৰৰ পৰা সাময়িক ভাৱে বিজ্ঞান শাখাত নাম ভৰ্ত্তীকৰণ প্ৰক্ৰিয়া স্থগিত ৰখা হয়। ১৯৬৬-৬৯ শিক্ষা বৰ্ষৰ পৰা পুনৰ বিজ্ঞান শাখা মুকলি কৰা হয় আৰু এই শাখা এতিয়া গোৱালপাৰা মহাবিদ্যালয়ৰ এক গুৰুত্বপূৰ্ণ শাখালৈ পৰিগণিত হৈছে। আৰু গোৱালপাৰা জিলাৰ লগতে ওচৰ চুবুৰীয়া জিলা আৰু ৰাজ্যৰ ছাত্ৰ ছাত্ৰীৰ বাবে বিজ্ঞান শিক্ষাৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰত পৰিণত হৈছে। আগন্তুক শিক্ষা বৰ্ষৰ পৰা উদ্ভিদ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান শাখাত স্নাতকোত্তৰ শ্ৰেণী শুভাৰম্ভ কৰিবলৈ মনস্থ কৰা হৈছে।

২০১৫-১৬ ইং চনৰ পৰা গোৱালপাৰা মহাবিদ্যালয়ত বণিজ্য শাখাৰ পাঠদান আৰম্ভ কৰা হৈছে। এতিয়ালৈকে চৰকাৰী স্বীকৃতিপ্ৰাপ্ত নোহোৱা বাবে মহাবিদ্যালয়ৰ নিজাববীয়া অৰ্থ ব্যয়ৰ দ্বাৰা এই বিভাগ চলাই থকা হৈছে যদিও অতি সোনকালে বাণিজ্য শাখা চৰকাৰীকৰণ কৰি গোৱালপাৰাবাসীৰ লগতে পশ্চিম অসমৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু চুবুৰীয়া গাৰো পাহাৰ জিলাৰ ছাত্ৰ-ছাত্ৰীকো উপকৃত কৰিব বুলি চৰকাৰৰ প্ৰতি অতি আশাৰে বাট চাই আছো। ৰাষ্ট্ৰীয় সংস্কৃত শিক্ষা আয়োগৰ অধীনত ২০১৬ চনৰ পৰা গোৱালপাৰা মহাবিদ্যালত এক অনোপচাৰিক সংস্কৃত শিক্ষা কেন্দ্ৰ স্থাপন কৰা হৈছে।

Distance Learning বা দুৰবৰ্তী শিক্ষাৰ অংগ হিচাপে গোৱালপাৰা মহাবিদ্যালয়ত গুৱাহাটী বিশ্ব বিদ্যালয়ৰ IDOL আৰু KKHSOU (Krishna Kanta Handique State Open University) তৰ অধীনত বিভিন্ন বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদান পূৰ্ণ পৰ্যায়ত চলি আছে। তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ লগত MOU স্বাক্ষৰ সম্পূৰ্ণ কৰা হৈছে আৰু অতি সোনকালে Distance Learning পদ্ধতিৰে তেজপুৰ বিশ্ব বিদ্যালয়ৰ পাঠদান প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব।

Co-Curriculum Activity ৰ ভিতৰত NCC, NSS, Scout and Guide আদি বিভিন্ন বিষয় আমাৰ মহাবিদ্যালয়ত অতিশয় গুৰুত্বপূৰ্ণ। আমাৰ NSS গোট গুৱাহাটী বিশ্ব বিদ্যালয়ৰ গোট সমূহৰ মাজৰ এক প্ৰথম শাৰীৰ গোট। আমাৰ NSS গোটে ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন অনুষ্ঠানত অংশ গ্ৰহণৰ উপৰিও ৰাষ্ট্ৰীয় পৰ্যায়ত অংশ গ্ৰহণ কৰি সুনাম কঢ়িয়াই আনিছে।

ৰঙিয়াত অনুষ্ঠিত অসম ভিত্তিক শ্ৰেষ্ঠ নিৰুপম প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰি গোৱালপাৰা মহাবিদ্যালয় NCC গোট 2022 বৰ্ষৰ অসমৰ সৰ্বশ্ৰেষ্ঠ দল হিচাপে পদক আৰু সন্মান কঢ়িয়াই আনিছে।

গোৱালপাৰা মহাবিদ্যালয় অসমৰ ভিতৰত দ্বিতীয় অনুষ্ঠান য'ত ৰেডিও কেন্দ্ৰ স্থাপনৰ সকলো আনুষ্ঠানিক প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে আৰু স্বীকৃত লাভ কৰিছে। অতি সোনকালে গোৱালপাৰা মহাবিদ্যালয় ৰেডিও চেন্টাৰৰ পৰা বেঁতাৰ অনুষ্ঠান শুনিবলৈ পোৱা যাব। শিক্ষাৰ জড়িয়তে গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে ভাৰতৰ লগতে পৃথিৱীৰ বিভিন্ন ঠাইত উচ্চ আসন অলংকৃত কৰিছে আৰু সুমান কঢ়িয়াই আনিছে। কলা-সংস্কৃতিৰ ক্ষেত্ৰতো গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে বিশ্বৰ দৰবাৰত উজলি উঠি গোৱালপাৰাবাসীক গৌৰৱান্বিত কৰিছে। এই সকলৰ ভিতৰত আদিল হুছেইন, মুবিন ৰাভা, আশ্ৰাফুল হক, আদি সকলৰ নাম উল্লেখ নকৰাকৈ থাকিব নোৱাৰি।

**আৰ্থ সামাজিক দিশত অৱদান-**

সামাজিক বৈশিষ্ট্যৰে ভৰপুৰ, গোৱালপাৰা জিলাটোক সম্পূৰ্ণ ভাৰতবৰ্ষৰ এক স্বৰূপ বুলি কব পাৰি। ইয়াত হিন্দু, মুছলমান, খ্ৰীষ্টিয়ান, জৈন, বৌদ্ধ, শিখ আদি বিভিন্ন ধৰ্মাৱলম্বী লোকে যেনেকৈ সম্প্ৰীতিৰে



বসবাস কৰে, তেনেকৈ বিভিন্ন ভাষাৰ জনগোষ্ঠী যেনে- অসমীয়া, বঙালী, হিন্দী, বড়ো, গাৰো, ৰাভা, চাহ জনগোষ্ঠী, দেশী বা ৰাজবংশী, হাজং ইত্যাদি ভাষাৰ জনগোষ্ঠীৰ বসবাস। উদ্যোগীক ফালৰ পৰা অতিশয় পিচপৰা গোৱালপাৰা জিলাৰ 90% মানুহেই প্ৰত্যেক্ষ বা পৰোক্ষভাৱে কৃষি বা কৃষিভিত্তিক ক্ষুদ্ৰ ব্যৱসায় ব্যণিজ্যৰ ওপৰত নিৰ্ভৰশীল। এক কৃষি প্ৰধান জিলাৰ সদৰত প্ৰতিষ্ঠিত গোৱালপাৰা মহাবিদ্যালয় এই অঞ্চলৰ জন সাধাৰণৰ শিক্ষা দীক্ষাৰ লগতে আৰ্থ-সামাজিক ক্ষেত্ৰত উন্নতিৰ ধিসত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।

গোৱালপাৰা মহাবিদ্যালয় কুৰুৱাভাছা নামৰ গাঁওখন Adopted Village হিচাপে গ্ৰহণ কৰাৰ পিচত গাঁওখনৰ সামাজিক-পাৰিপাশ্বিক উন্নয়ণত গুৰুত্বৰে কাম কৰিছে। ইতিমধ্যে ৫ শতাধিক গছপুলি ৰূপণৰ জড়িয়তে গাঁওখনৰ সেউজীকৰণৰ দিশত গুৰুত্ব পূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে।

গোৱালপাৰা মহাবিদ্যালয় অসম বিজ্ঞান সমিতিৰ গোৱালপাৰা অঞ্চলৰ ৰাইজৰ মাজত বিজ্ঞান মানসিকতাৰ উন্নয়ন সাধন কৰা, বিজ্ঞান শিক্ষাৰ দিশত সৰ্ব-সাধাৰণৰ মাজত জনপ্ৰিয়তাৰ সৃষ্টি কৰা অন্ধ বিশ্বাস আৰু কু সংস্কাৰ নিৰ্মূল কৰা, ডাইনী হত্যাৰ দৰে জঘন্য কাম বন্ধ কৰা আদি বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰি জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰিছে।

ক'ভিড- ১৯ ৰ অতিমাৰীৰ সময়ত, সামাজিক দূৰত্ব বজাই ৰখা, মাস্ক পৰিধান কৰা, চেনিচাইজাৰ ব্যৱহাৰ কৰা আৰু মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ দ্বাৰা নিজাববীয়াকৈ চেনিটাইজাৰ প্ৰস্তুত কৰি বিতৰণৰ জড়িয়তে কৰণা ভাইৰাচৰ বিৰুদ্ধে দিয়া যুজ খনৰ সমাজৰ লগত চৰকাৰৰ প্ৰতি এক গুৰুত্বপূৰ্ণ সহযোগ আগবঢ়াইছে।

মহাবিদ্যালয়ত দুটা ছোৱালী ছাত্ৰী নিবাস আৰু এটা ছাত্ৰবাস আছে। গতিকে আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়েও আতি কম খৰচত থাকি শিক্ষা গ্ৰহণৰ সুবিধা পাইছে। উদ্যোগ বিহীন এই অঞ্চলত মহাবিদ্যালয়খন অৰ্থনৈতিক দিশত এক উদ্যোগৰ ভূমিকা গ্ৰহণ কৰিছে। ইয়াৰ শিক্ষক-কৰ্মচাৰী সকলে স্থানীয় বজাৰৰ পৰাই বস্তুবাহিনী ক্ৰয় কৰে। ইয়াৰোপৰিও ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন ব্যক্তিগত নিবাসত থাকি অধ্যায়ন কৰাৰ ফলত বজাৰ ব্যৱস্থাৰ উন্নতিৰ লগতে চহৰীকৰণত অৰিহনা যোগাইছে। ■

# বৰভিটা, পাগলাৰটেক মন্দিৰ আৰু গায়না নাও, দুই মহলাযুক্ত জাহাজ

**শৈলেন দাস**
**প্ৰাক্তন ছাত্ৰ**

যান-বাহন কিমান ধৰণৰ আছে আৰু নাম কিমান বিধৰ আছে তাক ক'ব নালাগে। তৎসত্বেও কিছুমান বিশেষ যান-বাহনৰ কথা উল্লেখ কৰিব খুজিছো। বৰ্তমানৰ নৱ-প্ৰজন্মই সেই বিশেষ যানৰ কথা ভাবিবই নোৱাৰে। গাঁৱৰ কিছু নৱ প্ৰজন্মই হয়তো সেই নামৰ যানৰ কথা নুশুনা বা নজনা নহয়। আচহুৱা আচহুৱা যেন অনুভৱ কৰে। তেনেকুৱা নামৰ যানৰ কথা বা বিষয় অৱগত কৰিব খুজিছো। যিহেতু সেই নামৰ যানেৰে বৰভিটা- গোৱালপাৰা, গোৱালপাৰা বৰভিটা গাঁৱলৈ সৰু কালত অহা-যোৱাৰ অভিজ্ঞতা লবলৈ সক্ষম হৈছিলো।

মোৰ জন্ম, ইতিহাস প্ৰদত্ত দুই কলহ সোণৰ মুদ্ৰা আৱিষ্কাৰ হোৱা বৰভিটা গাওঁখনত। গাওঁখনৰ ঐতিহ্য পাগলাৰটেক মন্দিৰ (শিৱমন্দিৰ)। প্ৰবাদ মতে শিব ভক্ত চান্দো সদাগৰে পদ্মাদেৱীক পূজা নিদিছিল। তাৰ বাবে পদ্মাদেৱী চান্দো সদাগৰৰ ওপৰত ক্ষুব্ধ হৈ পৰিছিল। সেই খঙতেই পদ্মাদেৱীয়ে চান্দো সদাগৰৰ এটা এটাকৈ শেহতীয়া পুত্ৰ লক্ষ্মীন্দৰকো বিয়াৰ ফুলশয্যা ৰাতি সৰ্প দংশনৰ দ্বাৰায় মৃত্যু বৰণ কৰাইছিল। তথাপিতো পদ্মাদেৱী ক্ষান্ত নহৈছিল। চান্দো সদাগৰৰ ওপৰত পোতক তোলাৰ উদ্দেশ্যে পদ্মাদেৱীয়ে বিভিন্ন ধৰণৰ উপায় অৱলম্বন কৰিছিল। যেতিয়া চান্দো সদাগৰে সাতখন দিঙাত মণি, মুকুতা, সোণ, ৰূপ সহ বাণিজ্যৰ বস্তুলৈ সাগৰেৰে নিজৰ ঠাই চম্পক নগৰলৈ (ছয়গাওঁ বৰ্তমানৰ কামৰূপ জিলা) উভতি আহে, সেই অৱস্থাত হেনো চান্দো সদাগৰৰ সাতখন দিঙা সাগৰৰ বুকুত বুৰাই দিবলৈ হনুমানক খাতিছিল। কিন্তু শিৱ ভক্ত চান্দো সদাগৰে প্ৰথমখন দিঙাত শিৱৰ মূৰ্ত্তিটো পূজা কৰি থাপনা দি ৰখাত, শিৱভক্ত হনুমানেও গুৰুৰ সৈতে দিঙা কেইখন পানীৰ তলত বুৰাই দিবলৈ টান পালে। কিন্তু যিকোনো উপায়েই সাতখন দিঙা পানীত বুৰাই দিবলৈ পদ্মাদেৱীয়ে খাটনি ধৰাত বাধ্যহৈ হনুমানে দিঙাৰ পৰা শিৱৰ মূৰ্ত্তিটো সাগৰৰ পাৰৰ কাষত থকা পাহাৰখনৰ দাঁতিলৈ আনি স্থাপনা কৰি থলে। তেতিয়াৰ পৰাই পাগলাৰটেক মন্দিৰ বা শিৱ মন্দিৰটোৰ জন্ম হয়



বুলি প্ৰবাদ আছে। শিৱৰ মূৰ্ত্তিটো হনুমানে সেইদৰে পাহাৰৰ দাঁতিত থাপনা কৰি থোৱাৰ পিছত চান্দো সদাগৰৰ বাণিজ্যৰ সাতখন দিঙা সাগৰৰ বুকুত বুৰাই দিয়ে। সেই সাগৰটোয়ে বৰ্তমানৰ ব্ৰহ্মপুত্ৰ নদী বুলি খ্যাত।

উল্লিখিত মন্দিৰটো বৰ্তমানলৈ চলি আছে যদিও চৰকাৰৰ অৱহেলাত বাট-পথ তথৈবচ। ফলত ধৰ্ম্মপৰায়ণ যাত্ৰীৰ আদান-প্ৰদান দুখঃজনক। উল্লিখিত মন্দিৰটোৰ পশ্চিম দিশৰ খেতিপথাৰ খনত ৰাজহুৱা হাট বজাৰ বহুওৱাৰ উদ্দেশ্যেৰে খনন কাৰ্য্য চলোৱাৰ ফলত "দ্বিতীয় চন্দ্ৰ গুপ্ত" ৰজাৰ মূৰ্ত্তি থকা সোণৰ মুদ্ৰা কিছুমান ওলায়। কামকৰা বনুৱাসকলে বহুপৰিমাণৰ সেই মুদ্ৰা পায় যদিও স্থানীয় ৰাইজেও কিছু পৰিমাণে নোপোৱা নহয়। সেই পৰিপেক্ষিতত চৰকাৰৰ ফালৰ পৰা বিশেষজ্ঞ (Expert) আনি বৰভিটা গাওঁখনৰ পাগলাৰটেক মন্দিৰৰ ওচৰে পাজৰে বহুদিন ধৰি যন্ত্ৰ ৰ সহায়ত পৰীক্ষা-নিৰীক্ষা চলায়। শেষত যন্ত্ৰৰ নিৰ্দেশ অনুসৰি মাটি খান্দোতে ইং ১৩/০৫/১৯৭২ তাৰিখত মাটিৰ তলৰ পৰা সোণৰ মুদ্ৰা পৰিপূৰ্ণ দুটা ভুৰুকা জাতীয় মাটিৰ কলহ ওলায়। ৰাইজে অনুৰোধ কৰা সত্বেও কলহ দুটা খুলি নেদেখুৱালে। আবেলি কলহ দুটা আনি গোৱালপাৰা ট্ৰেজাৰীত ৰাখি থয়। তাৰ দুদিনমান পিছত প্ৰায় ৫০ কিলো সোণৰ মুদ্ৰা পৰিপূৰ্ণ কলহ দুটা গুৱাহাটী ৰাজ্যিক যাদুঘৰলৈ লৈ গৈ, প্ৰতিশ্ৰুতি দিয়া সাক্ষী চাৰিজনৰ অজ্ঞাতে কলহ দুটা ভাঙি চিঙি সোণৰ মুদ্ৰাবোৰ চৰকাৰী বৰমূৰীয়া সকলে আত্মসাৎ কৰে। কলহ দুটাৰ ভিতৰত সোণৰ মুদ্ৰা নাছিল তাৰ পৰিবৰ্ত্তে বালিচহিয়া মাটিহে আছিল বুলি ৰাইজক অৱগত কৰে। ইয়াৰ প্ৰতিবাদ জনাই মই ন্যায় বিচাৰি মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত ইং ১৯৯০ চনত কেচ এটা ৰুজু কৰো। কিন্তু দুখৰ বিষয় যে, মোক কোনো সুযোগ নিদিয়াকৈ মোৰ অনুপস্থিতিত মহামান্য আদালতে ইং ২০-০৮-১৯৯৬ তাৰিখত কেচটো closed and dismissed কৰে। সেয়ে বিতং ঘটনাটো সামৰি মই -"ইতিহাস প্ৰদত্ত দুই কলহ সোণৰ মুদ্ৰা কাৰ কাৰ ঘৰত সোমাল?" বুলি গ্ৰন্থ এখনি প্ৰকাশ কৰি ঘটনাৰ মেৰপাকটো পটুৱৈ সমাজ তথা ৰাইজলৈ অৱগত কৰো। ৰাইজৰ বিচাৰ্য্য।

সেইদৰে গাওঁখনৰ জন্ম কাহিনীটো অকণমান উনুকিয়াব খুজিছো - প্ৰবাদমতে মানৰ আক্ৰমণৰ ভয়ত পলাই অহা মানুহখিনি গাওঁখনৰ বিভিন্ন ঠাইত লুকাই থাকিবলগীয়াত পৰে। অঞ্চলটো হাবি জঙ্গলেৰে ভৰপুৰ আছিল। জঙ্গলৰ মাজত লুকাই থকা মানুহবোৰক বিচাৰি নাপাই মানসকল উভতি গৈছিল। মানসকল উভতি যোৱাৰ পিছত জঙ্গলৰ মাজত লুকাই থকা মানুহখিনি ওলাই আহি চিৰস্থায়ীভাবে বসবাস কৰি থাকিবৰ বাবে হাবি জঙ্গলবোৰ পৰিষ্কাৰ কৰি কিছুমান ওখ ওখ মাটিৰ ভিটা তৈয়াৰ কৰে। কাৰণ সেই সময়ত ঠাইখিনি বা অঞ্চলটো বৰ 'দ' আছিল। ঘনাই বানপানী হৈছিল। বানপানীৰ পৰা সাৰিবৰ কাৰণে সেইদৰে ডাঙৰ ডাঙৰ মাটিৰ ভিটা গঢ়ি তুলিছিল আৰু তাৰ ওপৰত চিৰস্থায়ী ভাবে মানুহখিনিয়ে ঘৰ-দুৱাৰ বনাই বসবাস কৰি থাকিবলৈ ললে। তেতিয়াৰেই পৰা ঠাইখিনিৰ নাম হ'ল - "বৰভিটা" যিহেতু ডাঙৰ ডাঙৰ মাটিৰ ভিটাৰ ওপৰত ঘৰ-দুৱাৰ বনাই থাকিবলৈ লৈছিল বুলি প্ৰচলিত হৈ আহিছে।

গোৱালপাৰা চহৰৰ লগত যোগা-যোগৰ একমাত্ৰ পথ আছিল খুটামাৰী, পঞ্চৰত্নহে এটা আৰু আনটো পথ আছিল গৰৈমাৰী, দাৰীদূৰী মাক্ৰী হৈ এটা। অৱশ্যে বৰ্তমানো এই পথ দুটা অব্যাহত আছে। মুকলি হৈ আছে। এইখিনিতেই উল্লেখ কৰিব খুজিছো যে, পাগলাৰটেক মন্দিৰৰ সন্মুখৰ ৰাস্তাটোত ভৰি আছিল প্ৰকাণ্ড প্ৰকাণ্ড শিল। যাৰ ফলত গৰু গাড়ী জাতীয় যান-বাহনৰটো দূৰৰ কথা চাইকেলেৰেও উঠি সেই ৰাস্তাৰে অহা-যোৱা কৰিব পৰা নাছিল। কোনোমতে মানুহে শিলবোৰৰ ফাঁকে ফাঁকে অহা-যোৱা কৰিছিল। চাইকেলেৰে অহা-যোৱা কৰিছিল গৰৈমাৰী, দাৰিদূৰী, মাক্ৰী হৈ। অৱশ্যে পিছত ৰাইজে শিলবোৰ ভাঙি-চিঙি ৰাস্তাটো উলিয়াইছিল। চৰকাৰৰ ফালৰ পৰাও ব্যৱস্থা লৈছিল। তেতিয়াহে মটৰ গাড়ীৰ পৰা আৰম্ভ কৰি গৰু গাড়ী আদি

যান-বাহন ৰাস্তাটোৰে অহা-যোৱা কৰিব পৰা হ'ল যদিও বৰ্তমানো ৰাস্তাটো তথৈবচ। এসময়ত গোৱালপাৰাৰ পৰা কোনোমতে যাত্ৰীবাহী বাছ এখন ৰাতিপুৱা প্ৰায় ৯ মান বজাত আহি খুটামাৰী গাওঁ খনত উপস্থিত হৈছিল। কেই মিনিট মান থকাৰ পিছত অঞ্চলটোৰ যাত্ৰীক লৈ গোৱালপাৰালৈ পুনৰ উভতে। সেইদৰে আবেলি প্ৰায় ৪টা মান বজাত গোৱালপাৰাৰ পৰা যাত্ৰীবাহী বাছখন আহি খুটামাৰী গাওঁ পাইছিল। কেইমিনিট মান থকাৰ পিছত অঞ্চলটোৰ যাত্ৰীক লৈ পুনৰ গোৱালপাৰালৈ উভতি গৈছিল। ভাৰা আছিল-আপাৰত-আঠ অনা আৰু লোৱাৰত চাৰি অনা।

খুটামাৰী গাওঁখন হিন্দুৰ বসতি পূৰ্ণ গাওঁ আছিল। ব্ৰহ্মপুত্ৰ নদীৰ লগত লাগি থকা। সন্মুখত ৰাভা বসতিপূৰ্ণ আৰু কিছু গাৰো মানুহ আছিল। ইং ১৯৮৩ চনত ছাত্ৰ-সন্থাৰ আন্দোলনৰ ফলত হিন্দু মানুহখিনি খুটামাৰি এৰি বিভিন্ন ঠাইলৈ যাব লগা হ'ল। বৰ্তমান খুটামাৰী গাওঁখনত ইছলামধৰ্মী মানুহ বসতি কৰি আছে। অৱশ্যে মাটি কিনা-বেচাও নোহোৱা নহয়।

এইখিনিতেই উনুকিয়াব খুজিছো যে, পাগলাৰটেক মন্দিৰৰ (শিৱ মন্দিৰ) চাৰি দিনীয়া মেলাখনৰ জন্ম কাহিনীটো-অনুমান ইং ১৯৫৫ চন মান হ'ব। সেই সময়ৰ অসমৰ মাননীয় ৰাজহমন্ত্ৰী আছিল প্ৰয়াত মহেন্দ্ৰ মোহন চৌধুৰীদেৱ। তেখেতে এবাৰ লঞ্চেৰে বৰভিটা গাঁৱলৈ আহিছিল। লগত আছিল প্ৰয়াত মনিকান্ত দাস, এটা সময়ৰ গোৱালপাৰা পৌৰ সভাৰ সভাপতি। তেখেত লোকেল বোৰ্ডৰ চেয়াৰমেনো আছিল। প্ৰয়াত ৰোহিনী দাস, মুক্তি যোদ্ধাও আছিল। অহাৰ পথত মন্দিৰটো দেখি সোধাত পাগলাৰটেক মন্দিৰ (শিৱ মন্দিৰ) বুলি তেখেতক অৱগত কৰে। বৰভিটা গাওঁখনত পদাৰ্পন কৰি ৰোহিনী দাসৰ ঘৰলৈ আহে আৰু তাতেই দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। আলোচনা প্ৰসঙ্গত শিৱমেলা অনুষ্ঠিত কৰাৰ কথা উলিয়ায়। সিমানেই নহয় কমিটিও গঠন কৰে। মনিকান্ত দাসক সভাপতি আৰু ৰোহিনী দাসক সম্পাদক বাকী প্ৰয়াত জীতেন্দ্ৰ নাৰায়ণ দাস (মহাজন), প্ৰয়াত মণিকান্ত দাস (বৰভিটা) আৰু কেৱাগৰাকী সদস্য কমিটিখনত আছিল। নামবোৰ উল্লেখ কৰিব নোৱাৰা বাবে দুঃখিত। তেতিয়াৰ পৰাই আৰম্ভ হয় বৰভিটা গাঁৱৰ পাগলাৰটেক মন্দিৰৰ "শিৱমেলা"। জিলাখনৰ ভিতৰত পাগলাৰটেক মন্দিৰৰ মেলাই আছিল আটাইতকৈ ডাঙৰ মেলা। কাৰণ সেই সময়ত জিলাখনত তেনেকুৱা মেলা হোৱা নাছিল। মেলাখনত জিলাৰ উপৰিও আন আন জিলাৰ ভক্ত তথা হিন্দু-মুছলিম ৰাইজ আহি ভৰি পৰিছিল। ভক্ত সকলক কমিটিয়ে সিধাৰ ব্যৱস্থা কৰিছিল আৰু সেই ব্যৱস্থা এতিয়াও অব্যাহত আছে। যাত্ৰা গানৰ পৰা সকলো ধৰণৰ গান-বাজনা বৰ্তমানলৈ চলাই ৰাখিছে। মুছলিম ভক্ত সকলৰ দান-দক্ষিণা াৰে দিয়া মূল মন্দিৰটোৰ কাষৰ ঠাইখিনিত দিব পৰা ব্যৱস্থা আছিল আৰু আজিলৈও অব্যাহত আছে। কিন্তু প্ৰায় ৩০ বছৰমান পিছত যেতিয়া গোৱালপাৰা চহৰৰ শ্মশানত শিৱ মেলা অনুষ্ঠিত কৰে, তেতিয়াৰ পৰা বৰভিটা পাগলাৰটেকৰ শিৱ মেলাৰ ভক্ত তথা ৰাইজৰ উপস্থিতি কমি আহে। পঞ্চৰত্ন, মাকৰী আৰু আন আন ঠাইতো শিৱ মেলা আৰম্ভ হয়। ফলত ৰাইজৰ উপস্থিতি পাগলাৰটেকৰ মেলাৰ কিছু কমি আহে যদিও পাগলাৰটেক শিৱ মন্দিৰৰ বিশেষ তাৎপৰ্য থকা হেতুকেই হয়তো বৰ্তমানলৈও সকলো সম্প্ৰদায় ৰাইজৰ সমাগম হয় আৰু হৈ আছে।

এতিয়া উল্লেখ কৰিব খুজিছো, মূল বিষয়টো-অৰ্থাৎ যান-বাহন নাম কৰণৰ সম্পৰ্কত। যিহেতু সেই সময়ত গোৱালপাৰালৈ অহা-যোৱাৰ কষ্ট আছিল। কাৰণ যান-বহনৰ সংখ্যা কম আছিল। সেয়ে গাওঁখনৰ মানুহখিনিয়ে চহৰলৈ খোজ কাঢ়ি অহা-যোৱা কৰিছিল। পাগলাৰটেক মন্দিৰৰ সন্মুখৰ অহা-যোৱা কৰা পথটোত প্ৰকাণ্ড প্ৰকাণ্ড শিল আছিল। ফলত চাইকেলেৰে অহা-যোৱা কৰিব পৰা নাছিল। গবৈমাৰী-দাৰিদুৰী, মাক্ৰী হৈ হে চাইকেলেৰে চহৰলৈ অহা-যোৱা কৰিছিল। তেনে পৰিপ্ৰেক্ষিতত বৰভিটা গাঁৱৰ মানুহখিনি অহা-যোৱা



কৰিব লাগিছিল খুটামাৰী গাঁৱৰ বাছ ৰখা ঠাইলৈ "গয়না নাওৰে"বা খোজ কাঢ়ি। গয়না নাওখনে যাত্ৰী কঢ়িয়াই আনিছিল জয়পুৰৰ পৰা খুটামাৰী বাছ ৰখা ঠাইলৈ। গয়না নাওখন অইন নাওৰ তুলনাত বিশেষ ধৰণেৰে সজাই লৈছিল। নাওখনৰ টিঙাটোত সুন্দৰ ধৰণেৰে ফুলাম কাপোৰেৰে বা সেই জাতীয় বস্তুৰে সজাই পৰাই দুটা নাগাৰা বান্ধি লৈছিল। যাত্ৰী সকলৰ যাতে বহা মেলাৰ অসুবিধা নহয় তাৰ ব্যৱস্থাও সুন্দৰকৈ কৰা হৈছিল। অহা বা যোৱাৰ পথত গয়না নাওখন ৰখা নিৰুদ্দিষ্ট ষ্টেচন বা ঠাইখিনি পোৱাৰ কিছুদূৰ আগৰ পৰাই নাগাৰা দুটা মাৰিৰে কোৱাই কোৱাই বজাই আহিছিল। যাতে যাত্ৰীসকলে ঘৰৰ পৰা ওলাই আহি নিৰ্দিষ্ট ঠাই বা ষ্টেচনত উপস্থিত হব পাৰে। বৰভিটা গাঁৱতো গয়না নাওখন সেইদৰে নিৰ্দ্দিষ্ট স্থানত আহি উপস্থিত হৈছিল। নমা যাত্ৰী নামিছিল। উঠা যাত্ৰী উঠিছিল। তেনেদৰে যাত্ৰী সকলে আহি খুটামাৰীত ৰৈ থকা বাছখনত উঠিছিল। সেইদৰে নাওখনে উভতি যোৱাৰ পথতো যাত্ৰী সকলক নিজা নিজা ঠাইত নমাই দিছিল আৰু উঠা সকলক তুলি লৈছিল। ভাড়া আছিল চাৰি অনা, আঠ অনা।

সিমানেই নহয়, বাছৰ চলাচল কম হোৱাৰ বাবে যাত্ৰীসকলক গোৱালপাৰালৈ অনা-নিয়া কৰাৰ কাৰণে প্ৰকাণ্ড প্ৰকাণ্ড দুয়োফালে চকা থকা প্ৰকাণ্ড দুই তলা বা খলপা জাহাজো চলিছিল। জাহাজখন চলিছিল ধুবুৰীৰ পৰা গোৱালপাৰালৈ। ধুবুৰীৰ পৰা আহি বৰভিটা গাঁৱৰ পাগলাৰটেক মন্দিৰৰ পশ্চিম দিশত য'ত সোণৰ মুদ্ৰা ওলাইছিল সেইখিনি ঠাইত ৰাখিছিল আবেলি প্ৰায় চাৰিটা মান বজাত। নমা সকলে নামিছিল আৰু উঠা সকলে উঠিছিল। ৰাতি প্ৰায় আঠ বজাত গোৱালপাৰা চহৰত জাহাজখন আহি উপস্থিত হৈছিল। সেইদৰে গোৱালপাৰাৰ পৰা ধুবুৰীলৈ অহাৰ সময় আছিল অনুমান আবেলি এটা মান বজাত। জাহাজখনে বৰভিটাত গাঁৱত আহি পাইছিল অনুমান আবেলি পাঁচমান বজাত। জাহাজ খনৰ ভিতৰত সকলো ধৰণৰ বস্তু কিনিব পৰা দোকান আছিল। চাহ-মিঠাইও পোৱা গৈছিল। ঠাণ্ডাৰ দিনত ভাল লাগিছিল এই কাৰণে যে, জাহাজৰ ধোৱা ওলোৱা মাস্তুলটোৰ কাষত বহি বা ঠিয় হৈ থাকি গৰমৰ আমেজ লব পৰা হৈছিল। বৰভিটা গোৱালপাৰাৰ ভাড়া আছিল মাত্ৰ চাৰি অনা।

উল্লিখিত গয়না নাও আৰু প্ৰকাণ্ড প্ৰকাণ্ড দুয়োফালে চকা থকা প্ৰকাণ্ড দুই তলা জাহাজত সৰু কালতে বৰভিটা-গোৱালপাৰা আৰু গোৱালপাৰা-বৰভিটালৈ অহাযোৱা যাত্ৰী হোৱাৰ অভিজ্ঞতাৰ বিষয়টো থুল-মূল ভাৱে উল্লেখ কৰিলো। যাতে নৱ প্ৰজন্মই জ্ঞাত হয় "গয়না নাও" কি? আৰু প্ৰকাণ্ড প্ৰকাণ্ড চকা থকা দুই তলা জাহাজ কেনেকুৱা? ■

# গোৱালপৰীয়া লোকগীতত সামাজিক প্ৰতিচ্ছবি

ড° বীৰেন্দ্ৰ নাথ দত্ত

কিছুদিন আগলৈকে গোৱালপাৰা বুলিলে ঘাইকৈ অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত পূৰ্ব্বৰ গোৱালপাৰা জিলাখনকে বুজাইছিল আৰু গোৱালপৰীয়া আখ্যাটোৱে বুজাইছিল সেই জিলাৰ মানুহ আৰু সাংস্কৃতিক সমলক। সম্প্ৰতি পূৰ্ব্বৰ গোৱালপাৰা জিলাখনক ভাঙি তিনিখন সুকীয়া জিলাৰ সৃষ্টি কৰা হৈছে যদিও পূৰ্ব্বৰ গোৱালপাৰা জিলাই সামৰা সমগ্ৰ ভূখণ্ডক একেটা সাংস্কৃতিক অঞ্চলৰ অন্তৰ্ভূক্ত বুলি ধৰাৰ সপক্ষে যুক্তি আছে। বৰ্তমান আলোচনাত গোৱালপাৰা কথাটো তেনে পৰিপ্ৰেক্ষিততে ব্যৱহাৰ কৰা হৈছে আৰু গোৱালপৰীয়া লোকগীত বোলোতে অঞ্চলটোত প্ৰচলিত অসমীয়া ভাষাৰ পশ্চিম প্ৰান্তীয় উপভাষাৰ গীত সমূহকেই সামৰা হৈছে।

এই কথা ঠিক যে গোৱালপৰীয়া সমাজখন বৃহত্তৰ অসমীয়া সমাজৰেই অন্তৰ্ভূক্ত আৰু গোৱালপৰীয়া গীতত প্ৰতিফলিত সামাজিক প্ৰতিচ্ছবি এহাতেদি অসমীয়া জন-জীৱনৰে প্ৰতিচ্ছবি। কিন্তু লগতে এইটো স্বীকাৰ্য্য যে জনসমষ্টিৰ গঠন, উপভাষা, ধৰ্মীয় বিশ্বাস আৰু আচাৰ অনুষ্ঠান আৰ্থ সামাজিক গাঁথনি আদিত অঞ্চলটোৰ সামাজিক সাংস্কৃতিক গঠনৰ কিছুমান নিজস্ব বৈশিষ্ট্যও আছে। সামগ্ৰিক ভাৱে অঞ্চলটোৰ সংখ্যাগৰিষ্ঠ হিন্দু সমাজৰ ভিতৰত যিদৰে ৰাজবংশী সকলৰ প্ৰাধান্য সেইদৰে খণ্ড বিশেষে বড়ো আৰু ৰাভা জনজাতীয় গোষ্ঠীৰ অৱস্থিতি গুৰুত্বপূৰ্ণ। অঞ্চলটোৰ সাংস্কৃতিক এই গোষ্ঠীবিলাকৰ অৱদান স্বাভাৱিকতে তাৎপৰ্য্যপূৰ্ণ। তাৰে লগতে আছে অঞ্চলটোৰ থলুৱা মুছলমানসকলৰ বৈশিষ্ট্যপূৰ্ণ বৰঙণি। গোৱালপাৰাৰ আৰ্থ-সামাজিক গাঁথনিৰ এটা চকুত লগা বৈশিষ্ট্য হ'ল কিছুদিন আগলৈকে চলা জমিদাৰী প্ৰথা যাৰ প্ৰচলন কাছাৰৰ বাহিৰে অসমৰ আন কোনো ঠাইতে নাছিল।

গোৱালপৰীয়া লোকগীত সমূহৰ মাজেদি সমাজ জীৱনৰ প্ৰতিচ্ছবি যিদৰে প্ৰকাশ পাইছে তাৰ কিছু আভাস ইয়াত ডাঙি ধৰাৰ চেষ্টা কৰা হৈছে।



অসমৰ অন্যান্য অঞ্চলৰ নিচিনাকৈ গোৱালপাৰাতো বৃত্তি-কেন্দ্ৰিক জাতি ভেদৰ নীতি সিমান কটকটীয়া নহয় আৰু প্ৰায় সকলো বৰ্ণৰ মানুহে সকলো কাম কৰিব পাৰে—মাত্ৰ কেইটামান ব্যতিক্ৰমৰ বাহিৰে। কিন্তু ইয়াত বিশেষকৈ পশ্চিম অঞ্চলত বৃত্তিমূলক বৰ্ণৰ ধাৰণাটোৱে কিছুদূৰ গা কৰি উঠিছিল যেন লাগে, সম্ভৱতঃ চুবুৰীয়া বঙ্গৰ জাতি প্ৰথাৰ অৰ্হিত। সেয়েহে বয়ন শিল্পৰ লগত জড়িত তাঁতী আৰু জোলা সম্প্ৰদায়, কুণহিলাৰ দেৱ দেৱীৰ মূৰ্ত্তি আদি সজা মালী সম্প্ৰদায়, ঢোল বাদনৰ লগত জড়িত ভূঁইমালী সম্প্ৰদায় আদি অসমৰ অইন অঞ্চলত নথকা বৃত্তিমূলক সম্প্ৰদায়ৰ উপৰিও শৱ-সৎকাৰৰ কামত নিযুক্ত আৰু বাঁহৰ কামত পটু ডোম আৰু আৱৰ্জনা পৰিষ্কাৰৰ কামত নিযুক্ত হাড়ি আদি তথাকথিত 'অন্তৎ' জাতিৰ নামো পৰম্পৰাগত লোক সাহিত্যত পোৱা যায়। ইয়াত তেনে সম্প্ৰদায়ৰ উল্লেখ কৰা বিভিন্ন গীতৰ একোটাকৈ শাৰী আগবঢ়োৱা হ'ল —

"শাড়ীৰ আটুস কৰো নাহে বালী,<br>
তাতীয়া পালেয়া গেইচে"<br>
"ওপাৰে জোলা বন্ধু কমৰেৰ শাড়ী যাচে লো।"<br>
"অ' বাপু মালী, অ' ভাল ৰঙে মজু কামায়া মোক দে।"<br>
"বোন বা ৰসিয়া ডোমনা এচাইলন বানাইল"

একেবাৰে পশ্চিম প্ৰান্তত বয়ন শিল্পৰ ঐতিহ্য প্ৰায় লুপ্ত যদিও মধ্য আৰু পূৱ খণ্ডত ই জীৱন্ত হৈ আছে আৰু লোকগীতত তাৰ উল্লেখ বিৰল নহয়। যেনে — "চুলিৰ খোপা দোনা হেনা বুবানৰে তাঁত"।

কোনো বিশেষ বৰ্ণ বা সম্প্ৰদায়ৰ লগত যুক্ত নহ'লেও আৰু জনসমষ্টিৰ আৰ্থ গাঁথনিৰ বাবে আজি সিমান গুৰুত্বপূৰ্ণ নহ'লেও গোৱালপাৰা অঞ্চলত এনে দুটা বৃত্তি আছে যি দুটা আগৰে পৰা — আৰু এতিয়াও জনপ্ৰিয় আৰু যি দুটাৰ প্ৰভাৱ অঞ্চলটোৰ লোক সংস্কৃতিত স্থায়ী হৈ পৰিছে। সেই দুটা হ'ল মৈষাল অৰ্থাৎ ম'হ-গুৱাল আৰু হাতী মাউতৰ বৃত্তি। গোৱালপাৰা নামটোৱেই সূচায় যে সম্ভৱতঃ এসময়ত এই অঞ্চলত দুগ্ধব্যৱসায়ী গো-পালক সকলৰ বিশেষ স্থান আছিল। গোৱালপাৰাৰ দৈ গাখীৰৰ সুনাম আজিও আছে। অঞ্চলটোৰ ঠায়ে ঠায়ে ঘাইকৈ নদী কাষৰীয়া ঠাইত সিদিনালৈকে আছিল ভালেমান ম'হৰ খুটি বা বাথান। জনসংখ্যাৰ হেঁচাত বাথানৰ সংখ্যা ক্ৰমাৎ টুটি আহিছে আৰু মৈষাল সকলো বিলীয়মান হৈ আহিছে। কিন্তু আজিও জীৱন্ত হৈ আছে মৈষালৰ জীৱনক কেন্দ্ৰ কৰি ৰচিত অসংখ্য গীত যিবোৰৰ কিছুমানত বৰ্ণিত হৈছে ম'হৰ ডিঙিৰ টিলিঙাৰ ধ্বনিৰ লগতে মৈষাল পত্নীৰ বিচ্ছেদজনিত কাতৰতা।

"ঘূণ্টুং ঘূণ্টুং ঘূণ্টুং বাজে<br>
মৈষেৰ গলাৰ ঘণ্টা<br>
মোৰ নাৰীৰ পৰাণ কান্দে<br>
ঘৰত নাৰয় মনটা।"

নাইবা—

" বাথান ছাড়ো বাথান ছাড়ো, মৈষাল,<br>
ঘূৰিয়া আইসো বাড়ি।<br>
গলাৰ হাৰ বেচেয়া দিন মুই<br>
ঐ চাকৰিৰ কড়ি।।"

কিছুমানত আকৌ উদ্দীৰ্ণ হৈছে প্ৰবাসী মৈষালৰ

পীৰিতিত আকুল কোনোবা 'পৰেৰ কামিনীৰ প্ৰাণৰ জ্বালা ঃ

"মৈষালৰ সাথে কৰিয়া পীৰিতি ৰে
কি মোৰ জঞ্জাল হৈল ৰে
ৰাওৰে নাকাৰে মৈষাল মনেৰ গৈৰবে,
মনেৰ দুখ কইন্ কাৰ আগে।"

নাইবা –

"গদাধৰেৰ পাৰে ৰে পাৰে
কিসেৰ বাটুল মাৰো,
পৰেৰ কামিনীক দেখি
জলিয়া কেনে মৰো?"

মৈষীলসকল আজি প্ৰায় অদৃশ্য হোৱাৰ পথত, কিন্তু হাতী ধৰা ব্যৱসায়ৰ লগত জড়িত মাউত, ফান্দী আৰু কামলা বা যোগালীসকল আজিও ভালেখিনি সক্ৰিয় হৈ আছে। অসম, মেঘালয়, ভূটান, উত্তৰ বঙ্গৰ পাহাৰৰ দাঁতি কাষৰীয়া ঠাইত হাতী-ধৰা অভিযানৰ বাবে সজা কুৰা বা অস্থায়ী শিবিৰবোৰ গোৱালপৰীয়া মাউত ফান্দী প্ৰায় দিনে নিশাই গীতৰে মুখৰিত কৰি ৰাখে। নতুন হাতীক বশ কৰাৰ প্ৰচেষ্টাৰ পৰা আৰম্ভ কৰি নিজৰ ভিতৰত মনোৰঞ্জনৰ প্ৰয়াসলৈকে সামৰা এই গীতবোৰৰ কিছুমানত ব্যক্ত হৈছে হাতীৰ প্ৰতি মাউত ফান্দীৰ প্ৰত্যক্ষ আন্তৰিক আবেদন, বন্য প্ৰাণী আৰু অৰণ্যৰ কুহকে টানি অনা মাউত ফান্দীৰ পাৰিবাৰিক জীৱনৰ কৰুণ পৰিবেশ, প্ৰবাশী মাউতৰ পৰকীয়া প্ৰেমৰ ৰসঘন কাহিনী ইত্যাদি।

"হস্তীৰ কন্যা, হস্তীৰ কন্যা বামোনেৰ নাৰী
মাথায় নিয়া তাম কলসী, হাতে সোনাৰ ঝাৰি
সখী অ' "

এই বিখ্যাত গীতটিৰ আঁৰত আছে এটি লোক বিশ্বাস আৰু এটি লোক কাহিনী। সেই বিশ্বাসমতে, সেই কাহিনী মতে হস্তীৰ কন্যা এসময়ত আছিল এগৰাকী দুখুনী বিধবা বামুনৰ পত্নী যাৰ মুৰত আছিল তামৰ কলহ, হাতত সোনৰ ঝাৰি। তেওঁৰ দুখত ব্যথিত হৈ হস্তীকূলে তেওঁক আপোন কৰি লয়। হাতীৰ লগত মানুহৰ আত্মীয়তাৰ যোগসূত্ৰ বিচাৰি যোৱা কল্পনাৰ এক সুন্দৰ উদ্ভাৱনা। সেয়েই যেন হাতীৰ প্ৰতি মাউত ফান্দীৰ ইমান আকৰ্ষণ যে তেওঁলোকে হাতীৰ মোহত 'আই'ক এৰে 'বাইক' এৰে আনকি বিয়া কৰাই এৰি থৈ আহে কোমল বয়সীয়া পত্নীক ঃ

"আইও ছাড়িলং বাইও ছাড়িলং, ছাড়িলং সোনাৰ পুৰী
বিয়াও কৰিয়া ছাড়িয়া আইসলং (অ সখী) অলপ
বয়ছেৰ নাৰী।"

এই হাতীৰ "খানিকো দয়া নাই মাউতক লাগিয়া।" সেয়ে সকলো বন্ধন ছিঙি মাউত ফান্দীয়ে যুক্তি কৰি ওলাই যায় হাতী ধৰা শিবিৰ লৈ, চিকাৰবাৰী লৈ;

"ফান্দ লাগিলং, ফাড়া লাগিলং, আৰো নাদিলং দৰী
মাউত-ফান্দী যুক্তি হয়া চলিলং শিকাৰ-বাৰী।"

আকৌ হাবিৰ দাঁৰি শিবিৰত কোনোবা স্থানীয় নাৰীৰ লগত গঢ়ি উঠা প্ৰণয়ৰ বাতৰিও আছে কোনো



কোনো গীতত। অস্থায়ী শিবিৰৰ অন্তত যেতিয়া মাউত নিজ ঘৰলৈ উভতি যাবলৈ ওলায়, প্ৰবাসৰ প্ৰণয়িণী বঞ্চিত হয়। গীতত ফুটি উঠে তেওঁৰ মনৰ কথা ঃ তুমি গ'লে জানো ঘূৰি আহিবা, মোৰ মাউত বন্ধু? তুমি হাতীৰ পিঠিতেই থাকা, নাৰীৰ মনৰ বেদনা জানো তুমি কিবা বুজি পোৱা?

"তোমৰা গেইলে কি আসিবেন মোৰ মাউত বন্ধুৰে-
হাতীৰ পিঠিত থাকিয়া ৰে মাহত, মোৰ গলা ভাঙো
নাৰীৰ মনেৰ কথা তোম্‌ৰা কিবা জানো?"

প্ৰণিয়ণীৰ মনত সন্দেহ মাউতৰ ঘৰত বা কেইগৰাকী স্ত্ৰী আছে। উত্তৰত মাউতৰ আশ্বাস

"হস্তী নৰান্, হস্তী চৰান্, হস্তীৰ গলায় দৰী।
সত্য কৰিয়া কন ৰে মাহুত ঘৰে কয়জন নাৰী।।"
"হস্তী নৰাওঁ, হস্তী চৰাওঁ, হস্তীৰ গলায় বেড়ি
সত্য কৰিয়া কইলং কন্যা, বিয়াও নাই কৰি।।"

